# খলিফাৰ মহান মৰ্য্যদা, কল্যাণ আৰু আমাৰ কৰ্তব্য



প্ৰকাশক
নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

# খলিফাৰ মহান মৰ্যাদা,কল্যাণ আৰু আমাৰ কৰ্তব্য

অনুবাদক
মজিবৰ ৰহমান
(ইনচাৰ্জ অসমীয়া ডেস্ক)

| | |
|---|---|
| নাম কিতাপ | খলিফাৰ মহান মৰ্যাদা,কল্যাণ আৰু আমাৰ কৰ্তব্য |
| লিখক | ছৈয়দ আফতাফ আহমদ চাহাব নায়ৰ<br>আৰিফ ৰাববানি চাহাব মুৰব্বী ছিলছিলা |
| অনুবাদক | মজিবৰ ৰহমান (ইনচাৰ্জ অসমীয়া ডেস্ক) |
| প্ৰথম প্ৰকাশ | ২০২০,১০০০ কপি, |
| প্ৰকাশক | নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান |
| মুদ্ৰণে | ফজলে উমৰ প্ৰিন্টিং প্ৰেছ কাদিয়ান<br>জিলা গুৰদাছপুৰ ১৪৩৫১৬, পঞ্জাৱ |

| | |
|---|---|
| **Name Book** | **Khalifar Mahan Marzoda,Kallan aru Amar Kartabba** |
| **Originial Book** | **Khilafat ka Ajimushan Maqam W Martaba aur Hamari Zimmadaria** |
| **Author** | **Sayed Aftaf Ahmed Nayer,<br>Arif Rabbani Murabbi silsila** |
| **Translated by** | **Mozibar Rahman Murabbi silsila (Incharge Assamese Desk)** |
| **First Published** | **2020, 1000 Copies,** |
| **Published by** | **Nazarat Nashr-O-Ishaat Qadian** |
| **Printed at** | **Fazle Umar Printing Press Qadian<br>Dist. Gurdaspur,143516 (Punjab)** |

# প্ৰকাশকৰ কথা

জমাত আহমদীয়াৰ এয়া গৰ্ব যে জমাত আহমদীয়াত হজৰত মছীহ্ মাউদ (আঃ)ৰ পিছত ১১১ বছৰ ধৰি খিলাফতৰ কল্যাণময় ব্যৱস্থাপনা অব্যাহত আছে। জমাত আহমদীয়াৰ ওপৰত এয়া এক বিৰাট ডাঙৰ ফজল আৰু কৃপা। আজি বিশ্ববাসী এই নিয়ামতৰ (অনুগ্ৰহ)ৰ পৰা বঞ্চিত আৰু তাক (খিলাফত) প্ৰতিষ্ঠাৰ বাবে প্ৰচুৰ পৰিমাণে চেষ্টা-প্ৰচেষ্টা কৰি আছে কিন্তু বিশ্ববাসীৰ অত্যন্ত চেষ্টা-প্ৰচেষ্টাৰ ফলতো এই ব্যৱস্থাপনা প্ৰতিষ্ঠিত কৰিব নোৱাৰে যেতিয়ালৈকে খোদা তায়লা এই ব্যৱস্থাপনা প্ৰতিষ্ঠা নকৰে।

আহমদীয়া মুছলিম জমাত আল্লাহ তায়লাৰ কৃপাত সৌভাগ্যশালী যে তেখেতৰ মাজত আল্লাহ তায়লাই এই কল্যাণময় ব্যৱস্থাপনা অব্যাহত ৰাখিছে; যাৰ জৰিয়তে বিশ্ববাসী জমাতি শিক্ষা-দীক্ষা আৰু নিৰীক্ষণৰ বাহিৰেও কিতাপ ইত্যাদি ছপোৱাৰ লগতে নতুন নতুন পয়গাম পৌচাবৰ পদ্ধতি কাৰ্য্যকলাপ হৈ আছে। আলহামদুলিল্লাহ-

হজৰত খলিফাতুল মছীহ্ আল খামিছ (আঃ)ৰ অনুমোদন মৰ্মে মজলিছে শুৰা (পৰামৰ্শ সভা) চন ২০১৫ ৰ কিছুমান উদ্ধৃতিত এখন কিতাপ ‘‘খিলাফতৰ মহান মৰ্যাদা,কল্যাণ আৰু আমাৰ কৰ্তব্য” প্ৰথমবাৰ অসমীয়া ভাষাত পস্তুত কৰি প্ৰকাশিত হৈ আছে। এই কিতাপখন মাননীয় মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্কে) উৰ্দুৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছে। মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা (President review কমিটি অসম) মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা,মাননীয় ৰহিম বাদশ্বাহ চাহাব মুবাল্লিগ ছিলছিলা, মাননীয় শ্বাহজাহান আলী চাহাব মুৱাল্লিম ছিলাছিলা, এখেত সকলে Review কৰিছে আৰু Review হোৱাৰ পাছত মাননীয় মজিবৰ ৰহমান চাহাব (ইনচাৰ্জ অসমীয়া ডেস্কে) চালি-জাৰি চাই অত্যাৱশকীয় সংশোধন কৰি কিতাপখন প্ৰস্তুত কৰি উলিয়াইছে।

এই কিতাপখন প্ৰস্তুত কৰি উলিয়াওতে সহায় সহযোগীতা আগবঢ়োৱা সকলক আল্লাহ্ তায়লা উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমীন-

**নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান**

# পৰিচয়

আল্লাহ তায়লা মানুহৰ উদ্দেশ্য পৰিপূৰ্ণ কৰাৰ বাবে নবী সকলৰ পৰম্পৰা অব্যাহত ৰাখিছে। অৰ্থাৎ প্ৰত্যেক যুগতে আল্লাহ তায়লা পয়গম্বৰ প্ৰেৰণ কৰিছে; যাক আল্লাহ তায়লাৰ খলিফা (প্ৰতিনিধি) কোৱা হয়। তেখেত সকলে মানুহক সঠিক পথত অনাৰ বাবে চেষ্টা-প্ৰচেষ্টা কৰি থাকে। আল্লাহ তায়লাই এই পয়গম্বৰক এক দীৰ্ঘ কাল ব্যতিত হোৱাৰ পিছত এখন ঐশ্বৰিক জমাত প্ৰতিৰ্ষ্ঠিত কৰি প্ৰয়োজন অনুসৰি মানুহৰ চাহিদা পৰিপূৰ্ণ কৰি এই পৃথিৱীৰ বুকুৰ পৰা বিদায় লৈ নিজৰ প্ৰকৃত মৌলাৰ ওচৰ পাইছেগৈ। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন।

নবীসকলৰ মৃত্যুৰ পিছত অনুসৰণকাৰী জমাত জীৱিত অৱস্থাতেই মৰি যায়। সিহঁত দুঃখিত অৱস্থা হৈ যায় আৰু শত্ৰু সকলে সিহঁতৰ অৱস্থা দেখি আনন্দ উপভোগ কৰিব ধৰে। এনেকুৱা অৱস্থাত আল্লাহ তায়লাই নিজৰ জমাতক নিঃসহায় এৰি নিদিয়ে অৰ্থাৎ তাৰ অতিবাহিত হোৱা জনৰ কায়েম মকাম (উপ প্ৰতিনিধি) বা নায়েব বনাই দিয়ে যিয়ে দুৰ্বল হৈ যোৱা উম্মতক চম্ভালি লয়। তাৰ পিছত লাহে লাহে এই জমাত নিজৰ কাম আৰু মিছন পৰিপূৰ্ণ কৰা অৱস্থালৈ পৌঁছাব ধৰে। অৰ্থাৎ আল্লাহ তায়লাৰ এই ছুন্নত প্ৰিয় নবী কৰিম (ছাঃ)ৰ লগতেও হৈছে। আঁহজৰত (ছাঃ)ৰ মৃত্যুৰ পিছত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) খলিফা প্ৰতিৰ্ষ্ঠিত হয়। এই খিলাফতে ৰাশ্বিদা ত্ৰিশ (৩০) বছৰ লৈ প্ৰতিৰ্ষ্ঠিত আছিল। তাৰ পিছত আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী আখিৰী (শেষ) যুগলৈকে সমাপ্ত হৈ যায়। আল্লাহ তায়লা আৰু তাৰ ৰছুল (ছাঃ)ৰ ভৱিষ্যতবাণী আৰু প্ৰতিশ্ৰুতি অনুযায়ী খিলাফতে ৰাশ্বিদাৰ ছিলছিলা আখেৰী (শেষ) যুগত আকৌ মিনহাজে নবুয়ত (নবুয়তৰ বাট) আকৌ প্ৰতিৰ্ষ্ঠিত হোৱাৰ কথা আছিল। এইটোৰ বিস্তাৰিত ব্যাখ্যা এনেকুৱা যে যেতিয়া চুৰা জুমুৱাৰ আয়াত অৱতীৰ্ণ হয় যে

هُوَ الَّذِیۡ بَعَثَ فِی الۡاُمِّیّٖنَ رَسُوۡلًا مِّنۡهُمۡ
یَتۡلُوۡا عَلَیۡهِمۡ اٰیٰتِهٖ وَ یُزَکِّیۡهِمۡ وَ یُعَلِّمُهُمُ
الۡکِتٰبَ وَ الۡحِکۡمَةَ ٭ وَ اِنۡ کَانُوۡا مِنۡ قَبۡلُ
لَفِیۡ ضَلٰلٍ مُّبِیۡنٍ ۙ﴿۳﴾
وَّ اٰخَرِیۡنَ مِنۡهُمۡ لَمَّا یَلۡحَقُوۡا بِهِمۡ ؕ (62:3,4)

অৰ্থাৎ সেইজনা হৈছে তেওঁ যি অশিক্ষিত জাতিটোৰ মাজত এজন তেওঁলোকৰ মাজৰ পৰা পয়গম্বৰ প্ৰেৰণ কৰিছে যিয়ে তেওঁলোকলৈ আল্লাহৰ আয়াত সমূহ আবৃত্তি কৰে আৰু তেওঁলোকক পৱিত্ৰ কৰে আৰু তেওঁলোকক গ্ৰন্থখন আৰু ইয়াৰ জ্ঞান শিকায়,যদিওবা পূৰ্বে তেওঁলোক স্পষ্ট ভাৱে ভ্ৰান্ত পথত আছিল; আৰু তেওঁক সেইজনাই সেইসকলৰ আন কিছুমানৰ লগত মিলাব যি বৰ্তমান তেওঁলোকৰ লগত যোগ দিয়া নাই।

চাহাবা (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ক এই আয়াতৰ ব্যাখ্যা সুধিলে যে সেইসকল কোনে হ'ব যাৰ মাজত আপোনাৰ দ্বিতীয় বাৰ আগমন ঘটিব। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে ছলমান ফাৰচি (ৰাঃ)ৰ কান্ধৰ ওপৰত নিজৰ হাত ৰাখি কলে,

لَوْ كَانَ الْاِيْمَانُ عِنْدَ الثُّرَيَّا لَنَالَهٗ رَجُلٌ مِنْ هٰؤُلَاءِ

যদি ঈমান (পৃথিৱীৰ বুকুৰ পৰা শেষ হৈ) ছুৰাইয়া (ওখ তৰালৈ) গুচি যায় সেই ঈমান (পুনৰায়) ঘূৰাই অনাৰ বাবে এজন বা এজনতকৈ অধিক ব্যক্তি (দ্বিতীয় বাৰ) আগমন ঘটিব।

( বুখাৰী কিতাবুত তফছিৰ বাব ছুৰাতুত জুমুৱা)

আৰু বেলেগ ঠাইত আকৌ কৈছে যে,

سَلْمَانُ مِنَّا اَهْلَ الْبَيْتِ

(তিবৰাণী কবিৰ ও মুছতদৰক হাকিম বাহাৱালা জামাল ছাগিৰ)

অৰ্থাৎ ছলমান ফাৰছি আমাৰ মাজৰ পৰা অৰ্থাৎ আমাৰ আহলে বয়াতৰ পৰা হ'ব।

এই হাদীছত এইফালে ইঙ্গিত কৰিছে যে আহিবলগীয়া মছীহ ও মাহদী আহলে ফাৰিছৰ পৰা হ'ব; আৰু এই বাবে দ্বিতীয় ভৰিষ্যতবাণীও পৰিপূৰ্ণ হয় যি মাহদীৰ বিষয়ে কৰা হৈছিল যে তেখেতৰ আহলে বয়াতৰ পৰা আগমন ঘটিব।

আঁহজৰত (ছাঃ) য়ে মাহদীৰ সম্পৰ্কে আন এঠাইত ভৰিষ্যতবাণী কৰিছে যে যিটো হজৰত আবু হুৰায়ৰা (ৰাঃ)ৰ পৰা বৰ্ণিত যে,

كَيْفَ اَنْتُمْ اِذَا نَزَلَ ابْنُ مَرْيَمَ فِيْكُمْ وَاِمَامُكُمْ مِنْكُمْ ـ

(ছহী বুখাৰী কিতাবুল আহাদিছুল আমবিয়া বাব নুজুলে ঈছা ইবনে মৰিয়ম)

তুমি কিমান ভাগ্যবান হ'বা যিদিনা ঈছা ইবনে মৰিয়ম নাজিল হ'ব আৰু তেখেত তোমালোকৰ মাজৰ পৰাই তোমালোকৰ ইমাম হ'ব।

আৰু এখন হাদীছত এই সত্যক ব্যাখ্যা কৰিছে যে এইজনেই হ'ব আগমনকাৰী মছীহ ইমাম মাহদী অৰ্থাৎ মছীহ ও মাহদী এজনৰে দুই নাম থাকিব। অৰ্থাৎ কৈছে,

وَلَا الْمَهْدِيُّ اِلَّا عِيْسَى ابْنَ مَرْيَمَ

(ইবনে মাজা বাব শ্বিদ্দাতুজ জমান পৃঃ ২৫৭ মিচৰী, কনজুলুল উমাল জিলদ ৭ পৃঃ ১৫৬)

অৰ্থাৎ মাহদীয়ে হ'ব ঈছা ইবনে মৰিয়ম। আঁ-হজৰত (ছাঃ) য়ে আগমনকাৰী অৰ্থাৎ এই ইমামৰ আগমনৰ কথাও বৰ্ননা কৰি কৈছে যে,

اِذَا مَضَتْ اَلْفٌ وَّ مِأَتَانِ وَاَرْبَعُوْنَ سَنَةً يَبْعَثُ اللهُ الْمَهْدِيَّ

(আননজমুছ ছাকিব জিলদ ২ পৃঃ ২০৯)

অৰ্থাৎ যেতিয়া এহাজাৰ দুই শ চল্লিচ বছৰ অতিক্ৰম হৈ যাব তেতিয়া

আল্লাহ তায়লাই মাহদীক প্রেৰণ কৰিব। এই মছীহ ও মাহদীৰ মৰ্যাদা বৰ্ণনা কৰিবলৈ গৈ কয় যে,

لَيْسَ بَيْنِيْ وَبَيْنَهٗ نَبِيٌّ يَعْنِيْ عِيْسٰى وَاِنَّهٗ نَازِلٌ فَاِذَا رَأَيْتُمُوْهُ فَاعْرِفُوْهُ

(আবু দাউদ কিতাবুল মুলাহিম বাব খুৰুজুদ দাজ্জাল)

মোৰ আৰু তেখেতৰ মাজত কোনো নবী নাই, অৰ্থাৎ ঈছা; আৰু যেতিয়া তেওঁ নাজিল হ'ব অৰ্থাৎ তুমি দেখিবলৈ পাবা তেওঁক নিশ্চয় চিনি ল'বা।

ছহী মুছলিমৰ এটা হাদীছত আঁ-হজৰত (ছাঃ)য়ে আগমনকাৰী মছীহক এটা বাক্যত বাৰে বাৰে নবী বুলি আখ্যায়িত কৰিছে। অৰ্থাৎ কৈছে যে,

وَ يُحْصَرُ نَبِيُّ اللّٰهِ عِيْسٰى وَاَصْحَابُهٗ...فَيَرْغَبُ نَبِيُّ اللّٰهِ عِيْسٰى وَاَصْحَابُهٗ...ثُمَّ يَهْبِطُ نَبِيُّ اللّٰهِ عِيْسٰى وَ اَصْحَابُهٗ...فَيَرْغَبُ نَبِيُّ اللّٰهِ عِيْسٰى و اَصْحَابُهٗ اِلَى اللّٰهِ

(মুছলিম বাব জিকৰুদ দাজ্জাল)

অৰ্থাৎ যেতিয়া মছীহ মাওউদ ইয়াজুজ মাজুজৰ যুগত আহিব,তেতিয়া মছীহ আল্লাহৰ নবী আৰু তেখেতৰ চাহাবাসকল শত্রুৰ আৱদ্ধত আহি যাব…আকৌ মছীহ আল্লাহৰ নবী আৰু তেখেতৰ চাহাবাসকল আল্লাহৰ দৰবাৰত দোৱাৰ সৈতে উপস্থিত হ'ব; আৰু এই দোৱাৰ কল্যাণত মছীহ আল্লাহৰ নবী আৰু তেখেতৰ চাহাবাসকল অসুবিধাৰ পৰা মুক্তি পাই শত্রুসকলৰ কেম্পত সোমাই যাব। কিন্তু তাতে নতুন ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব লাগিব। আকৌ মছীহ আল্লাহৰ নবী আৰু তেখেতৰ চাহাবাসকলে সকলে আল্লাহৰ দৰবাৰত দোৱাৰ সৈতে নত হ'ব আৰু খোদা তায়লা সিহঁতৰ অসুবিধা আঁতৰ কৰিব।

এই হাদীছত হজৰত মহম্মদ (ছাঃ)য়ে চাৰি বাৰ এটা বাক্যতে মছীহ

মাওউদৰ বিষয়ে নবী উল্লাহ্ শব্দ ব্যৱহাৰ কৰিছে; ওপৰত উল্লেখিত ভৱিষ্যতবাণীৰ পৰা প্ৰতীয়মান হয় যে শেষ যুগত তেৰ শতাব্দীৰ শেষত মছীহ মাওউদৰ আগমন ঘটিব, যিয়ে হজৰত মহম্মদ (ছাঃ)ৰ ছাঁ স্বৰূপ হ'ব; আৰু খোদা তায়লা তেখেতক নবী ৰূপে প্ৰেৰণ কৰিব। এই ভৱিষ্যতবাণী অনুযায়ী হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ) ঠিক তেৰ শতাব্দীৰ শেষত মছীহ ও মাহদী হোৱাৰ দাবী কৰে। আল্লাহ তায়লা তেখেতক ইলহামৰ দ্বাৰা সম্বোধন কৰিছে যে,

جَعَلْنَاكَ الْمَسِيْحَ ابْنَ مَرْيَمَ

আমি তোমাক মছীহ ইবনে মৰিয়ম বনাই দিছোঁ।

( ইজালা আওহাম পৃঃ ৬৩২)

আল্লাহ তায়লা হজৰত মহম্মদ (ছাঃ)ৰ পৰিপূৰ্ণ অনুসৰণৰ ফলত ভৱিষ্যতবাণী মতে তেখেত (আঃ)ক উম্মতী নবীৰ মৰ্যাদা প্ৰদান কৰিছে। তেখেত (আঃ)য়ে কয় যে নবী, আমাৰ নবী কৰিম (ছাঃ) পৰ্যন্ত শেষ হৈ গৈছে আৰু কোৰাণ মজিদৰ বাহিৰে আন কোনো কিতাপ নাই যি অতীতৰ কিতাপতকৈ শ্ৰেষ্ঠ আৰু চৰিয়ত মহম্মদীয়াৰ বাহিৰে আমাৰ কোনো চৰিয়ত নাই। হয়, যদিওবা আঁ-হজৰত (ছাঃ)ৰ মুখৰে পৰা মোক নবী বুলি আখ্যায়িত কৰিছে, আৰু এয়া আপোনাৰ পৰিপূৰ্ণ অনুসৰণৰ ফলত এক প্ৰতিচ্ছবি স্বৰূপ নবী হওঁ। মই নিজৰ হৃদয়ত কোনো গুণ অৰ্জন কৰিব পৰা নাই আৰু যি অৰ্জন কৰিছোঁ সেয়া সেই পৱিত্ৰ মহম্মদ (ছাঃ)ৰ পৰা পাইছোঁ; আৰু আল্লাহ তায়লাৰ ওচৰত মই নবী হোৱাৰ অৰ্থ হ'ল কেৱল বেছি বেছি মুকালমা (আল্লাহৰ কালাম কোৱা) আৰু মুখাতিব (সম্বোধিত) হোৱা, আৰু যিয়ে ইয়াতকৈ বেছি দাবী কৰে বা নিজৰ হৃদয়ক বেছি গুৰুত্ব দিয়ে বা নিজৰ ডিঙি আঁ-হজৰত (ছাঃ)ৰ পৰা পৃথক কৰে তাৰ ওপৰত খোদা তায়লাৰ লাঞ্ছিত হয়। আমাৰ ৰছুলে কৰিম (ছাঃ)য়ে খাতামান নাবিঈন হয়; আৰু তেখেত (ছাঃ)লৈকে ৰছুলৰ পৰম্পৰা অন্ত পৰিছে। কাৰোবাৰ বাবে এয়া স্বীকৃতিমূলক নহ'ব যে

আঁ-হজৰত (ছাঃ)ৰ পিছত নবুয়তৰ দাবী কৰে। এতিয়া মাথোন কছ্ৰতে মুকালমা (আল্লাহৰ ফালৰ পৰা বেছি বেছি ইলহাম হোৱা) আৰু এইটোও নবী কৰিম (ছাঃ)ৰ অনুসৰণৰ সৈতে চৰ্তযুক্ত তাৰ বাহিৰে নহয়। আল্লাহৰ শপত ! মোক এই স্থান মহম্মদ (ছাঃ)ৰ জ্যোতিৰ আলোকৰ অনুসৰণৰ ফলতহে প্ৰাপ্ত হৈছে আল্লাহ তায়লা মোৰ নাম মিজাজী (শাৰীৰিক হিচাপে আনৰ সদৃশ) হিচাপে নবী ৰাখিছে প্ৰকৃততে নহয়। মই আল্লাহ তায়লাৰ কৃপা আৰু মহম্মদ (ছাঃ)ৰ অনুসৰণৰ ফলত নবীৰ স্থান প্ৰাপ্ত কৰিছোঁ কাৰণ মোৰ নিৰীক্ষণ নবী কৰিম (ছাঃ)ৰ ডেউকাৰ অধীনত হৈছে; আৰু মোৰ খোজ নবী কৰিম (ছাঃ)ৰ খোজৰ অনুসৰণত হৈছে। মই কোনো কথা মোৰ নিজৰ ফালৰ পৰা কোৱা নাই, অৰ্থাৎ আল্লাহ তায়লাই মোৰ ফালে যি ওহী প্ৰদান কৰিছে মই তাৰেই অনুসৰণ কৰিছোঁ।

(তৰজমা আৰবী মতনুল ইছতিফতা,ৰুহানী খাজাইন জিলদ ২২, পৃঃ ৬৮৮,৬৮৯)

তেখেতে ১৮৮৯ খ্ৰীঃব্দত এটা পৱিত্ৰ জামাত প্ৰতিষ্ঠা কৰে আৰু এই জামাতৰ নাম আহমদীয়া মুছলিম জামাত নামেৰে নামাকৰণ কৰে। তেখেত (আঃ)য়ে নিজৰ গোটেই জীৱন ইছলাম বিশ্বৰ চাৰিওফালে বিস্তাৰ কৰি বিজয়ৰ কামত ব্যস্ত আছিল। তেখেত (আঃ)ৰ লিখিত ৮০ খনৰো অধিক পুস্তকে এই কথাৰ সাক্ষী প্ৰদান কৰে। সেই কাৰণে তেখেত (আঃ)ৰ নিজৰ আৰু অইনৰ সাক্ষীও প্ৰস্তুত আছে যে কেনেকৈ তেখেত (আঃ)য়ে ইছ্লামৰ বিজয়ৰ বাবে নিজৰ জীৱন অতিবাহিত কৰিছে।

আল্লাহ তায়লাৰ ইচ্ছা মৰ্মে তেখেত (আঃ)য়ে নিজৰ পালনীয় কৰ্তব্য ধুনীয়া পদ্ধতিত নিজৰ শেষ নিঃশ্বাসলৈকে ঐশ্বৰিক মিছনৰ বাবে নিজৰ জীৱনৰ প্ৰত্যেক মুহূৰ্ততে বিসৰ্জন দিছে, আৰু তাৰ কাৰণেই এখন পৱিত্ৰ জামাত প্ৰতিষ্ঠিত কৰে।

তেখেত (আঃ) ৰ মৃত্যুৰ পিছত শত্ৰুদলে এয়া ভাবিব ধৰিলে যে,এতিয়া

তেখেতৰ উদ্দেশ্য আৰু জামাতৰ সমাপ্ত ঘটিব। কিন্তু আল্লাহ তায়লাৰ প্ৰতিশ্ৰুতি অনুযায়ী খিলাফতৰ ব্যৱস্থা অব্যাহত থাকিলে। যেনেকুৰা আল্লাহ তায়লাই কৈছে,

وَعَدَ اللّٰهُ الَّذِيْنَ آمَنُوْا مِنْكُمْ وَعَمِلُوا الصَّالِحَاتِ لَيَسْتَخْلِفَنَّهُمْ فِي الْأَرْضِ كَمَا اسْتَخْلَفَ الَّذِيْنَ مِنْ قَبْلِهِمْ وَلَيُمَكِّنَنَّ لَهُمْ دِيْنَهُمُ الَّذِي ارْتَضٰى لَهُمْ وَلَيُبَدِّلَنَّهُمْ مِّنْ بَعْدِ خَوْفِهِمْ أَمْنًا يَعْبُدُوْنَنِيْ لَا يُشْرِكُوْنَ بِيْ شَيْئًا وَمَنْ كَفَرَ بَعْدَ ذٰلِكَ فَأُولٰٓئِكَ هُمُ الْفَاسِقُوْنَ٥

(24:56)

তোমালোকৰ মাজৰ যিসকলে (আল্লাহত) বিশ্বাস স্থাপন কৰিছে আৰু সজ কাম কৰে তেওঁলোকক আল্লাই প্ৰদান কৰিছে এই প্ৰতিশ্ৰুতি,নিশ্চয় তেওঁ তেওঁলোকক পৃথিৱীত আধিপত্য দান কৰিব যেনেকৈ তেওঁলোকৰ পূৰ্বৱৰ্তীবিলাকক তেওঁ আধিপত্য দান কৰিছিল; আৰু তেওঁলোকৰ কাৰণে তেওঁ যি ধৰ্ম বাছি দিছে তাকে তেওঁ নিশ্চয় তেওঁলোকৰ কাৰণে সুপ্ৰতিষ্ঠিত কৰিব; আৰু তেওঁলোকৰ ভীতিৰ পিছত তেওঁ তাৰ সলনি নিশ্চয় তেওঁলোকক অভয় আৰু শান্তি প্ৰদান কৰিব।তেওঁলোকে একমাত্ৰ মোৰেই উপাসনা কৰিব,মোৰ সৈতে কোনো বস্তুকে অংশী নাপাতিব। কিন্তু এনে সুখ শান্তি লাভ কৰাৰ পাছতো যিসকলে সত্য প্ৰত্যাখ্যান কৰিব সেইসকল (অবাধ্য) বিদ্ৰোহী।

হজৰত আব্দুৰ ৰহমান বিন ছুহেল (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে, প্ৰত্যেক নবুয়তৰ পিছত খলিফা হয়।

( কনজুলুল উমাল,কিতাবুল ফিতন মিন কছমুল আফআল, ফচল ফি মুতাফাৰৰিকাতুল ফিতন জিলদ ১১ পৃঃ১১৫ হাদীছ নম্বৰ ৩১৪৪৪)

হজৰত হুজায়ফা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আঁ-হজৰত (ছাঃ)য়ে

কৈছে, তোমাৰ মাজত নবুয়ত প্ৰতিৰ্ষ্ঠিত থাকিব, আকৌ খিলাফত আলা মিনহাজুন নবুয়ত ( নবুয়তৰ পিছত খলিফা )প্ৰতিৰ্ষ্ঠিত থাকিব, তাৰ পিছত কষ্ট দিয়া বাদশ্বাহ প্ৰতিৰ্ষ্ঠিত হ'ব। তাৰ পিছত তেখেত (ছাঃ) নীৰৱ হৈ গ'ল।

(মছনদ আহমদ হাদীছ ১৭৬৮০)

আঁ-হজৰত (ছাঃ)ৰ এই ভৱিষ্যতবাণী অনুযায়ী হজৰত মিৰ্জা গোলাম আহমদ চাহাব কাদিয়ানী মছীহ ও মাহদী মাওউদ (আঃ)ৰ মৃত্যুৰ পিছত কল্যাণময় খলিফা আৰু মহান ব্যৱস্থাপনা স্থাপিত হয় যাক হজৰত মছীহ মাওউদ (আঃ)য়ে দ্বিতীয় কুদৰত নামে স্মৰণ কৰিছে। অৰ্থাৎ হজৰত মছীহ মাওউদ (আঃ)য়ে খলিফাৰ শুভ-সংবাদ দি কৈছে যে এইটো খোদা তায়লাৰ ছুন্নত যে যেতিয়াৰ পৰা তেওঁ মানুহক পৃথিৱীত সৃজন কৰিছে তেতিয়াৰ পৰাই এই ছুন্নত প্ৰকাশ কৰিছে যে তেওঁ নিজৰ নবী আৰু ৰছুলক সহায় কৰে আৰু সিহঁতক বিজয় প্ৰদান কৰে। যেনেকুৱা আল্লাহ তায়লাই কৈছে,

(58:22) كَتَبَ اللّٰهُ لَاَغْلِبَنَّ اَنَا وَرُسُلِيْ ؕ

আল্লাই লিখি ৰাখিছে মই আৰু মোৰ পয়গম্বৰ নিশ্চয় বিজয়ী হ'ম।

বিজয়ৰ অৰ্থ হ'ল যেনেকুৱা ৰছুল আৰু নবীসকলৰ ইচ্ছা হয় যে খোদা তায়লাৰ ইচ্ছা যেন পৃথিৱীত পৰিপূৰ্ণ হৈ যায়; কিন্তু ইয়াৰ পৰিপূৰ্ণ তেখেতৰ হাতৰ দ্বাৰা নহয় অৰ্থাৎ এনে সময়ত তেখেতৰ মৃত্যু ঘটায় যি দেখাত বাহ্যিক ৰূপত অসফলতাৰ ভীতি নিজৰ ভিতৰত ৰাখে,আৰু বিৰোধী সকলক হাঁহি উপহাস কৰিবলৈ সুবিধা প্ৰদান কৰা হয়; আৰু যেতিয়া সিহঁতৰ হাঁহি উপহাস কৰা শেষ হৈ যায়,তেতিয়া তেওঁ নিজৰ ক্ষমতা দেখুৱায় আৰু এনেকুৱা সা-সুবিধা প্ৰদান কৰে যাৰ জৰিয়তে সেই উদ্দেশ্য যি কিছু পৰিমাণে অসফল হৈ ৰৈ গৈছিল সেয়া নিজৰ শেষ প্ৰান্তলৈ পৌচাব ধৰে। অৰ্থাৎ দুই ধৰণৰ ক্ষমতা প্ৰদান কৰে। প্ৰথম নবী সকলৰ হাতৰ দ্বাৰা নিজৰ

ক্ষমতা দেখুৱায়; দ্বিতীয়,এনেকুৱা সময়ত যেতিয়া নবী সকলৰ মৃত্যুৰ পিছত অসুবিধাৰ সন্মুখীন হ'ব লগা হয় আৰু শত্রু দলে বেছি পৰিমাণে আনন্দ উপভোগ কৰিব ধৰে আৰু অনুভৱ কৰে যে এতিয়া সিহঁতৰ কাম বিফল হৈ গৈছে আৰু বিশ্বাস কৰি লয় যে এতিয়া জামাত সমাপ্ত হৈ যাব, তেতিয়া জামাতৰ সদস্য বৃন্দ সকলেও দুৰ্বল হৈ দুঃখিত হ'ব ধৰে আৰু কিছুমান দুৰ্বল শ্রেণী জামাতৰ সদস্যসকল জামাতৰ পৰা পৃথক হৈ পৰে। তেতিয়া খোদা তায়লা দ্বিতীয় বাৰ নিজৰ ক্ষমতা প্রকাশ কৰে, আৰু দুৰ্বল হৈ যোৱা জামাতক চম্ভালি লয়। অৰ্থাৎ যিজনে শেষ নিশ্বাসলৈকে ধৈৰ্য ধৰে তেতিয়া আল্লাহ তায়লাই তেওঁৰ ওপৰত নিদৰ্শন প্রকাশ কৰে। যেনেকুৱা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ সময়ত যেতিয়া আঁ-হজৰত (ছাঃ)ৰ মৃত্যু ঘটে তেতিয়া বহু সংখ্যক সদস্য ইছলামৰ পৰা পৃথক হৈ পৰিছিল; আৰু চাহাবা সকলে দুঃখ বেদনাত পাগলৰ নিচিনা হৈ গৈছিল। তেতিয়া খোদা তায়লা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক থিয় কৰায়; দ্বিতীয় বাৰ নিজৰ ক্ষমতাৰ দক্ষতা দেখুৱায় আৰু ইছলাম দুৰ্বল হৈ যোৱাৰ পৰা ৰক্ষা কৰে, আৰু এই প্রতিশ্রুতি পূৰ্ণ কৰে,

وَلَيُمَكِّنَنَّ لَهُمْ دِينَهُمُ الَّذِى
ارْتَضٰى لَهُمْ وَلَيُبَدِّلَنَّهُمْ مِّنْۢ
بَعْدِ خَوْفِهِمْ اَمْنًا ؕ

(24:56)

আৰু তেওঁলোকৰ কাৰণে তেওঁ যি ধৰ্ম বাছি দিছে তাকে তেওঁ নিশ্চয় তেওঁলোকৰ কাৰণে সুপ্রতিষ্ঠিত কৰিব; আৰু তেওঁলোকৰ ভীতিৰ পিছত তেওঁ তাৰ সলনি নিশ্চয় তেওঁলোকক অভয় আৰু শান্তি প্ৰদান কৰিব।

হে বন্ধুসকল ! পূৰ্বৰে পৰা এয়া ছুন্নত চলি আহিছে যে খোদা তায়লা দুটা কুদৰত (ক্ষমতা) দেখুৱায় যাতে বিৰোধী সকলৰ আনন্দ উল্লাসৰ অন্ত

ঘটে; আৰু এইটো অসম্ভৱ যে খোদা তায়লা নিজৰ পুৰণি ছুন্নত এৰি দিয়ে। গতিকে এতিয়া তুমি মোৰ সেই এষাৰ কথা যি তোমাৰ মাজত বৰ্ণনা কৰিছোঁ দুঃখিত নহ'বা, আৰু তোমালোকৰ হৃদয় যেন ব্যাকুল হৈ নাযায় কাৰণ তোমালোকৰ বাবে দ্বিতীয় কুদৰত (ক্ষমতা) দেখা অতি আৱশ্যকীয় আৰু এইটো অহা তোমাৰ কাৰণে অতি উত্তম হ'ব কাৰণ সেইটো চিৰস্থায়ী.. মই খোদা তায়লাৰ ফালৰ পৰা এক কুদৰত (ক্ষমতা) হিচাপে প্ৰকাশ হৈছোঁ আৰু খোদা তায়লাৰ এক সশৰীৰ কুদৰত (ক্ষমতাশালী) হওঁ আৰু মোৰ পিছত কিছুমান আৰু অস্তিত্বৰ আগমন ঘটিব যি দ্বিতীয় কুদৰতৰ (ক্ষমতাবানৰ) প্ৰকাশ হ'ব। গতিকে তুমি খোদা তায়লাৰ দ্বিতীয় কুদতৰ (ক্ষমতাৰ) অপেক্ষাত একজোট হৈ দোৱাত মগ্ন হৈ যোৱা, আৰু প্ৰত্যেক পুণ্যবানৰ জামাত প্ৰত্যেক ৰাষ্ট্ৰত একগোট হৈ দোৱাত মগ্ন হৈ যাওঁক যাতে দ্বিতীয় কুদৰত (ক্ষমতা) আকাশৰ পৰা অৱতীৰ্ণ হয় আৰু তোমাক দেখুৱায় যে তোমাৰ খোদা কেনে শক্তিশালী খোদা।

(আল-অচিয়ত ৰুহানি খাজাইন জিলদ নম্বৰ ২০, পৃঃ ৩০৪-৩০৬)

এই উদ্ধৃতিত হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে ,

"হজৰত মছীহ মাওউদ (আঃ)ৰ লিখনীৰ পৰা প্ৰতীয়মান হয় যে তেখেত (আঃ)ৰ মৃত্যুৰ পিছত এই ধৰণৰ খিলাফত প্ৰতিষ্ঠিত হ'ব যেনেকুৱা আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ পিছত প্ৰতিষ্ঠিত হৈছিল; আৰু তেখেত (আঃ)ৰ খলিফা অনুসৰণকাৰী হ'ব আৰু ছিলছিলাৰ প্ৰকৃত প্ৰতিনিধি তেখেতেই হ'ব" (খিলাফত আলা মিনহাজুন নবুৱা জিলদ ৩ পৃঃ ৬০১)

এই হিচাপে মে ১৯০৮ খ্ৰী:ব্দত হজৰত মছীহ মাওউদ (আঃ)ৰ মৃত্যুৰ পিছত হজৰত হাফিজ হাকিম নুৰ উদ্দিন চাহাব (ৰাঃ) প্ৰথম খলিফা অধিষ্ঠিত হয়। ১৯১৪ খ্ৰী:ব্দত হজৰত খলিফাতুল মছীহ প্ৰথমৰ মৃত্যুৰ পিছত হজৰত মিৰ্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ (ৰাঃ) খলিফাতুল মছীহ ছানি খলিফাৰ আসনত অধিষ্ঠিত হয়;আৰু তেখেত (ৰাঃ)ৰ মৃত্যুৰ পিছত তৃতীয় খলিফা

হজৰত মিৰ্জা নাচিৰ আহমদ চাহাব (ৰহঃ) খলিফাৰ আসনত অধিষ্ঠিত হয়। তেখেত (ৰহঃ)ৰ মৃত্যুৰ পিছত ১৯৮২ খ্রী:ব্দত হজৰত মিৰ্জা তাহিৰ আহমদ (ৰহঃ) খলিফাতুল মছীহ ৰাবে (চতুৰ্থ)খলিফা হিচাপে অধিষ্ঠিত হয়। ২০০৩ চনত তেখেত (ৰহঃ)ৰ মৃত্যুৰ পিছত বৰ্তমান আমাৰ ইমাম হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব (আইঃ) খলিফাতুল মছীহ আল-খামিছ অধিষ্ঠিত হয়। যাৰ মাধ্যমে আজি জামাত আহমদীয়াৰ উন্নতি প্ৰদান হৈ আছে।

আল্লাহ তায়লা আমাৰ প্ৰিয় ইমাম হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব খলিফাতুল মছীহ আল খামিছ (আইঃ)ক সু-স্বাস্থ্যৰ সৈতে দীৰ্ঘ আয়ু দান কৰক; আৰু আপোনাৰ ছাঁ আমাৰ মূৰৰ ওপৰত দীৰ্ঘ কাললৈ ৰাখক , আৰু আপোনাৰ যুগতেই ইছলামৰ বিজয় যেন হ'ব পাৰে। আমিন-

ইনশা আল্লাহ এই ছিলছিলা (শৃংখলা) বৃদ্ধি পাব আৰু মহান দ্বিতীয় কুদৰতৰ প্ৰকাশ আল্লাহ তায়লাৰ ইচ্ছানুযায়ী সৰ্বদা প্ৰতিষ্ঠিত থাকিব। কাৰণ আমাৰ খোদাৰ ওচৰত দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম কুদৰত আছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই যাব ধৰিছোঁ কিন্তু খোদা তায়লা তোমালোকৰ বাবে দ্বিতীয় কুদৰত প্ৰেৰণ কৰিব। আমাৰ খোদাৰ ওচৰত দ্বিতীয় কুদৰতেই নহয় তাৰ ওচৰত তৃতীয় কুদৰতো আছে আৰু তাৰ ওচৰত চতুৰ্থ কুদৰতো আছে প্ৰথম কুদৰতৰ পিছত দ্বিতীয় কুদৰত প্ৰকাশ পাব আৰু দ্বিতীয় কুদৰতৰ পিছত তৃতীয় কুদৰত প্ৰকাশ পাব আৰু তৃতীয় কুদৰতৰ পিছত চতুৰ্থ কুদৰত প্ৰকাশ পাব আৰু চতুৰ্থ কুদৰতৰ পিছত পঞ্চম কুদৰত আহিব আৰু পঞ্চম কুদৰতৰ পিছত ছষ্টম কুদৰত প্ৰকাশ পাব; আৰু খোদা তায়লা মানুহক নিদৰ্শন দেখুৱাই থাকিব। আৰু পৃথিৱীৰ বৃহত্তম বৃহত্তম শক্তি আৰু বল প্ৰয়োগ কৰা বাদশ্বাহও এই স্কীম আৰু উদ্দেশ্যৰ বাটত থিয় হ'ব নোৱাৰিব; যি উদ্দেশ্য পৰিপূৰ্ণ কৰিবলৈ খোদা তায়লা হজৰত মছীহ মাওউদ (আঃ)ক প্ৰথম ইটা বনাইছে আৰু মোক দ্বিতীয় ইটা বনাইছে। ৰছুলে কৰিম (ছাঃ)য়ে এবাৰ কৈছে যে যেতিয়া দ্বীন

ভয়াবহ পৰিস্থিতি হ'ব তেতিয়া আল্লাহ্ তায়লা তাক ৰক্ষা কৰাৰ বাবে ফাৰ্চি বাসীৰ পৰা কিছুমান মানুহক থিয় কৰাব। হজৰত মছীহ্ মাওউদ (আঃ) তাৰ মাজৰে এজন আছিল। আৰু এজন মই হওঁ। কিন্তু **ৰিজাল** শব্দৰ দ্বাৰা সম্ভৱত  ফাৰ্চি বাসীৰ পৰা কিছুমান এনেকুৱা মানুহ হ'ব যিসকলে ইছলাম ধৰ্মৰ মৰ্যাদা প্ৰতিষ্ঠিত ৰাখিব আৰু তাৰ ভেটি শক্তিশালী কৰাৰ বাবে থিয় হ'ব।

( আল ফজল ২২, ১৯৫০ পৃঃ ৬,৭  আল ফজল ইণ্টাৰ নেশ্বনাল ২৩ মে ২০১৪ ৰ পৰা ২৯ মে ২০১৪ লৈ)

আহমদীয়াৰ ইতিহাস এই কথাৰ সাক্ষ্য প্ৰদান কৰে যে দ্বিতীয় কুদৰতৰ প্ৰকাশ হোৱাত জামাত আহমদীয়াৰ উন্নতি দ্ৰুত গতিত আগবাঢ়িব ধৰিছে। আজি জামাত আহমদীয়া বিশ্বৰ বুকুত সন্মানিত হৈ জাগি উঠিছে। মানৱতা, ইছলামৰ প্ৰচাৰ,শিক্ষা-দীক্ষা আৰু নিৰীক্ষণৰ ক্ষেত্ৰত আগবাঢ়িব ধৰিছে। ২৪ ঘণ্টা টি.ভি. চেনেল, ৰেডিঅ,প্ৰেছ আৰু সাংবাদিক, লিটাৰেচৰ ইত্যাদিৰ জৰিয়তে ইছলামৰ সঠিক শিক্ষা বিশ্বৰ চাৰিওফালে বিস্তাৰ লাভ কৰিব ধৰিছে। শিক্ষা আৰু স্বাস্থ্যৰ ময়দানত বা পানীৰ ব্যৱস্থা যোগান ধৰি দুখীয়া আৰু মাউৰাসকলক সহায় আগবঢ়ায় আছে। এনেকুৱা মৰম চেনেহ, ভ্ৰাতৃত্ব বন্ধন আৰু ৰাষ্ট্ৰীয় আইনৰ অনুসৰণৰ বাবে জনাজাত হৈছে। ইছলামৰ প্ৰকৃত ছবি বিশ্ববাসীৰ সন্মুখত দাঙি ধৰাৰ ফলত অমুছলিম সকলেও ইছলামৰ সৌন্দৰ্য্যময় শিক্ষাৰ ফালে অগ্ৰগতি লাভ কৰি আছে। কোৰাণ মজিদ আৰু লিটাৰেচাৰ ছপা কৰাত জামাত আহমদীয়া অতুলনামুলক। আজি বিশ্বৰ ২১২ ৰো অধিক ৰাষ্ট্ৰত জামাত আহমদীয়া শক্তিশালী ভেটিৰে প্ৰতিষ্ঠিত হৈছে।

খলিফাৰ কল্যাণে জামাতৰ মাজত পৰস্পৰৰ প্ৰতি প্ৰেম, শক্তিশালী ঈমান আৰু পুণ্য কৰ্ম প্ৰদান কৰি এক উজ্জ্বলময় কাঁচৰ গ্লাচৰ নিচিনা তৈয়াৰ কৰি দিছে; আৰু মছীহ্ মাওউদৰ বৰকতৰ অংশীদাৰ বনাই দিছে।

আহমদীয়া খলিফাৰ কল্যাণত আহমদীয়া জামাতৰ, অৰ্থাৎ সঠিক ইছলামৰ আহ্বান পৃথিৱীৰ চাৰিওফালে হৈ আছে। দলে দলে মানুহ ইছলাম ধৰ্ম গ্ৰহণ কৰি আছে। আল্লাহ তায়লাৰ সহায় সদায় আকাশৰ পৰা অৱতীৰ্ণ হোৱা দেখিবলৈ পোৱা গৈ আছে।

অৰ্থাৎ খলিফাৰ মাধ্যমে জামাত আহমদীয়া আল্লাহ তায়লাৰ কৃপাত অসংখ্য পৰিমাণে আল্লাহৰ সান্নিধ্য লভিবলৈ সক্ষম হৈছে। ঐশ্বৰিক জ্যোতিও লাভ কৰি আছে। অৰ্থাৎ অস্বীকাৰকাৰী সকলে লাঞ্ছিত হৈ পাৰ্থক্য সৃষ্টি কৰা কামত ব্যস্ত হৈ আছে।

খিলাফতে আহমদীয়াৰ অনুগ্ৰহক পৃথিৱীৰ অনুগ্ৰহৰ লগত তুলনা কৰা অজ্ঞানীৰ চিহ্ন হয়। অৰ্থাৎ এই আল্লাহৰ ৰছী আল্লাহ আৰু মোমিনসকলৰ মাজত পৰস্পৰ শক্তিশালী হয়। জামাত আহমদীয়াৰ ইতিহাস এই কথাৰ সাক্ষ্য প্ৰদান কৰে যে এই আধ্যাত্মিক ব্যৱস্থাপনাই চৰ্তসমূহ পূৰ্ণ কৰা মোমিন বিশ্বাসী সকলৰ সহকাৰী হৈ সিহঁতক উন্নতিৰ বাট অতিক্ৰম কৰি নিজৰ জীৱনৰ উদ্দেশ্য সাফল্য হোৱাৰ বাট দেখুৱায়; আৰু মোমিন সকলক সিহঁতৰ ভীতিৰ পিছত আল্লাহ তায়লাই তাৰ সলনি নিশ্চয় তেওঁলোকক অভয় আৰু শান্তি প্ৰদান কৰা দেখিবলৈ পোৱা গৈ আছে। তৌহিদৰ (একত্ববাদৰ) পতাকা উত্তোলন কৰা আৰু আল্লাহৰ লগত অংশী পতাৰ পৰা বিৰত থকা দেখিবলৈ পোৱা গৈ আছে।

এই অনুগ্ৰহৰ আমি আল্লাহ তায়লাৰ যিমানেই ধন্যবাদ জ্ঞাপন কৰো অথচ কম। এই বিষয়ে আমাৰ প্ৰথম দায়িত্ব আমি আল্লাহ তায়লাৰ এই অনুগ্ৰহৰ গুৰুত্বৰ সঠিক মৰ্ম যেন বুজিব পাৰো, আৰু দৃঢ় সংকল্প হৃদয়েৰে যেন ইয়াক সন্মান কৰিব পাৰো আৰু খলিফাৰ আনুগত্য বাধ্যতামুলক কৰিব পাৰো।

খিলাফতে আহমদীয়াৰ কল্যাণ অব্যাহত আছে কিন্তু এই আধ্যাত্মিক ব্যৱস্থাপনাৰ পৰা লাভবান হোৱা আমাৰ অতিশয় আৱশ্যকীয়। তেখেতৰ

মৰ্যাদা আৰু স্থানক চিনি লওঁক। খিলাফতে আহমদীয়াৰ লগত মৰম স্নেহৰ সম্পৰ্ক এনেকুৱা ভাৱে গঢ়ি তোলক যাৰ তুলনা নিজৰ আত্মীয়-স্বজনৰ লগতো যেন নিমিলে। এই বিষয়ে চৰ্তসমূহ পালন কৰাত বাধ্য হ'ব লাগিব, তেতিয়া কেৱল আমিয়েই তাৰ পৰা লাভবান হ'ব নোৱাৰিম বৰং আমাৰ বংশধৰ সকলেও তাৰ পৰা লাভালাভ হ'ব পাৰিব।

## খলিফাৰ মহান মৰ্যাদা আৰু স্থান

খিলাফতে আহমদীয়া অতিশয় গুৰুত্বপূৰ্ণ। ইয়াৰ গুৰুত্বৰ ধাৰণা এই গুণৰ দ্বাৰা জানিব পাৰো যে নবী সকলৰ মৃত্যুৰ পিছত তাৰ মিছন পৰিপূৰ্ণ কৰাৰ বাবে আল্লাহ তায়লাৰ প্ৰতিশ্ৰুতি অনুযায়ী তাৰ ফালৰ পৰা খলিফা প্ৰতিষ্ঠিত হয়। যাৰ লগত আল্লাহ তায়লাৰ সৰ্বদা সহায় কৰাৰ প্ৰতিশ্ৰুতি থাকে। প্ৰত্যেক খোজত আল্লাহ তায়লাৰ সহায় হৈ থাকে আৰু বিশ্ববাসী আচৰিত হৈ পৰে যে তাৰ লগত কেনেকুৱা শক্তি নিবদ্ধ হৈ আছে যাৰ ফলত তাৰ সকলোবিলাক কাম সফল হ'ব ধৰে। অৰ্থাৎ খলিফাৰ লগত সম্পৰ্কযুক্ত হোৱা ব্যক্তি নবীৰ জ্যোতিৰ পৰা লাভবান হয় আৰু তেখেতে নবীৰ গুণ নিজৰ মাজতে অৰ্জন কৰে আৰু নবীৰ বৰকতৰ অংশীদাৰ হয়। আল্লাহ তায়লা খলিফা নিজেই প্ৰতিৰ্ষ্ঠিত কৰে। পুণ্যবান আৰু পৱিত্ৰ জামাতৰ সদস্য সকলে নিৰ্বাচন কৰে। এয়া আল্লাই গঠিত এক কৌশল যে এক খলিফাক কেতিয়াও দুৰ্বল বাবে প্ৰতিষ্ঠিত নকৰে,নবীৰ জ্যোতিৰ পৰা পোহৰ প্ৰদান কৰে। আল্লাহ তায়লা এনেকুৱা ব্যক্তিৰ বাবে নিজেই শিক্ষক হয়। নিজেই চিহ্নিত কৰায়; আৰু বিশ্বাসীসকলৰ হৃদয়ত তেখেতৰ প্ৰতি মৰম চেনেহ সৃষ্টি কৰোৱায়। তেখেতৰ হৃদয়ো সিহঁতৰ প্ৰতি কোমল কৰি দিয়ে, যাৰ ফলত সিহঁতৰ কষ্টৰ সময়ত তেখেতে দুঃখিত হয় আৰু সিহঁতৰ কাৰণে দোৱাত মগ্ন হৈ যায়। সিহঁতক দোৱা গৃহীত হোৱাৰ নিদৰ্শন দেখুৱায়।

আৰু সিহঁতক তেখেতৰ প্ৰতি এক ভয়ৰ সঞ্চাৰ সৃষ্টি কৰি দিয়া হয়। বিশ্ববাসীৰ মানুহ তেখেতৰ অনুসাৰী হৈ যায় যিটো আনুগত্য বিশ্বাসীসকলৰ ওপৰত ফৰজ হয়। আৰু যিসকলে খলিফাক অস্বীকাৰ কৰে সিহঁতৰ মৃত্যু অজ্ঞতাৰ মৃত্যু হয়। তেখেতৰ লগত সম্পৰ্ক গঢ়া মানে আল্লাহ তায়লাৰ লগত সম্পৰ্ক গঢ়া। খলিফা নিজৰ যুগত পৃথিৱীত আল্লাহ তায়লাৰ প্ৰতিনিধি আৰু প্ৰিয় ভৃত্য হয়।

হজৰত মছীহ মাওউদ (আঃ) য়ে খলিফাৰ সততা বৰ্ণনা কৰি কয় যে,

"খলিফা প্ৰকৃততে ৰছুলৰ ছাঁ হয়,অৰ্থাৎ কোনো মানুহৰ বাবে চিৰস্থায়ী জীৱন নাই অৰ্থাৎ খোদা তায়লাই ইচ্ছা কৰিছে যে ৰছুলৰ অস্তিত্ব যি গোটেই পৃথিৱীৰ অস্তিত্বতকৈ উজ্জ্বল আৰু প্ৰথম ছাঁ হিচাপে সৰ্বদা কিয়ামত লৈ প্ৰতিষ্ঠিত থাকে। গতিকে এই উদ্দেশ্য লৈ খোদা তায়লা খলিফা বাছি লয় যাতে বিশ্ববাসী কোনো যুগতে এই কল্যাণৰ পৰা বঞ্চিত নাথাকে"।

( শ্বাহাদাতুল কোৰাণ পৃঃ ৫৭ ৰুহানি খাজাইন জিলদ ৬ পৃঃ ৩৫৩)

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে,

"মনত ৰখা খলিফা খোদা প্ৰতিষ্ঠিত কৰে। আৰু মিছলীয়া সেই ব্যক্তি যিয়ে কয় খলিফা মানুহৰ দ্বাৰা নিৰ্দ্ধাৰিত---- অৰ্থাৎ কোৰাণ মজিদ দৃঢ় মনেৰে অধ্যয়ন কৰিলে জানিব পৰা যায় যে কোনো ঠাইতে খলিফা মানুহৰ দ্বাৰা নিৰ্দ্ধাৰিত হোৱা বুলি পোৱা নাযায়। অৰ্থাৎ প্ৰত্যেক ধৰণৰ খলিফা সম্পৰ্কে আল্লাহ তায়লা কয় যে খলিফা আমিয়ে বনাওঁ। ( কোন হায় জো খুদা কে কাম কো ৰোক ছকে- আনোৱাৰুল উলুম জিলদ ২ পৃঃ ১১)

"নবীৰ পিছত সকলোতকৈ ডাঙৰ পদ এইটো, কোনোবাই মোক কৈছে আমি চেষ্টা কৰো যে চৰকাৰ আপোনাক কোনো খিতাব (বটা) যেন প্ৰদান কৰে, মই উত্তৰত কলো যে খিতাব পোৱা এটা সাধাৰণ কথা। মই পৃথিৱীৰ বাদশ্বাহকো খলিফাৰ তুলনাত সৰু ভাৱো। অৰ্থাৎ মই আপোনালোকক উপদেশ দিব ধৰিছোঁ নিজৰ সমস্যাৱলীত এনেকুৱা পদ্ধতি অৱলম্বন কৰা

য'ত আল্লাহৰ প্ৰতি ভয় থাকে আৰু আদৰ্শবান হ'ব পাৰা; আৰু মই কেতিয়াও এইটো পছন্দ নকৰো যে সেইসকল বন্ধু যিসকলৰ বিৰোধমুলক প্ৰশ্ন জাগি উঠে আৰু সিহঁত বিনষ্ট হৈ যায় কাৰণ খলিফাৰ পদ হিচাপে বয়জেষ্ঠ লোকসকলেও মোৰ কাৰণে শিশুৰ সদৃশ ভাবে আৰু কোনো দেউতাই এইটো নুখুজে যে তেওঁৰ সন্তান বিনষ্ট হৈ যায়। ( আনোৱাৰুল উলুম জিলদ ৯ পৃঃ ৪২৫,৪২৬)

যদিওবা মানুহেই খলিফা নিৰ্বাচন কৰে। কিন্তু সেই নিৰ্বাচন খোদা তায়লাৰে নিৰ্বাচন হয়। আৰু এই পদ্ধতিৰ নিৰ্বাচনৰ জৰিয়তে নবী আৰু খলিফাৰ মাজত পাৰ্থক্য হৈ যায়। যদি খোদা তায়লা নিজৰ ফালৰ পৰা কোনোবাক খলিফা নিৰ্বাচিত কৰে আৰু কয় যে মই তোমাক খলিফা বনাব ধৰিছোঁ তেতিয়া সেই খলিফা আৰু নবীৰ মাজত কোনো পাৰ্থক্য নাথাকে। অৰ্থাৎ নবীৰ নিৰ্বাচন খোদা তায়লা নিজৰ জিম্মাত ৰাখিছে আৰু খলিফাৰ নিৰ্বাচন নিজৰ ভৃত্যসকলৰ জিম্মাত ৰাখিছে। কিন্তু ভৃত্যসকলক নিজৰ ইচ্ছানুযায়ী নিৰ্বাচন কৰে আৰু তাৰ সহায় সহযোগীতাৰ প্ৰতিশ্ৰুতি দিয়ে। (খিলাফত আলা মিনহাজুন নবুৱা জিলদ ৩ পৃঃ ৫৯৩)

খলিফা আল্লাহৰ দিয়া হোৱা পুৰস্কাৰ হয় কোনোবা নাই যে তাত বাধা প্ৰদান কৰিব পাৰে। সেয়া খোদা তায়লাৰ জ্যোতি প্ৰতিষ্ঠা কৰাৰ এক উপায়। যিয়ে সেইটো নুমাব বিচাৰে সি আল্লাহৰ জ্যোতিহে নুমাব বিচাৰে। সেয়া এক প্ৰতিশ্ৰুতি যি নিশ্চিত ভাবে পূৰ্ণ হ'বই কিন্তু তেখেতৰ যুগ দীৰ্ঘ কাল হোৱাটো মোমিনসকলৰ সজ কামৰ লগত সম্পৰ্কযুক্ত। ( খিলাফত আলা মিনহাজুন নবুৱা জিলদ ৩ পৃঃ ৪২০,৪২১)

সেই খলিফা যিজন খোদাৰ নিৰ্দেশনাৱলীৰ প্ৰতিনিধি হয় তেখেতৰ অস্বীকাৰ কৰা আৰু হাঁহি উপহাস কৰাটো কোনো সাধাৰণ কথা নহয় সেয়া মোমিন সকলকো আইন লঞ্জনকাৰী বনাই দিয়ে। অৰ্থাৎ এইটো নেভাবিবা যে নিজৰ মুখ আৰু লিখনী বন্ধ নাৰাখি ভাল ফলাফল ওলাব পাৰিব। খোদা

তায়লা কৈছে যে মই এনেকুৱা মানুহক জামাতৰ পৰা ওলাই দিম। ফাছিক শব্দৰ অৰ্থ হ'ল খোদাৰ সৈতে কোনো সম্পৰ্ক নৰখা। এইটো ভালদৰে মনত ৰাখা যে খোদা তায়লাৰ ফালৰ পৰা যি ব্যৱস্থাপনা আছে যিজনে সেইটোৰ যদি কোনো গুৰুত্ব নিদিয়ে আৰু সেই ব্যৱস্থাপনাৰ ওপৰত সদায় প্ৰতিকূল কৰি থাকে যদিওবা তেওঁ মোমিন হয় কিন্তু কিবা কিছু কোৱাৰ সময়ত নিজৰ শব্দৰ প্ৰতি লক্ষ্য নাৰাখে, মনত ৰাখা তেওঁ কাফিৰ হোৱা অৱস্থাত মৃত্যুবৰণ কৰিব।

( খিলাফত আলা মিনহাজুন নবুৱা জিলদ ৩ পৃঃ ৮,৯)

যুগৰ খলিফা গোটেই পৃথিৱীৰ শিক্ষক হয়; আৰু যদি এয়া সত্য হয়, নিশ্চয় সত্য, তেতিয়া পৃথিৱীৰ জ্ঞানবান মানুহ ছাত্ৰ হিচাপে তেখেতৰ ওচৰলৈ আহিব। শিক্ষক হিচাপে তেখেতৰ ওচৰত নাহিব। (আল ফজল ২১ ডিচেম্বৰ ১৯৬৬)

হজৰত খলিফাতুল মছীহ্ আল খামিছ (আইঃ) য়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ উদ্ধৃতিৰ উল্লেখ কৰি কৈছে যে,——– এইটো হ'ব পাৰে যে নিজস্ব ঘটনাৱলীত যুগৰ খলিফাৰ কিবা ভুল ত্ৰুটি হ'ব পাৰে। কিন্তু এই ঘটনাত যদি জামাতৰ কিবা আধ্যাত্মিক আৰু শাৰিৰীক উন্নতিত কিবা প্ৰভাৱ পৰে আৰু যদি তাৰ দ্বাৰা কিবা ভুল হৈ যায় তেতিয়া আল্লাহ তায়লা নিজৰ জামাতক ৰক্ষা কৰে আৰু কিবা উপায়ে তেওঁক তাৰ ভুলৰ খবৰ কৰি দিয়ে। ছুফি সকলৰ মতে ইয়াক সৰু আচমত বুলি কোৱা হৈছে। নবীসকলৰ ডাঙৰ আচমত (সতৰ্কতা)অৰ্জিত হয়। কিন্তু খলিফাসকলক সৰু আচমত (সতৰ্কতা)অৰ্জন হয়। আল্লাহ তায়লা তেখেত সকলক এনেকুৱা কোনো গুৰুত্বপূৰ্ণ ভুল হ'ব নিদিয়ে যাৰ ফলত জামাতৰ কোনো ভয়ানক ক্ষতি হ'ব পাৰে। তেখেত সকলৰ সিদ্ধান্তত কিবা সৰু-সুৰা ভুল হ'ব পাৰে; কিন্তু ফলাফল এয়া ওলায় যে ইছলামৰ বিজয় প্ৰদান হ'ব, আৰু বিৰোধী সকলৰ পৰাজয় হ'ব । তেখেত সকলৰ সৰু আচমত হোৱা সত্বেও খোদা তায়লাৰ

এক কৌশল সিহঁতৰ সৈতে থাকে,অথচ কোৱা জন তেওঁহে হ'ব, ভাষা তেওঁৰেই হ'ব, হাত তেওঁৰেই চলিব, তেখেতৰেই মস্তিষ্ক কাম কৰিব, কিন্তু এই সকলোবোৰৰ পিছত খোদা তায়লাৰ নিজৰ হাত থাকিব। তেখেতৰ দ্বাৰা কোনো অংশত সাধাৰণ ভুল হ'ব পাৰে। কেতিয়াবা তেখেতৰ অনুসৰণ কাৰীয়েও ভুল পৰামৰ্শ দিব পাৰে। কিন্তু সেই সমূহ বাধাৰ পৰা অতিক্ৰম কৰি শেষত সফলতা তেখেতৰেই হয়। যেতিয়া সকলোবিলাক শক্তি মিলাই এখন শিকলিবদ্ধ হ'ব তেতিয়া সেয়াই শুদ্ধ হ'ব আৰু এনেকুৱা শক্তিশালী হ'ব যে কোনোবাই সেইটো ভাঙিব নোৱাৰিব।

(খুতবাতে মছ্ৰুৰ জিলদ প্ৰথম পৃঃ ৩৪১-৩৪৩ বাহাৱালা তফছিৰে কাবিৰ কাবিৰ জিলদ ৬ পৃঃ ৩৭৬ -৩৭৭)

এতিয়া জানিব পৰা গ'ল যে খিলাফতৰ মহান মৰ্যাদা আৰু স্থান সম্পৰ্কে মোমিন সকলৰ এয়া কৰ্তব্য যে খিলাফতৰ ব্যৱস্থাপনাৰ সৈতে আন্তৰিক মৰম স্নেহ স্থাপন কৰি অনুসৰণ কৰাটো অত্যাৱশ্যকীয়। যেতিয়া এই কথা স্পষ্ট যে খলিফা খোদা তায়লা প্ৰতিৰ্ষ্ঠিত কৰে, আৰু যাক খলিফা নিৰ্বাচিত কৰা হয় তেখেত খোদা তায়লাৰ প্ৰতিনিধি আৰু সকলোতকৈ বেছি সেইজনাৰ প্ৰিয় ব্যক্তি হয়। গতিকে এইটো বাধ্যতামুলক যে এনেকুৱা বৰকতময় অস্তিত্বৰ সৈতে মন-প্ৰাণেৰে দৃঢ় সম্পৰ্কৰ সৈতে আৰু নিজকে সম্পূৰ্ণ ৰূপে তেওঁৰ বাটত আত্মসমৰ্পন কৰি দিয়া হওঁক। এই বিষয় বস্তু চুৰা নুৰৰ আয়াত ইছ্তাখলাফা অধ্যয়ন কৰিলে স্পষ্ট ভাৱে প্ৰকাশ হৈ পৰে। য'ত খিলাফতৰ বিষয় বস্তুৰ পোনপ্ৰথমে আল্লাহ তায়লাই ৰছুলক অনুসৰণ কৰাৰ নিৰ্দেশ দিছে, আৰু খিলাফতৰ কথা উল্লেখ কৰাৰ পিছতেই ৰছুলক অনুসৰণ কৰাৰ কথা উল্লেখ আছে। ইয়াত ডাঙৰ কথা গুপ্ত আছে যে খলিফাক অনুসৰণ কৰা মানেই হ'ল ৰছুলক অনুসৰণ কৰা; আৰু ৰছুলৰ অনুসৰণৰ ফলাফল এয়া ওলায় যে সেই খলিফাৰ সৈতেও যেন তেনেকুৱাই অনুসৰণ কৰা হয় যেনেকুৱা ৰছুলৰ সৈতে কৰা হয়।

যুগৰ খলিফাৰ সৈতে আন্তৰিকতাৰ সৈতে দৃঢ় সম্পৰ্কৰ বিষয়ে ৰছুলে কৰিম (ছাঃ)ৰ হাদীছ স্মৰণ ৰখা প্ৰয়োজন, আঁ-হজৰত (ছাঃ)য়ে কৈছে যে,

فَاِنْ رَاَيْتَ يَوْمَئِذٍ خَلِيْفَةَ اللهِ فِي الْاَرْضِ فَالْزِمْهُ وَاِنْ نُهِكَ جِسْمُكَ وَاُخِذَ مَالُكَ

যদি তুমি দেখিবলৈ পোৱা যে খলিফা পৃথিৱীত আছে তেতিয়া তেখেতৰ সৈতে দৃঢ় সম্পৰ্ক ৰাখক যদিওবা তোমাৰ শৰীৰ টুকুৰা টুকুৰ কৰি দিয়া হয় আৰু তোমাৰ সম্পত্তি কাঢ়ি লৈ লোৱা হয়। (মছনদ আহমদ বিন হাম্বল হাদীছ ২২৩৩৩)

এই হাদিছৰ পৰা স্পষ্ট হৈ যায় যে খিলাফত সঁচাকৈয়ে পৃথিৱীত সকলোতকৈ ডাঙৰ আৰু মূল্যবান খাজানা হয়। জীৱন আৰু সম্পত্তিতকৈয়ো বেছি মূল্যবান সম্পত্তি হয়। গতিকে যেতিয়া এই সম্পত্তি কোনো জামাতক আল্লাহ তায়লাৰ ফালৰ পৰা প্ৰদান কৰা হয় তেতিয়া তেখেতক শক্তিশালীৰে ধৰি ৰখাই হ'ল জীৱনৰ উৎস।

# খলিফাৰ বৰকত (কল্যাণ)

**ধৰ্ম প্ৰতিষ্ঠিত।**
**শান্তি প্ৰতিষ্ঠিত।**
**আল্লাহৰ উপাসনা সঠিক পদ্ধতিত প্ৰতিষ্ঠিত।**
**একত্ববাদ প্ৰতিষ্ঠিত।**
**মানৱ সেৱা।**
**ইছলামৰ প্ৰচাৰ।**
**উন্নতি।**
**একত্ববাদ আৰু ঐক্যতা প্ৰতিষ্ঠিত।**
**ঐশ্বৰিক সহায়।**
**বিশ্বাসী জামাতৰ এক দৃঢ় সঙ্কল্পৰ সৈতে দোৱাৰ ফলত অস্তিত্বৰ অংশ হোৱা।**
**আধ্যাত্মিক জীৱনৰ উৎস।**

খলিফাৰ কল্যাণৰ বৰ্ণনা কোৰাণ মজিদৰ কেইবা ঠাইত উল্লেখ আছে। বিশেষকৈ চুৰা নুৰৰ আয়াত নম্বৰ ৫৬ ত বিস্তাৰিত ভাৱে উল্লেখ পোৱা যায় যে খলিফাৰ মহান কল্যাণৰ মাজৰ এক কল্যাণ এয়া যে তেখেতৰ মাধ্যমে দ্বীন প্ৰতিষ্ঠিত হয় আৰু মোমিন সকলৰ ভীতিমূলক অৱস্থা আঁতৰ কৰি তাৰ সলনি শান্তি প্ৰতিষ্ঠিত হয়। আল্লাহৰ উপাসনা আৰু একত্ববাদৰ ভেটিক শক্তিশালী কৰি তোলে আৰু সঁচাকৈয়ে তাক প্ৰতিষ্ঠা কৰাত সক্ষম হয়। ধৰ্মৰ সৈতে সম্পৰ্কিত হোৱাৰ ফলত এখন নতুন জীৱন সৃষ্টি হৈ যায়। উন্নতিৰ নতুন বাট মুকলি হ'ব ধৰে; আৰু এই ঐশ্বৰিক শক্তি মোমিনসকলৰ সহকাৰী হৈ জীৱনৰ আচল উদ্দেশ্য অৰ্জন কৰিবলৈ সক্ষম হয়। বাটত আহিবলগীয়া সকলো ধৰণৰ বাধা আঁতৰ হ'ব ধৰে, দুঃখ আৰু কষ্ট আঁতৰ হ'ব ধৰে। সকলোতকৈ ডাঙৰ কথা

হ’ল যে জাতিৰ মাজত একত্ববাদ প্ৰতিষ্ঠিত কৰাৰ বাবে পৰিপূৰ্ণ ৰূপত চেষ্টা-প্ৰচেষ্টাত নিমগ্ন থাকে। আল্লাহ তায়লাৰ উপাসনা আৰু তাৰ গুণাৱলীৰ নিদৰ্শন মোমিনসকলৰ মাজত দেখিবলৈ পোৱা যায়; আৰু সিহঁতে হিদায়তৰ ফালে দ্ৰুত গতিত আগবঢ়া দেখিবলৈ পোৱা যায়। এই ঐশ্বৰিক শক্তিয়ে মোমিনসকলক সজ কাম আৰু পুণ্য কাম কৰাৰ ফালে আকৃষ্ট কৰে; যাৰ ফলত আল্লাহৰ প্ৰতি ভয় সৃষ্টি হয়। আল্লাহ তায়লাই প্ৰতিষ্ঠা কৰা খলিফাই মোমিনসকলক আল্লাহ তায়লাৰ আহ্বানৰ উত্তৰ দিয়াৰ বাবে প্ৰস্তুত কৰোৱায়।

এই ঐশ্বৰিক ব্যৱস্থাপনাই মোমিন সকলক মাথোন পৃথিৱীৰ সৃষ্টি কৰা বস্তুৰ প্ৰতি সহানুভূতিৰ ফালে আকৃষ্টই নকৰে ,অৰ্থাৎ মোমিন সকলৰ হিদায়তৰ বাবে নিয়মিত ৰূপত কাৰ্য্যসূচী প্ৰতিষ্ঠিত কৰে; যিয়ে মানৱ সেৱা আগবঢ়োৱাৰ প্ৰতি দৃঢ়তা প্ৰতিষ্ঠিত কৰে আৰু আল্লাহৰ ভৃত্য সকলৰ অধিকাৰ পালন কৰাৰ প্ৰতি আকৃষ্ট কৰে।

এই ঐশ্বৰিক শক্তি যাৰ গুণাৱলী, লাভালাভ আৰু বৰকত (কল্যাণ) গণিব পৰা নাযায়। অৰ্থাৎ এজন খলিফাৰ হৃদয় মানুহৰ ভালপোৱাৰ বাবে সদায় জাগ্ৰত থাকে। তেখেতৰ অনুসাৰীসকলৰ সৈতে মৰম-চেনেহ, ভালপোৱাৰ বিষয়ে কোনো পৃথিৱীৰ আলহী সকলৰ সৈতে তুলনা কৰা জ্ঞানহীন মানুহৰে কাম। এইজন নম্ৰ মাতৃতকৈ বেছি প্ৰিয় যিয়ে নিজৰ ভৰিৰ কিবা আঘাতত দুঃখিত হয়। মানুহ টোপনি মাৰে আৰু তেখেতে সিহঁতৰ উন্নতিৰ কৌশলত মগ্ন থাকে, আৰু সেই কৌশল কাৰ্যকৰী কৰাৰ বাবে দোৱা কৰাত মগ্ন থাকে। তেখেতৰ দোৱাৰ কল্যাণত পুণ্যবান সকলৰ হেৰাই যোৱা বাট মুকলি কৰি দিয়ে, আৰু প্ৰত্যেকৰে বাবে পথপ্ৰদৰ্শক আৰু সাফল্যমণ্ডিত হোৱাৰ পন্থা হয়। অৰ্থাৎ অসংখ্য কল্যাণ সেইসকলৰ বাবে যিসকলে তেখেতৰ সৈতে সম্পৰ্ক ৰাখে। আৰু অসংখ্য পৰিমাণে চিঠি–পত্ৰও মানুহৰ প্ৰাপ্ত হৈ থাকে। এই কল্যাণ নবীৰ কল্যাণৰ প্ৰতিবিম্ব হয়। নিম্ন লিখিতত হজৰত মছীহ মাওউদ (আঃ) আৰু খলিফাসকলৰ কিছুমান উদ্ধৃতি খলিফাৰ কল্যাণ

সম্পৰ্কে উত্থাপন কৰা হৈ আছে।

## হজৰত মছীহ মাওউদ (আঃ) য়ে কৈছে,

আমাৰ নবী কৰিম (ছাঃ)ৰ মৃত্যুৰ পিছত এক ভয়াবহ পৰিস্থিতি সৃষ্টি হৈ গৈছিল। কেইবাটাও দল আৰবত ইছলামৰ পৰা পৃথক হৈ পৰিছিল। কিছুমানে জাকাত দিবলৈ অস্বীকাৰ কৰি দিছিল; আৰু কিছুমান মিছলীয়া পয়গম্বৰ থিয় হৈছিল। এনেকুৱা পৰিস্থিতিত কিছুমান শক্তিশালী হৃদয়,আৰু শক্তিশালী ঈমানদাৰ সকলে খলিফাৰ আকাঙ্খাত আছিল। তেতিয়া হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক খলিফা নিৰ্বাচিত কৰা হয়। আৰু সিহঁতৰ খলিফা প্ৰতিষ্ঠিত হোৱা সত্বেও বহু দুঃখৰ সন্মুখীন হ'ব লগা হৈছিল। যেনেকুৱা হজৰত আয়েশা (ৰাঃ)য়ে কৈছে যে আৰবত কিছুমান বিশৃংখলা সৃষ্টি কৰা দল আৰু মিছলীয়া নবীৰ দাবীদাৰ থিয় হোৱাত যেতিয়া মোৰ দেউতাৰ মৃত্যুৰ পিছত খলিফা অধিষ্ঠিত হয় তেতিয়া খলিফাৰ দুঃখ ভৰা হৃদয়ত এই কথাষাৰ অৱতীৰ্ণ হয় যে যদি সেই দুঃখ কোনো পাহাৰৰ ওপৰত পৰিলেহেঁতেন সেয়া টুকুৰা টুকুৰ হৈ গ'লহেঁতেন। কিন্তু খোদা তায়লাৰ এয়া আইন যে যেতিয়া আল্লাহৰ নবীৰ মৃত্যুৰ পিছত খলিফা নিৰ্বাচিত হয় তেতিয়া তেখেতৰ হৃদয় শক্তিশালী হোৱাৰ আত্মা তেখেতৰ ভিতৰত ফু মাৰি দিয়া হয়।এয়া এক সিদ্ধান্তমুলক নিৰ্দেশ চৰিয়ত হিচাপে নহয় হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ হৃদয়ত অৱতীৰ্ণ হয়। ( ৰুহানি খাজাইন জিলদ ১৭ পৃঃ ১৮৫, ১৮৬, তোহফা গোলৰৱীয়া)

যেতিয়া কোনো ৰছুলৰ মৃত্যু হয় তেতিয়া পৃথিৱীত এক ধৰণৰ আপদ আহি পৰে আৰু সেই সময়খিনিত এক ভয়াবহ পৰিস্থিত সৃষ্টি হৈ পৰে। কিন্তু খোদা তায়লা কোনো খলিফাৰ জৰিয়তে সেয়া সমাপ্ত কৰে আৰু সেই খলিফাৰ জৰিয়তে এই শংকা আঁতৰ হৈ যায়। ( মলফুজাত জিলদ ৪ পৃঃ ৩৮৪)

# হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে

ফিৰিস্তাৰ সৈতে লাভবান হোৱাৰ এয়াও এক পদ্ধতি যে আল্লাহ্ তায়লাই প্ৰতিষ্ঠিত কৰা খলিফাৰ লগত ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলক, আৰু তেখেতৰ অনুসৰণ কৰক। আল্লাহ্ তায়লাৰ ফালৰ পৰা তোমাৰ নতুন হৃদয় সৃষ্টি হ'ব য'ত শান্তি অৱতীৰ্ণ হ'ব আৰু খোদা তায়লাৰ ফিৰিস্তাই সেই হৃদয়সমূহ উঠোৱাই থাকিব——ঘনিষ্ঠ সম্পৰ্কৰ ফলত তোমাৰ মাজত এক পৰিৱৰ্তন সৃষ্টি হৈ যাব, তোমাৰ উৎসা বৃদ্ধি পাব, তোমাৰ ঈমান আৰু বিশ্বাস বৃদ্ধি পাব, ফিৰিস্তাবিলাক তোমাৰ সহায়ৰ বাবে থিয় হৈ উঠিব, আৰু তোমাৰ অন্তৰ সুপ্ৰতিষ্ঠিত হোৱাৰ বাবে আৰু কোৰবাণী কৰাৰ বাবে আত্মাত ফু মাৰি থাকিব। অৰ্থাৎ সত্য খলিফাৰ সৈতে সম্পৰ্কিত ৰখাৰ ফলত ফিৰিস্তাবিলাকৰ সৈতে সম্পৰ্ক স্থাপিত হৈ যায় আৰু মানুহক এক জ্যোতিৰ আলোকত আলোকপাত কৰি তোলা হয়।

(খিলাফত আলা মিনহাজুন নবুৱা জিলদ ৩ পৃঃ ৩৯২)

আল্লাহ্ তায়লাই তোমাক খলিফাৰ অনুগ্ৰহ প্ৰদান কৰিছে যাৰ পৰা সেই সকল (অৰ্থাৎ জামাত আহমদীয়াৰ বাহিৰে মুছলমান )বঞ্চিত। এই খলিফাই অলপ সংখ্যক আহমদীক একত্ৰিত কৰি সিহঁতক এনেকুৱা শক্তি প্ৰদান কৰিছে যি অকলে কেতিয়াও অৰ্জন কৰা সম্ভৱ নহয়। প্ৰত্যেক জামাতত দুৰ্বল মানুহও থাকে আৰু শক্তিশালী মানুহও থাকে যিয়ে সকলো বস্তুৰ ওজন অকলেই উঠাই লয় কিন্তু সকলো সদস্যক এটা ৰছীৰ সৈতে বান্ধি দিয়া কেৱল মৰকজৰ (কেন্দ্ৰৰ) জৰিয়তেই হয়। মৰকজৰ এইটো লাভ হয় যে দুৰ্বল সকলক নিম্ন স্তৰলৈ যোৱাৰ পৰা বচায় আৰু শক্তিশালী সকলক ইমান বেছি আগ বাঢ়িব নিদিয়ে যাৰ ফলত বেলেগ মানুহ সিহঁতৰ তুলনাত নিম্ন স্তৰলৈ যায়। যদি মৰকজ নাথাকে তেতিয়া দুৰ্বল সকল বেছি দুৰ্বল হৈ পৰিব। মৰকজ নাথাকিলে শক্তিশালী সকলে ইমান আগ বাঢ়ি যাব

যে বেলেগ মানুহে ভাৱিব যে সিহঁত আকাশত গৈ পাইছে আৰু আমি পৃথিৱীত আছো। আমাৰ আৰু সিহঁতৰ মাজত কি পাৰ্থক্য আছে? কিন্তু ইছলামী ব্যৱস্থাপনাৰ ভিতৰত আহি এনেকুৱা সম অধিকাৰ প্ৰাপ্ত হয় যে ধনী আৰু দুখীয়াৰ মাজত পাৰ্থক্যই নাথাকে। (খিলাফত আলা মিনহাজুন নবুৱা জিলদ ৩ পৃঃ ৩৫৮,৩৫৯)

এইটো খলিফাৰ বৰকত যে জামাতে অনেক ভাষাত কোৰাণ মজিদৰ অনুবাদ প্ৰকাশ কৰিছে । জামাতত এনেকুৱা কোনোবা সম্পত্তিবান মানুহ নাই যিয়ে এই অনুবাদৰ কোনো এটা অনুবাদ প্ৰকাশ কৰিব পাৰে। কিন্তু কোনোবা এনেকুৱা নাই যে অকলে কোৰাণ মজিদৰ অনুবাদ ছপোৱাব পাৰে।কিন্তু একত্ৰিত হৈ এতিয়ালৈকে ইংৰাজী,ডচ,ৰুছ,স্পেনিছ, পুৰ্তগেজী,আটালিন,জাৰ্মান আৰু ফ্ৰান্স ভাষাত কোৰাণ মজিদৰ অনুবাদ প্ৰকাশ পাইছে। আমাৰ নিয়ত এয়া যে প্ৰত্যেক গুৰুত্বপূৰ্ণ ভাষাত কোৰাণ মজিদৰ অনুবাদ ছপা কৰি যেন দিয়ে,যাতে কোনো ভাষা জনা জনে এনেকুৱা যেন নাথাকে যিয়ে ইয়াৰ পৰা উপকাৰ হোৱাৰ পৰা বঞ্চিত হৈ থাকে। (খিলাফতে আলা মিহাজুন নবুৱা জিলদ ৩ পৃঃ ৫৬৯)

এতিয়া আল্লাহ তায়লাৰ কৃপাত জামাতে আহমদীয়া ৭৪ ভাষাত কোৰাণ মজিদৰ অনুবাদ হৈ প্ৰকাশ পাইছে। ২০১৫ চনৰ ভিতৰত ছনহালি আৰু বৰমি ভাষাত কোৰাণ মজিদৰ অনুবাদ হৈ প্ৰকাশ পাইছে হৈছে। (আলফজল ইণ্টাৰনেশ্বনাল ২৫ ডিচেম্বৰ ২০১৫ পৰা ১ অক্টোবৰ ২০১৫ লৈ)

হজৰত খলিফাতুল মছীহ আল খামিছ (আইঃ)য়ে কৈছে যে, দ্বিতীয় কুদৰত খোদা তায়লাৰ ফালৰ পৰা এটা ডাঙৰ অনুগ্ৰহ হয়। যাৰ উদ্দেশ্য জাতিৰ মাজত মিলা-প্ৰিতি স্থাপন কৰা আৰু মতানৈক্য আঁতৰ কৰা। এই জামাত মুকুতাৰ নিচিনা; মুকুতা যদি ছিন্ন ভিন্ন হৈ আছে তেন্তে সেয়া সুৰক্ষিত নাই আৰু দেখিবলৈ সৌন্দৰ্যপূৰ্ণ নহয়। দ্বিতীয় কুদৰত যদি নাথাকে দ্বীন কেতিয়াও উন্নতি লাভ কৰিব নোৱাৰে। অৰ্থাৎ এই কুদৰতৰ সৈতে

পৰিপূৰ্ণ ৰূপত মৰম-স্নেহ আৰু আকিদাৰ (বিশ্বাসৰ) সৈতে সম্পৰ্ক ৰাখক আৰু খলিফাৰ অনুসৰণ চিৰস্থায়ী বনাই লওঁক, আৰু তেখেতৰ লগত দৃঢ় সম্পৰ্ক এনেকুৱা বনাই লওঁক যে তেখেতৰ তুলনাত নিজৰ আত্মীয়-স্বজন নিম্ন বুলি ভাৱা। ইমামৰ সৈতে সম্পৰ্ক ৰখাৰ ফলত কল্যাণমণ্ডিত হ'ব পাৰিব; আৰু তেখেতেই আপোনাৰ বাবে প্ৰত্যেক ধৰণৰ আপদ-বিপদৰ সময়ত সুৰক্ষাকাৰী হ'ব পাৰিব।

( মশ্বআলে ৰাহ জিলদ ৫ হিচ্চা আওৱাল পৃঃ ৪,৫ মজমুৱা মজলিছ খুদ্দামুল আহমদীয়া ভাৰত, মে চন ২০০৭)

এই দ্বিতীয় কুদৰত বা খলিফাৰ ব্যৱস্থাপনা এতিয়া ইনশা আল্লাহ প্ৰতিষ্ঠিত থাকিব, আৰু এয়া আঁ-হজৰত (ছাঃ)ৰ খলিফাৰ সৈতে কোনো সম্পৰ্ক নাৰাখে, যদি এয়া অৰ্থ কৰা হয় যে সিহঁতে ত্ৰিশ বছৰ আছিল আৰু ত্ৰিশ বছৰৰ যুগ আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী আছিল। আৰু এই অনন্ত কাল যুগ আপোনাৰ ভৱিষ্যতবাণী মৰ্মেই হয় কিয়ামতলৈ থাকিব। এয়া আল্লাহ তায়লাই ভালদৰে জানে। কিন্তু মই এয়া ক'ব বিচাৰো যে এই খলিফাৰ যুগ আপোনাৰ বংশৰ পিছত বংশ আৰু অসংখ্য বংশলৈ অব্যাহত থাকিব ইনশা আল্লাহ তায়লা; কিন্তু চৰ্ত এয়া যে পুণ্য আৰু আল্লাহৰ প্ৰতি ভীতি প্ৰতিষ্ঠিত থাকিব লাগিব।

( খোতবা জুমা ২৭ মে চন ২০০৫, আখবাৰে বদৰ খিলাফত আহমদীয়া ছদ ছালা জুবলি নম্বৰ ২০০৮ পৃঃ ১৭,১৮)

আল্লাহ তায়লা সৰ্বদা আহমদীয়া খলিফাৰ মাধ্যমে ভীতিৰ পিছত শান্তি স্থাপিত কৰিছে আৰু আপদ-বিপদৰ সময়ত আল্লাহৰ প্ৰতি ভীতি বেছি সৃষ্টি কৰি দিছে। যেনেকুৱা প্ৰথমে চকু ৰখা জনে দেখিছে, সেনেকুৱাই আজিৰ বিশ্বাবাসী সকলেও দেখি আছে, আৰু ভৱিষ্যতেও দেখি থাকিব যে খোদা তায়লাৰ সহায়প্ৰাপ্ত খলিফাৰ ব্যৱস্থাপনাৰ অধীনত থকা জামাত শেষ কৰি দিয়াৰ কৌশলত উঠি অহা জুইৰ টুকুৰা জামাতৰ একো ক্ষতি সাধন

কৰিব নোৱাৰে। সিহঁতৰ কৌশল খোদা তায়লাই সফল হ'ব নিদিয়ে। সেই জুইতেই সিহঁতৰ ইচ্ছাকৃত কৌশলৰ অন্ত ঘটাব। ইয়াৰ পূৰ্বেও এইবিলাক কৌশল মাটিত পুতি থোৱা হৈছে আৰু এয়াও সাফল্যমণ্ডিত হ'ব নোৱাৰিব। কিন্তু সিহঁতে আহমদীৰ উন্নতি ক্ষন্তেক সময়ৰ বাবেও বন্ধ ৰাখিব নোৱাৰিব। আল্লাহ তায়লা সদায় সিহঁতৰ কৌশল বিফল কৰি দেখুৱাইছে যে খিলাফত আহমদীয়াৰ সৈতে খোদা তায়লা সৰ্বদা নিজৰ কুদৰত দেখুৱাইছে। তেখেতৰ সহায়ৰ কথা বৰ্ণনা কৰি হজৰত মছীহ মাওউদ (আঃ) য়ে কৈছে,

বিশ্ববাসী মোক চিনিব পৰা নাই কিন্তু সেইজনাই মোক জানে যিজনে মোক প্ৰেৰণ কৰিছে। এইটো সিহঁতৰ ভুল ধাৰণা আৰু সিহঁতৰ কুমন্ত্ৰণা যে সিহঁতে মোৰ ধ্বংস খোজে। মই সেই বৃক্ষ হওঁ যাক সত্য মালিকে নিজৰ হাতৰ দ্বাৰা বোৱাইছে––– হে মানৱ ! তোমালোকে নিশ্চিত হোৱা যে মোৰ লগত সেই হাত আছে যিয়ে শেষ মুহূৰ্তলৈকে মোৰ সৈতে থাকিব।

( জমিমা তোহফা গোলৰবীয়া ৰুহানি খাজাইন জিলদ ১৭ পৃঃ ৪৯,৫০)

বিৰোধী সকলে জামাতক পৃথিৱীৰ কিছুমান অংশত বিস্তাৰিত হোৱাৰ কামক বাধা প্ৰদান কৰাত বিফল হৈছে। কিন্তু আল্লাহ তায়লাই মছীহ মাওউদ (আঃ)ৰ হাতৰ দ্বাৰা ইছলাম ধৰ্ম আৰু নিজৰ মাহদীৰ কথাবিলাক পৃথিৱীৰ চাৰিওফালে বিয়পাবৰ বাবে তাহৰিকে জাদিদৰ মহান কৌশলৰ আৰম্ভণি কৰিছিল। তাৰে পৰা আজি হৃদয়সমূহ লাভালাভ হোৱাৰ বাবে এম.টি.এ আমাক প্ৰদান কৰিছে। আল্লাহ তায়লাই এই অনুগ্ৰহ প্ৰদান কৰি যুগৰ খলিফাৰ শব্দ গোটেই পৃথিৱীত সাধাৰণ কৰি দিছে।

( বাহাৱালা ছোৱিনিয়ৰ খিলাফতে আহমদীয়া ছদ ছালা জোবলি নম্বৰ ২০০৮, তাহৰিকে জাদিদ আনজুমান আহমদীয়া পাকিস্তান)

আজি আল্লাহ তায়লাৰ কৃপাত জামাত আৰু যুগৰ খলিফাৰ মাজত আল্লাহৰ সন্তুষ্টি লাভৰ আধ্যাত্মিকতা প্ৰতিষ্ঠিত হৈছে। আহমদী পুৰুষ মহিলা যুৱক বয়জেষ্ঠ আৰু শিশু সকলোৱে যুগৰ খলিফাৰ ইমান নৈকট্যপ্ৰাপ্ত হৈ

গৈছে যে যিটো খোদা তায়লাৰ সহায় বিনে অসম্ভৱ আছিল। গোটেই পৃথিৱীত খলিফাৰ ডেউকা বিস্তাৰ লাভ কৰিছে। খলিফাৰ সৈতে সম্পৰ্ক দৃঢ় হোৱা ফলত আল্লাহৰ ৰছীৰ সৈতে আৱদ্ধ হোৱা। গোটেই পৃথিৱীত ইছলামৰ শান্তি আৰু ভ্ৰাতৃত্ববন্ধনৰ শিক্ষাৰ জ্ঞান উন্নত হ'ব ধৰিছে। আল্লাহ তায়লাই খলিফাৰ কল্যাণত জামাত আহমদীয়াক এটা হাতত বান্ধি ৰাখিছে। আৰু সিহঁতক খলিফাৰ কল্যাণৰ পৰা কল্যাণমণ্ডিত কৰিছে। এয়া এক ঐশ্বৰিক সাহায্যপ্ৰাপ্ত জামাত যিয়ে পৃথিৱীৰ গোটেই নতুন নতুন পয়গম্বৰৰ পদ্ধতি অৱলম্বন কৰি প্ৰত্যেক ধৰ্মৰ মানুহলৈ সঠিক ধৰ্মৰ পয়গাম পৌচাব ধৰিছে। খলিফাৰ অধীনত থকা এই দল সকলো সময়তে (সত্য ধৰ্ম) বিস্তাৰিত হোৱাৰ কামত ন্যস্ত হৈ পৰিছে; আৰু প্ৰত্যেক আহিবলগীয়া দিনত আহমদীৰ অৰ্থাৎ প্ৰকৃত ইছলামৰ উন্নতি আৰু বিজয় প্ৰকাশ হ'ব ধৰিছে। ইয়াৰ নামেই হ'ল তমকিনতে দ্বীন (ধৰ্ম প্ৰতিষ্ঠিত কৰা)। অৰ্থাৎ আল্লাহ তায়লাই মোমিন সকলক খলিফা প্ৰতিষ্ঠিত কৰি সিহঁতৰ ভীতিৰ পিছত অভয় প্ৰদান কৰি তমকিনতে দ্বীন (ধৰ্ম প্ৰতিষ্ঠিত) কৰাৰ যি প্ৰতিশ্ৰুতি দিছে; জামাত আহমদীয়া সেয়া পূৰ্ণ হোৱাৰ এক মূখ্য প্ৰমাণ। অৰ্থাৎ এই বৰকতৰ সদায় অংশীদাৰী হ'বলৈ নিজৰ বংশধৰক সৰ্বদা সুৰক্ষিত ৰখাৰ বাবে খলিফাৰ সৈতে সম্পৰ্কযুক্ত হৈ থাকিব লাগিব। আৰু নিজৰ সন্তান-সন্ততি সকলক সদায় এয়া শিক্ষা প্ৰদান কৰিব যে নিজৰ দোৱা, পৱিত্ৰতা আৰু মহব্বতৰ সৈতে যুগৰ খলিফাৰ সহায়কাৰী হওঁক। আল্লাহ আপোনাৰ সকলোকে ইয়াৰ তৌফিক দান কৰক। আমিন-

( বাহাৱালা ছৱিনৰ খিলাফত আহমদীয়া ছদ ছালা জুবলি ২০০৮, তাহৰিক জাদিদ আঞ্জুমান আহমদীয়া পাকিস্তান পৃঃ XVI)

আমাৰ এয়া ঈমান যে খলিফা খোদা তায়লা নিজে প্ৰতিষ্ঠিত কৰে আৰু তেখেতৰ নিৰ্বাচনত কোনো ধৰণৰ দুৰ্বলতা নাথাকে। যাক আল্লাহ তায়লাই এই চোলা পিন্ধাব কোনেও সেইটো খুলিব বা কাঢ়ি ল'ব নোৱাৰিব।

আল্লাহ তায়লাই নিজৰ এজন দুৰ্বল ভৃত্যক বাছি লয় যাক মানুহে কেতিয়াবা দুৰ্বল বুলি গণ্য কৰে কিন্তু আল্লাহ তায়লাই তেখেতক বাছি লৈ তেখেতৰ ওপৰত নিজৰ ক্ষমতা আৰু সন্মানৰ গৰাকী হিচাপে তৈয়াৰ কৰে। তেখেতৰ অস্তিত্ব পৃথিৱীৰ পৰা অদৃশ্য কৰি খোদাৰ তায়লাৰ কুদৰতৰ (ক্ষমতাৰ) ভিতৰত সোমাই লয় তেতিয়া আল্লাই তেখেতক উঠাই নিজৰ কোলত বহাই লয় আৰু খোদা তায়লাৰ সহায় সকলো অৱস্থাতে তেখেতৰ সৈতে থাকে আৰু তেখেতৰ অন্তৰত জামাতৰ অস্থিৰতা এনেকুৱা ভাৱে সৃষ্টি হ'ব ধৰে যে সেই অস্থিৰতাক নিজৰ অস্থিৰতাতকৈ বেছি অনুতাপ কৰিব ধৰে। জামাতৰ প্ৰত্যেক ব্যক্তিয়ে অনুতাপ কৰিব ধৰে যে তেওঁৰ বাবে অনুতাপ কৰোঁতা, তেওঁৰ বাবে খোদা তায়লাৰ দৰবাৰত দোৱা কৰোঁত, তেওঁৰ কষ্ট অনুতাপ কৰোঁতা এক অস্তিত্ব উপস্থিত আছে।

( ৰোজ নামা আলফজল ৩০ মে চন ২০০৩ পৃঃ ২, বাহাৱালা আখবাৰে বদৰ খিলাফতে আহমদীয়া ছদ ছালা জুবলি নম্বৰ চন ২০০৮ পৃঃ ১৭)

জামাতৰ সদস্য বৃন্দ সকলৰ খলিফাৰ সৈতে সম্পৰ্ক, আৰু যুগৰ খলিফাৰ সদস্য সকলৰ সৈতে এনেকুৱা সম্পৰ্ক আছে যে যি দুনিয়াৰ ধ্যান-ধাৰণাৰ বাহিৰত; তাৰ গভীৰতাৰ বিষয়ে সিহঁত অৱগত নহয়।

হজৰত খলিফাতুল মছীহ ছালিছ (তৃতীয়)(ৰাঃ) য়ে কৈছে যে, জামাত আৰু খলিফা এটা অস্তিত্বৰ দুটা নাম। অৰ্থাৎ এই সম্পৰ্ক যি জামাত আৰু খলিফাৰ সৈতে আছে এই জলছাৰ পৰা আমি জানিব পাৰো। আলহামদুলিল্লাহ-মই এই কথাত আনন্দিত হওঁ। আল্লাহ তায়লাৰ কৃপাত জামাত কেনেডা এই বিশেষতা আৰু বিশুদ্ধতাত অগ্ৰগতি লাভ কৰিছে। আল্লাহ তায়লা সিহঁতৰ এই সম্পৰ্ক বৃদ্ধি কৰক আৰু সম্পৰ্ক কিছু সময়ৰ উৎসাৰ সম্পৰ্ক যেন নহয়। আপোনালোকে সদায় মৰম-চেনেহ আৰু সহানুভূতি প্ৰকাশ কৰিছে। ২৭ মে মাহত যেতিয়া মই খলিফাৰ উদ্ধৃতিত খোতবা প্ৰদান কৰিছিলোঁ জামাতি ভাৱে আৰু বিভিন্ন ঠাইৰ পৰা নিজস্ব ভাৱে সকলোতকৈ বেছি

চিঠি মই সহানুভূতি সম্পৰ্কে কেনেডাৰ পৰা প্ৰাপ্ত কৰিছিলোঁ। আল্লাহ কৰক এই মৰম-চেনেহ আৰু সহানুভূতিৰ প্ৰকাশ আৰু দাবী কোনো ক্ষন্তেকীয়া সময়ৰ বাবে যেন নহয়। অৰ্থাৎ সৰ্বদা যেন থাকে আৰু সিহঁতৰ বংশধৰৰ মাজতো যেন প্ৰতিষ্ঠিত থাকে। (খুতবাতে মছৰুৰ জিলদ ৩ পৃঃ ৩৮৮-৩৮৯ মতবুৰা কাদিয়ান চন ২০০৫)

নাইজেৰিয়া জামাতৰ উদ্ধৃতিত খলিফাৰ বৰকতৰ কথা বৰ্ণনা কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে নাইজেৰিয়াৰ জামাত খলিফাৰ বৰকত সিহঁতে পৰোক্ষ ভাৱে দেখিবলৈ পাইছে। আপোনালোকে এই পুৰস্কাৰৰ অধিক পৰিমাণে সন্মান কৰিব লাগে। আপোনালোকে জানিব পাৰিছে যে যিসকলে ইয়াত মছজিদৰ সৈতে খলিফাৰ পৰা পৃথক হৈ পৰিছিল আজি সিহঁতৰ কি পৰিস্থিতি ? একোৱেই নাই। কিন্তু যি সকলে খলিফাৰ সৈতে সম্পৰ্ক স্থাপন কৰিছিল আৰু যিসকলে নিজৰ বয়াতৰ অধিকাৰ পালন কৰিছিল আল্লাহ তায়লা সিহঁতক অধিক পৰিমাণে পুৰস্কাৰেৰে পুৰস্কৃত কৰিছে। আজি প্ৰত্যেক চহৰত জামাতৰ উন্নতি দেখিবলৈ পোৱা গৈ আছে। আজি ইয়াত হাজাৰ সংখ্যাত উপস্থিতিৰ পৰা প্ৰমাণ হয় যে খলিফাৰ সৈতে সম্পৰ্কিত স্থাপিত কৰাতেই বৰকত নিহিত আছে। অৰ্থাৎ সদায় নিজৰ দায়িত্বৰ বিষটো বুজি লওঁক। আল্লাহ তায়লা আপোনাক ইয়াৰ তৌফিক দান কৰক আৰু এই পুৰস্কাৰৰ পৰা লাভবান হৈ থাকক। আমিন-

( তাছিৰাত খিলাফত আহমদীয়া ছদ ছালা জুবলি চন ২০০৮ পৃঃ ৭৬,৭৭)

১ মে মাহৰ চন ২০০৮ ত লাজনা ইমাউল্লাহ ইউ.কে পশ্চিমীয়া আফ্ৰিকাৰ পৰিদৰ্শন হুজুৰ আনোৱাৰৰ সফলতাৰ সৈতে উভতি অহাক স্বাগতম জনোৱাত হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত আকদছ মছীহ মাওউদ (আঃ)ৰ লিখিত ৰিছালা আল-অচিয়তৰ উদ্ধৃতিত কৈছে ,

হজৰত মছীহ মাওউদ (আঃ)ৰ এটা উদ্ধৃতি উত্থাপন কৰি আছোঁ। আল্লাহ তায়লা যেতিয়া হুজুৰ আকদছ (আঃ)ক কলে যে এতিয়া আপোনাৰ

উভতি যোৱাৰ বাট অতি কাষতেই আৰু এখন কবৰস্থান বনোৱা হওঁক য'ত উন্নত শ্ৰেণীৰ আৰু বিসৰ্জন দিওঁতা সকলক দফন কৰা হ'ব। সেই সময়ত তেখেতে এখন ৰিছালা লিখিলে, ৰিছালা আল-অচিয়ত নামে তাতে তেখেতে আঃ) য়ে কৈছে যে,

হে প্ৰিয় বন্ধু ! আগৰে পৰা আল্লাহ তায়লাৰ ছুন্নত এয়া যে খোদা তায়লা দুটা কুদৰত দেখোৱায় যাতে বিৰোধী সকলৰ দুই মিছা আনন্দক সমাপ্ত কৰি দেখুৱাব পাৰে। অৰ্থাৎ এতিয়া সম্ভৱ নহয় যে খোদা তায়লা নিজৰ পুৰণি ছুন্নতক এৰি দিয়ে। এই কাৰণে মই যি কথা তোমালোকৰ আগত বৰ্ণনা কৰিছোঁ দুঃখিত নহ'বা আৰু তোমাৰ হৃদয় যেন বিগলিত নহয় কাৰণ তোমালোকৰ বাবে দ্বিতীয় কুদৰত দেখা অতি আৱশ্যকীয়; আৰু সেয়া অহা তোমালোকৰ বাবে ভাল হ'ব কাৰণ সেয়া চিৰস্থায়ী যাৰ ছিলছিলা (শৃঙ্খলা) কিয়ামতলৈ শেষ নহ'ব। আৰু দ্বিতীয় কুদৰত আহিব নোৱাৰে যেতিয়ালৈকে মই বিদায় নলওঁ কিন্তু যেতিয়া মোৰ মৃত্যু ঘটিব তেতিয়া খোদা তায়লা দ্বিতীয় কুদৰত তোমালোকৰ বাবে প্ৰেৰণ কৰিব যি সদায় তোমালোকৰ সৈতে থাকিব।

( ৰিছালা আল-অচিয়ত ৰুহানি খাজাইন জিলদ ২০ পৃঃ ৩০৫)

আমি হজৰত মছীহ মাওউদ (আঃ)ৰ এই বয়ান, এই সু-সংবাদক সদায় যোৱা দুই বছৰৰ পৰা সত্য প্ৰমাণিত হোৱা দেখিবলৈ পাই আছোঁ। প্ৰথম খলিফাৰ সময়ত মানুহৰ ধাৰণা আছিল যে হজৰত মছীহ মাওউদ (আঃ)ৰ মৃত্যু হৈ গৈছে এতিয়া আহমদী কিছু দিনৰ অতিথি হয়। আকৌ দ্বিতীয় খলিফাৰ সময়ত আভ্যন্তৰীণ ফিতনা-ফাছাদ সৃষ্টি হৈছিল আৰু এনেকুৱা মানুহ যি সকলে খলিফাৰ অস্বীকাৰকাৰী আছিল সিহঁতক পয়গামীও কোৱা হয়, লাহোৰিও কোৱা হয় আৰু গায়েৰ মুবাইনও কোৱা হয়। সিহঁতে বহু চেষ্টা কৰিলে যে আঞ্জুমান এতিয়া অধিকাৰপ্ৰাপ্ত হ'ব লাগিব। জামাতৰ ব্যৱস্থাপনা চলোৱাৰ বাবে এতিয়া খলিফাৰ প্ৰয়োজন নাই। হজৰত মুচলেহ

মাওউদ (ৰাঃ)ৰ বয়স সেই সময়ত মাথোন ২৪ বছৰ আছিল। আৰু ডাঙৰ ডাঙৰ শিক্ষিত আলিম আৰু ধৰ্মৰ বিষয়ে জ্ঞান থকা সকলে আৰু সেই সময়ত ইছলামৰ, আহমদীয়তৰ, জামাতৰ ব্যৱস্থাপনাৰ অংশীদাৰী আছিল সেইসকলে পৃথক হৈ পৰিল; আৰু কিছুমান মানুহ হজৰত খলিফাতুল মছীহ ছানী (দ্বিতীয়)ৰ লগত থাকে। কিন্তু আমি দেখিবলৈ পাওঁ হজৰত খলিফাতুল মছীহ ছানীৰ ৫২ বছৰীয়া খলিফাৰ কাৰ্যকাল প্ৰত্যেক দিন উন্নতিৰ এক নতুন বাট অতিক্ৰম কৰি গৈছিল। তেখেতৰ যুগত আফ্ৰিকাত মিচন স্থাপিত হয়, ইউৰোপত মিচন স্থাপিত হয় আৰু খলিফাৰ ১০ বছৰ পিছতেই লণ্ডনত মছজিদ নিৰ্মাণ হয়। তাৰ পিছত তৃতীয় খলিফাৰ যুগ আহিল সেই সময়তো বিশেষ কৰি আফ্ৰিকা ৰাষ্ট্ৰসমূহত আৰু সেই আফ্ৰিকাৰ ৰাষ্ট্ৰত য'ত ইংলিস্থানৰ (ইংলেণ্ডৰ) এটা Colony আছিল কোনো যুগত তাতেও আহমদীৰ সংখ্যা বৃদ্ধি পায় আৰু বিস্তাৰ লাভ কৰে। আকৌ চতুৰ্থ খলিফাৰ যুগত আমি উন্নতিৰ নতুন বাট দেখিবলৈ পাওঁ। আফ্ৰিকাত,ইউৰোপত আৰু এছিয়াত এম.টি.এ ৰ জৰিয়তে বিশ্বৰ চাৰিওফালে জামাত বিস্তাৰ লাভ কৰে। গতিকে এই উন্নতি যেনেকুৱা হজৰত মছীহ মাউদ (আঃ)য়ে কৈছে যে দ্বিতীয় কুদৰত অহাৰ প্ৰয়োজন আছে কাৰণ সেয়া চিৰস্থায়ী আৰু চিৰস্থায়ী থাকিব লগীয়া। আৰু সদায় সেই বস্তু থাকি যায় যি নিজৰ উন্নতিৰ বাট অতিক্ৰম কৰি থাকে। আল্লাহ তায়লাৰ কৃপাত খলিফাৰ সৈতে সম্পৰ্কিত হোৱাৰ বাবে জামাত উন্নতিৰ ফালে অগ্ৰগতি লাভ কৰিছে আৰু চতুৰ্থ খলিফাৰ মৃত্যুৰ পিছত মোৰ হৃদয়ত এয়া শংকা জাগৰণ হ'ল যে এতিয়া জামাত কেনেকৈ চলিব ? আল্লাহ তায়লাই সকলো বস্তু নিজৰ হাতত লৈ লয় আৰু প্ৰত্যেক ধৰণৰ সুবিধাৰ প্ৰশান্তি প্ৰদান কৰে। আৰু যি গতিৰে উন্নতিৰ বাট বৃদ্ধি পাই আছিল তেনেকুৱাই বৃদ্ধি পাব ধৰিলে। কাৰণ এয়া খোদা তায়লাৰ প্ৰতিশ্ৰুতি। হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে খোদা তায়লাৰ প্ৰতিশ্ৰুতি যে, **মই তোমাৰ পয়গাম পৃথিৱীৰ চাৰিওফালে বিয়পাই দিম**। আল্লাহ তায়লাৰ কৃপাত পৃথিৱীৰ

চাৰিওফালে বিস্তাৰ লাভ কৰিব ধৰিছে। আৰু মানুহ দলে দলে জামাতত অন্তৰ্ভূক্ত হ'ব ধৰিছে। ইয়াৰ দ্বাৰা আল্লাহ তায়লা নিজৰ প্ৰিয় সকলৰ সন্মান বৃদ্ধি কৰে। আচলতে আল্লাহ তায়লাৰ এয়াও কাম যি কিছুমান মানুহৰ মাধ্যমে কৰোৱায় আৰু নবী সকলক এই পৃথিৱীত প্ৰেৰণ কৰে আৰু সেইজনাই নিজৰ প্ৰিয় ভৃত্য সকলৰ জৰিয়তে পৃথিৱীত নিজৰ শিক্ষা আৰু নিজৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত কৰিবলৈ ইচ্ছা কৰে। আকৌ নবী সকলৰ পিছত তেখেতৰ অনুসাৰীসকলৰ মাধ্যমে খলিফা প্ৰতিষ্ঠিত কৰে আৰু উন্নতি প্ৰদান কৰে।

( আল ফজল ইণ্টাৰনেশ্বনাল, খিলাফতে আহমদীয়া ছদ ছালা জুবলি নম্বৰ ২৫ জুলাইৰ পৰা ৭ আগষ্ট চন ২০০৮ পৃঃ ১৬, তাছ্বিৰাত খিলাফতে আহমদীয়া ছদ ছালা জুবলি চন ২০০৮ পৃঃ ৮৯-৯১)

হুজুৰ আনোৱাৰ (আইঃ)য়ে জামাত আহমদীয়াক সু-সংবাদ দি কয়,এই যুগ য'ত পঞ্চম খলিফাৰ সৈতে খিলাফতৰ নতুন শতাব্দীত আমি অন্তৰ্ভুক্ত হৈ আছোঁ ইনশা আল্লাহ আহমদীৰ উন্নতি আৰু বিজয়ৰ সময় হয়। মই আপোনালোকক বিশ্বাস স্থাপন কৰাওঁ যে আল্লাহ তায়লাৰ কৃপাত এনেকুৱা সুবিধাৰ বাট মুকলি হ'ব যে প্ৰত্যেক আহিবলগীয়া দিন জামাতৰ বিজয়ৰ দিন কাষতীয়া হোৱা দেখিবলৈ পাই আছোঁ। মই যেতিয়া নিজৰ জায়জা লওঁ তেতিয়া মই লজ্জিত হওঁ। মই এজন দুৰ্বল আৰু অযোগ্য ব্যক্তি হওঁ। মই নাজানো যে খোদা তায়লা মোক এই স্থানত লাভবান হোৱাৰ কি কৌশল প্ৰয়োগ কৰিছে। ইয়াক মই উন্নত ধৰণৰ আধ্যাত্মিক দৃষ্টি কওঁ যে আল্লাহ তায়লা এই যুগত নিজৰ ফালৰ পৰা সহায় সহযোগীতা প্ৰদান কৰি উন্নতিৰ বাট মুকলি কৰিব। ইনশা আল্লাহ আৰু কোনোবা নাই যে এই যুগত আহমদীৰ উন্নতিত বাধা প্ৰদান কৰিব পাৰে; আৰু ভৱিষ্যতত কোনোবাই এই উন্নতিত বাধা দিব নোৱাৰিব। খলিফাৰ পৰম্পৰা চলি থাকিব আৰু আহমদীৰ খোজ অগ্ৰগতি লাভ থাকিব। ইনশা আল্লাহ-

(আল ফজল ইণ্টাৰনেশ্বনাল- খিলাফতে আহমদীয়া ছদ ছালা জুবলি নম্বৰ ২৫ জুলাইৰ পৰা ৭ আগষ্ট চন ২০০৮ পৃঃ ১২ , তাছিৰাত খিলাফতে আহমদীয়া ছদ ছালা জুবলি চন ২০০৮ পৃঃ ১১২,১১৩)

কৈছে, জামাতৰ সদস্য বৃন্দ সকলে খলিফাৰ অধিক পৰিমাণে মহব্বত ৰাখে আৰু খলিফাও সিহঁতৰ সৈতে মহব্বত ৰাখে; আৰু সিহঁত সকলোৱে খোদাক ভাল পায়; ইনশা আল্লাহ্ এই পৰস্পৰ পৰস্পৰৰ প্ৰতি ভাল পোৱা সর্বদা থাকিব।

( আল ফজল ইণ্টাৰ নেশ্বনাল ১১ জুলাইৰ পৰা ১৭ জুলাই চন ২০০৮ পৃঃ ১০, তাছিৰাত খিলাফতে আহমদীয়া ছদ ছালা জুবলি চন ২০০৮ পৃঃ ১২৭)

**খলিফাৰ অনুগ্ৰহৰ উদ্ধৃতিত প্ৰিয় আকা (আইঃ)য়ে কৈছে,**

আল্লাহ তায়লা নিজৰ কৃপাত চৌধ শ বছৰ পিছত আকৌ এবাৰ অনুগ্ৰহ প্ৰদান কৰিছে যিয়ে পূর্বৰ সৈতে ভৱিষ্যতক মিলাই দিছে। অর্থাৎ এই অনুগ্ৰহৰ সন্মান প্ৰদর্শন কৰা, আৰু সদায় স্মৰণ ৰখা, আৰু তাৰ পৰা লাভবান হোৱা প্ৰত্যেক আহমদীৰ কর্তব্য, আকৌ এই অনুগ্ৰহৰ পিছত খলিফাৰ অনুগ্ৰহ প্ৰদান কৰিছে তেখেতৰ লগত দৃঢ় সম্পর্ক ৰখা অতি আৱশ্যকীয়।

আমি হজৰত মছীহ মাওউদ (আঃ)ৰ ওপৰত ঈমানৰ যি দাবী কৰোঁ, আমাৰ কর্তব্য হয় যে বয়াতৰ চর্তাৱলীৰ ওপৰত আল্লাহৰ প্ৰতি ভয় ৰাখি কর্ম যেন কৰোঁ।

হজৰত মছীহ মাওউদ (আইঃ)য়ে কৈছে যে, তোমালোকৰ বাবে দ্বিতীয় কুদৰত দেখা অতি প্ৰয়োজন। যি সকলে কয় যে হজৰত মছীহ মাওউদ (আঃ)ক মান্য কৰাই যথেষ্ট, আৰু খলিফাৰ বয়াত কৰাৰ প্ৰয়োজন নাই, সেইজন হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে কৰা অঙ্গীকাৰৰ পৰা বাহিৰত ওলাই পৰিছে———–সেইজন সৌভাগ্যশালী যিজনে খলিফাৰ হাতত বয়াত কৰাৰ তৌফিক পাইছে। কিন্তু তাৰ বাবে তাকৰা (আল্লাহৰ ভীতি)

অত্যন্ত আৱশ্যকীয়। আজি আমি মাথোন খিলাফতে আহমদীয়াৰ এক শ বছৰ পূৰ্ণ হোৱাই দেখা নাই অৰ্থাৎ আল্লাহ তায়লাৰ কৃপাত সফলতাৰ দৃশ্য আগ বাঢ়ি যোৱা দেখিবলৈ পাই আছোঁ।

( আল ফজল ইণ্টাৰ নেশ্বনাল ২২ ৰ পৰা ২৫ আগষ্ট চন ২০০৮, পৃঃ ২, তাছিৰাত খিলাফতে আহমদীয়া ছদ ছালা জুবলি চন ২০০৮ পৃঃ ১৮০,১৮১)

**হজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে,**

আজি যেতিয়া মই বিশ্বৰ কোনো অংশত বসতি কৰা আহমদীৰ দৃশ্য দেখো তেতিয়া তাৰ পৰা অনুমান হয় যে সিহঁত খলিফাৰ সৈতে দৃঢ় সম্পৰ্ক ৰাখে। সিহঁত পাকিস্তানৰে আহমদী হওঁক,ইণ্ডোনেশ্বীয়াৰে আহমদী হওঁক, বাংলাদেশৰে আহমদী হওঁক, অষ্ট্ৰেলিয়াৰে আহমদী হওঁক, ইউৰোপ আমেৰিককাৰ আহমদী হওঁক, আফ্ৰিকাৰ দূৰ-দূৰন্তত থকা আহমদী হওঁক, যুগৰ খলিফাক দেখি সিহঁতৰ প্ৰেম, বিশেষ সম্পৰ্ক, আৰু বিশেষ চেহেৰাৰ উজ্জ্বলতা দেখিবলৈ পোৱা যায়। এয়া এই কাৰণেই যে হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে বয়াতৰ সম্পৰ্ক আৰু প্ৰকৃত সম্পৰ্ক আছে আৰু এয়া এই কাৰণেই যে আঁ-হজৰত (ছাঃ)ৰ সৈতে পৰিপূৰ্ণ অনুসৰণ আৰু ভালপোৱাৰ সম্পৰ্ক আছে যাক গোটেই মানৱৰ কাৰণে আল্লাহ তায়লাৰ ফালৰ পৰা মুক্তি দাতা হিচাপে প্ৰেৰণ কৰিছে। খিলাফতে আহমদীয়া তেখেত (ছাঃ)লৈকে লৈ যোৱাৰ এটা মাধ্যম হয়। অৰ্থাৎ কোনো এনেকুৱা জাতিক এনেকুৱা উৎসা ৰখা আত্মাক কোনোবাই পৰাজয় কৰিব পাৰিবনে ? কেতিয়াও নোৱাৰে। এতিয়া জামাত আহমদীয়াৰ সফলতাৰ বাবে চেষ্টা-প্ৰচেষ্টা কৰিব লাগিব; আৰু গোটেই পৃথিৱীক আঁ-হজৰত (ছাঃ)ৰ পতাকাৰ তলত আনিব লাগিব। এয়া এই যুগৰ ইমামৰ লগত খোদা তায়লাই কৰা প্ৰতিশ্ৰুতি যিয়ে নিজৰ প্ৰতিশ্ৰুতি কেতিয়াও মিছা হ'বলৈ নিদিয়ে।

( আল ফজল ইণ্টাৰনেশ্বনাল ৩১ অক্টোবৰৰ পৰা ৭ নৱেম্বৰ চন ২০০৮

পৃঃ ১২, তাছিৰাত খিলাফতে আহমদীয়া ছদ ছালা জুবলি চন ২০০৮ পৃঃ ১৯৫)

এয়া খলিফাৰ কল্যাণৰ পৰিপূৰ্ণ অংশ আছিল। আচল এয়া যে আমাৰ জ্ঞান কম যে গোটেই বৰকতৰ গভীৰতাক প্ৰাপ্ত কৰিব পাৰো আৰু আমাৰ কলমৰ নাটনি যে গোটেই বিস্তাৰিত ভাৱে লিখিব পাৰো। কিন্তু সঁচা কথা এয়া যে সকলো ধৰণৰ লাভালাভ নবুয়তৰ পিছত এই আল্লাহৰ ৰছীৰ সৈতে সম্পৰ্কযুক্তত আছে। মোমিন সকলে এই কথা নিৰ্ধাৰিত কৰি ৰাখিছে যে তেখেতৰ মাধ্যমে উন্নতি লাভ কৰিব পাৰে। এয়া বাহ্যিক যে খলিফাৰ বৰকত লভিবৰ বাবে সদায় খলিফাৰ সৈতে সম্পৰ্কিত ৰাখিব লাগিব। অৰ্থাৎ এই বিষয়ে হজৰত মুচলেহ্ মাওউদ (ৰাঃ)য়ে কৈছে যে,

মই উপদেশ কৰিব বিচাৰো যে খলিফাৰ বৰকত স্মৰণ ৰাখক আৰু কোনো বস্তুক মনত ৰাখিবলৈ হলে পুৰণি জাতিৰ এয়া নিয়ম আছিল যে বছৰত এদিন সেয়া উৎযাপন কৰিছে। উদাহৰণ স্বৰূপ, ছিয়াসকলক চাওঁক সিহঁতে বছৰত এবাৰ তাজিয়া কৰে যাতে শ্বহীদ হুছেইন (ৰাঃ)ক স্মৰণ কৰিব পাৰে। এইদৰে মই খুদ্দাম সকলক উপদেশ দিব খোজো যে সিহঁতে বছৰত এবাৰ যেন খিলাফৎ দিৱস উৎযাপন কৰে। সেই দিনা খিলাফত প্ৰতিষ্ঠা হোৱাত খোদা তায়লাৰ ধন্যবাদ জ্ঞাপন কৰিব; আৰু নিজৰ পুৰণি ইতিহাস স্মৰণ কৰিব। এইদৰে দিব্য দৰ্শনৰ বিষয়ে বৰ্ণনা কৰা হওঁক যি সময়ৰ আগতে মোক দেখুওৱা হৈছে যিবোৰ পূৰ্ণ কৰি খোদা তায়লা প্ৰমাণ কৰি দিছে যে তাৰ বৰকত এতিয়াও খোদা তায়লাৰ সৈতে আছে।

( আল ফজল ১ মে চন ১৯৫৭)

# যুগৰ খলিফাৰ সৈতে প্ৰেম আৰু অনুসৰণ আৰু আমাৰ কৰ্তব্য

খলিফাৰ সৈতে সম্পৰ্ক স্থাপন আৰু সহানুভূতি এয়া যে খলিফাৰ প্ৰত্যেক আদেশ নিয়মিত ভাৱে পালন কৰা; আৰু তেখেতৰ প্ৰত্যেক আহ্বানৰ প্ৰতি উত্তৰ দিব লাগিব আৰু তেখেতৰ খোজৰ সৈতে খোজ মিলাই নিজৰ জীৱনৰ উদ্দেশ্য পূৰ্ণ কৰিব লাগিব। অৰ্থাৎ এই ঐশ্বৰিক ব্যৱস্থাপনাৰ অস্বীকাৰ, তাৰ পৰা পৃথক হোৱা, অনুসৰণ নকৰা সকলক কোৰাণ মজিদে ফাছিক (ভ্ৰষ্টাচাৰী) কৈছে, ৰছুলে কৰিম (ছাঃ) য়ে কৈছে যে,
যি ব্যক্তি যুগৰ ইমামৰ হাতত বয়াত নকৰি মৃত্যু বৰণ কৰিছে তেওঁ অজ্ঞতাৰ মৃত্যু বৰণ কৰিছে। (মুছলিম কিতাবুল আমাৰা)

খলিফাৰ হাতত বয়াত কৰি যদি খলিফাৰ নিৰ্দেশ মৰ্মে কৰ্ম নকৰে, সিহঁতৰ উপমা যিসকলে বয়াত কৰা নাই বা অস্বীকাৰকাৰীৰ নিচিনা হয়। অৰ্থাৎ সিহঁত দুৰ্ভাগ্যশালী হয় আৰু আল্লাহৰ গ্ৰেপ্তাৰীত আহিব।

খলিফাৰ মাধ্যমে জামাতৰ ব্যৱস্থাপনা শক্তিশালী হয়। কাৰণ জামাতৰ ব্যৱস্থাপনা খলিফাৰ তৰফৰ পৰাই নিৰ্ধাৰিত ব্যৱস্থা। এই ব্যৱস্থাপনাৰ পৰিপূৰ্ণ অনুসৰণ কৰা অতিশয় আৱশ্যকৰণীয়। তেখেতৰ সৈতে সম্পৰ্ক স্থাপিত কৰা অতি আৱশ্যকৰণীয়। তেখেতৰ বাহিৰে অইনৰ অনুসৰণ কৰা, ভালপোৱা জন সাফল্যমণ্ডিত হ'ব নোৱাৰিব। যি আল্লাহৰ দৃষ্টিত গৃহীত নহয়।

আনুগত্যৰ প্ৰথম সৌন্দৰ্য্য এয়া যে এজন মোমিন ব্যক্তি খলিফাৰ কথা যেন শ্ৰৱণ কৰে যে তেখেতৰ মুখৰ পৰা কেতিয়া কি ওলায় ? সেই চেষ্টাত সৰ্বদা মগ্ন থাকিব। কোৰাণ মজিদত মোমিন সকলৰ জামাতৰ চিহ্ন এয়া বৰ্ণনা কৰিছে যে سَمِعْنَا وَ اَطَعْنَا সিহঁতে সদায় পুণ্য কথা শুনে, বুজি পায় আৰু স্মৰণ ৰাখে আৰু এই কথাবিলাক মন প্ৰাণ দি আমল (কাৰ্য্যকৰী) কৰাৰ চেষ্টা কৰে। যি ব্যক্তি নুশুনে তেওঁ আমল কৰিব নে ?

হাদীছ শ্বৰীফত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে,

أُوۡصِيۡكُمۡ بِتَقۡوَى اللّٰهِ وَالسَّمۡعِ وَالطَّاعَةِ

(তিৰমিজি কিতাবুল ঈমান কিতাবুল আখাজা বিলছানাতা)

অৰ্থাৎ মই তোমালোকক আল্লাহৰ প্ৰতি ভয় কৰা আৰু আনুগত্য কৰাৰ উপদেশ দি আছোঁ, ইয়াৰ পৰা এয়া জানিব পৰা যায় যে তাকৰা অৰ্জনৰ দুটা ডাঙৰ সৌন্দৰ্য্য আছে কৰ্ণপাতেৰে হিদায়তসমূহ শুনা আৰু তাৰ ওপৰত আমল (কৰ্ম) কৰাক অনুসৰণ কয়। আকৌ এয়াও ৰিৱায়তৰ পৰা জানিব পৰা যায় যে নবী কৰিম (ছাঃ)য়ে কৈছে যে,

اِسۡمَعُوۡا وَاَطِيۡعُوۡا

(বুখাৰি কিতাবুল আহকাম বাবুছ ছামি ওৱাল আতাআ)

অৰ্থাৎ শুনা আৰু অনুসৰণ কৰা।

হজৰত আনছ বিন মালিকে ৰিৱায়ত কৰিছে যে আঁ-হজৰত (ছাঃ)য়ে কৈছে, শুনা আৰু অনুসৰণ কৰা,যদিও তোমাৰ মাজত এনেকুৱা হাবশ্বী গোলামক বিচাৰক বনোৱা হয় যাৰ মূৰ মানকাতকৈয়ো (কিচমিচতকৈয়ো)সৰু হয়। ( ছহী বুখাৰি, কিতাবুল আহকাম, বাব ছামাআ ওৱাল আতাআ লিলইমাম মালাম তাকুন মাছিয়াহ)

হজৰত ইবনে উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই ৰছুলে কৰিম (ছাঃ)ৰ পৰা শুনা পাইছোঁ যিয়ে আল্লাহৰ অনুসৰণ কৰে তেওঁ কিয়ামতৰ দিন সেই অৱস্থাতে মৃত্যুবৰণ কৰিব যে তাৰ ওচৰত কোনো প্ৰমাণ নাথাকিব আৰু কোনো আপত্তিও নাথাকিব; আৰু যি ব্যক্তি এই অৱস্থাত মৃত্যু বৰণ কৰিছে যে তেওঁ যুগৰ ইমামক বয়াত কৰা নাছিল তেওঁ অজ্ঞ আৰু পথভ্ৰষ্টৰ মৃত্যু বৰণ কৰিছে।

( ছহী মুছলিম কিতাবুল বাব উজুবুল মুলাজিমা জমাতুল মুছলিমায়নি)

আৰু এখন হাদিছত পোৱা যায় যে, হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আঁ-হজৰত (ছাঃ)য়ে কৈছে, দুঃখৰ সময়ত, আনন্দৰ

সময়ত অৰ্থাৎ সকলো অৱস্থাতে তোমাৰ বাবে যুগৰ বিচাৰকৰ কথা শুনিব লাগিব আৰু তেখেতৰ অনুসৰণ কৰিব লাগিব।

( ছহী মুছলিম কিতাবুল আমাৰা)

আকৌ হজৰত উবাদা বিন অলিদ নিজৰ দাদাৰ ৰিৱায়ত নিজৰ দেউতাৰ মুখৰ কথা বৰ্ণনা কৰিছে যে আমি আঁ-হজৰত (ছাঃ)ক কথা শুনাৰ বাবে বয়াত কৰিছিলোঁ। কষ্ট আৰু আৰাম, দুঃখ আৰু আনন্দ অৱস্থাতেও আমি কাজিয়া-বিবাদ নকৰিম। আল্লাহৰ বাটত আমি কোনো অশিষ্টতা কৰোঁতা জনৰ অশিষ্টতাৰ প্ৰতি ভীতিগ্ৰস্ত নহ'ম।

( ছহী মুছলিম কিতাবুল আমাৰা বাব উজুবু তাআতাল আমৰাহ ফি গাইৰি মাআছিয়াহ ওৱা তাহৰিমা ফিল মাআছিয়াহ)

এটা হাদীছত আছে যে হজৰত আব্দুল্লাহ বয়ান কৰিছে যে আঁ-হজৰত (ছাঃ)য়ে কৈছে, শুনা আৰু আনুগত্য কৰা সকলো মুছলমানৰ বাবে ফৰজ হয়; যদিওবা সেই কাম তেওঁৰ পছন্দ হওঁক বা নওঁক; সেইটোৰ বাহিৰে যিয়ে তেওঁক পাপ কৰাৰ আদেশ দিয়ে। যদি পাপ কৰাৰ আদেশ দিয়া হয় তেতিয়া অনুসৰণ আৰু অনুগত্য নকৰিব। (ছহী বুখাৰি কিতাবুল আলা আহকাম বাবুছ ছামি ওৱাল আতাআল ইমাম)

হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ) য়ে কৈছে, যিয়ে মোৰ অনুসৰণ কৰিছে সি আল্লাহৰ অনুসৰণ কৰিছে, যিজনে মোক অমান্য কৰিছে সি আল্লাহক অমান্য কৰিছে, যিজনে মোৰ আমিৰৰ আনুগত্য কৰিছে সি মোৰ আনুগত্য কৰিছে, যিজনে মোৰ আমিৰক অমান্য কৰিছে সি মোক অমান্য কৰিছে। ( ছহী মুছলিম কিতাবুল আমাৰত বাব ওজুবু তাআতাল উমৰা ফি গাইৰি মাআছিয়াহ ওৱা তাহৰিমা ফিল মাছিয়াহ)

অৰ্থাৎ এজন সত্যবাদী মোমিনৰ এই চিহ্ন যে তেওঁ আল্লাহৰ ফালৰ পৰা অহা জনৰ বা সেই খলিফাৰ হিদায়ত শুনা আৰু অনুসৰণ কৰি নিজৰ

কাৰ্যক্ষেত্ৰলৈ বাস্তবায়িত কৰা।

খিলাফত আৰু জামাতৰ ব্যৱস্থাপনাৰ আনুগত্য আৰু আমাৰ দায়িত্ব সম্পৰ্কে তলত উল্লেখিত খলিফাসকলৰ কিছুমান উপদেশাৱলী উল্লেখ কৰা হৈ আছে যাৰ পৰা এই বিষয় সমূহ প্ৰকাশিত হৈ পৰে। ওৱা বিল্লাহিত তৌফিক।

**হজৰত খলিফাতুল মছীহ ছানি (দ্বিতীয়)(ৰাঃ)য়ে কৈছে যে,**

এতিয়া আকৌ খোদা তায়লা নিজৰ কৃপাত মুছলমান সকলক দ্বিতীয় বাৰ জীৱিত কৰাৰ বাবে হজৰত মছীহ মাওউদ (আঃ)ৰ মাধ্যমে জামাত আহমদীয়াত খলিফা প্ৰতিৰ্ষ্ঠিত হৈছে এই কাৰণে মই নিজৰ জামাতক কৈ আছোঁ যে তোমাৰ কাম এয়া যে তুমি সদায় নিজকে খলিফাৰ সৈতে সম্পৰ্ক ৰাখিবা আৰু খলিফা প্ৰতিৰ্ষ্ঠিত ৰখাৰ বাবে কোৰবাণী কৰি যাব লাগিব। যদি তুমি এনেকুৱা কৰা তেতিয়া খিলাফত সদায় প্ৰতিৰ্ষ্ঠিত থাকিব। খিলাফত তোমাৰ হাতত খোদা তায়লাই প্ৰদান কৰিছে। যাতে সেইজনাই ক'ব পাৰে যে মই তেখেতক তোমাৰ হাতত দিছিলোঁ। যদি তুমি ইচ্ছা কৰা তেতিয়া এই বস্তু তোমাৰ মাজত প্ৰতিৰ্ষ্ঠিত থাকিব। যদি আল্লাহ তায়লাই ইচ্ছা কৰে সেয়া ইলহামী হিচাপে প্ৰতিৰ্ষ্ঠিত কৰিব পাৰিছিল। কিন্তু সেইজনাই এনেকুৱা কৰা নাই। অৰ্থাৎ সেইজনাই কৈছে যদি তোমালোকে খিলাফত প্ৰতিৰ্ষ্ঠিত ৰাখিব বিচৰা তেন্তে মইয়ো তেখেতক প্ৰতিৰ্ষ্ঠিত ৰাখিম। অৰ্থাৎ সেইজনাই তোমাৰ মুখৰ পৰা ক'বলৈ দিছে যে তুমি খিলাফত বিচৰা নে নিবিচৰা ? যদি তুমি নিজৰ মু বন্ধ ৰখা, বা খলিফাৰ নিৰ্বাচনৰ প্ৰতি দৃষ্টি নাৰাখা তেন্তে তুমি এই নিয়ামত (পুৰস্কাৰ) হেৰাই পেলাবা। গতিকে মুছলমান সকলৰ ধ্বংসাত্মক অৱস্থাৰ প্ৰতি চিন্তা-ভাৱনা কৰা; আৰু  নিজকে মৃত্যুৰ চিকাৰৰ পৰা বচোৱা, তোমাৰ জ্ঞান বৃদ্ধি পোৱা দৰকাৰ, আৰু তোমাৰ উৎসা উচ্চ হোৱা দৰকাৰ। তুমি সেই দ্বীপ নহ'বা যাক নদীয়ে ভাঙি পেলায়। অৰ্থাৎ তুমি সেই চেনেল হৈ যোৱা যিয়ে পানী সহজে অতিক্ৰম কৰি লৈ যাব পাৰে, তুমি এটা টানল

(নদ) হোৱা যাৰ কাম এয়া যে ঐশ্বৰিক সফলতা যি ৰছুলে কৰিম (ছাঃ)ৰ মাধ্যমে অৰ্জিত হৈছে সেয়া আগবাঢ়ি লৈ যাব পাৰা, যদি তুমি এনে কৰাত সফল লাভ কৰিছা তেনেহলে তুমি এনেকুৰা জাতিত পৰিণত হ'বা যি কেতিয়াও মৃত নহয়। আৰু যদি এই ঐশ্বৰিক শক্তিৰ সন্মুখত বাধা হৈ যোৱা আৰু তাৰ বাটত পাথৰ হৈ থিয় হোৱা তেতিয়া তোমাৰ জাতিৰ ধ্বংসৰ কাৰণ হৈ পৰিব। আকৌ তোমাৰ বয়স কেতিয়াও বৃদ্ধি নাপাব; আৰু তুমি তেনেকুৰা ভাৱে মৃত্যু বৰণ কৰিবা যেনেকুৰা পূৰ্বৰ জাতিসমূহ মৃত্যু বৰণ কৰিছে। ( তফছিৰ ছুৰাতুন নমল, তফছিৰে কবিৰ জিলদ সপ্তম পৃঃ ৪২৯-৪৩০)

তোমাৰ ফৰজ হয় যেতিয়া তোমাৰ কাণত খোদা তায়লাৰ ৰছুলৰ আহ্বান আহে তৎক্ষণাত তাৰ উত্তৰ দিয়া আৰু তাক কাৰ্যকৰী কৰাৰ বাবে দৌৰি যোৱা তাতেই তোমালোকৰ উন্নতি নিহিত আছে। যদি কোনোবা নমাজ পঢ়া অৱস্থাত থাকে আৰু সেই সময়ত যদি খোদা তায়লাৰ ৰছুলৰ ফালৰ পৰা মাত আহে তেতিয়া তেওঁৰ কাৰণে ফৰজ হয় যে নমাজ এৰি ৰছুলৰ কথাৰ উত্তৰ দিয়া। এই একেই আদেশ ৰছুলৰ খলিফাৰ ওপৰত ন্যস্ত। আৰু তেখেতৰ আহ্বানত একত্ৰিত হৈ যোৱা উচিত।

( তকৰিৰ মনচব খিলাফত বাহাৱালা নিজামে খিলাফত কি বৰকাত আউৰ হামাৰি জিম্মাদাৰীয়া পৃঃ ৪২)

যি জামাত শক্তিশালী হয় সিহঁতৰ ওপৰত কিছুমান কাম ন্যস্ত হয় যাৰ বাহিৰে সিহঁতে কামত সঠিক পদ্ধতি অৱলম্বন কৰিব নোৱাৰে। এই চৰ্ত আৰু দায়িত্বৰ মাজত এটা গুৰুত্বপূৰ্ণ চৰ্ত আৰু দায়িত্ব এয়া যে যেতিয়া তেওঁ ইমামৰ হাতত বয়াত কৰে তেতিয়া তেওঁ ইমামৰ মুখৰ ফালে চাই থাকিব লাগে যে তেখেতে কি কয় আৰু তেখেতৰ খোজ উঠোৱাৰ পিছত নিজৰ খোজ উঠাব লাগে। ইমামৰ স্থান এয়া যে তেখেতে আদেশ দিয়ে আৰু অনুসৰণকাৰীৰ স্থান এয়া যে সিহঁতে তাক বাধ্যতামুলক কৰি লোৱা। (আলফজল ৫ জুন ১৯৩৭ বাহাৱালা নিজামে খিলাফত কি বৰকাত আউৰ হামাৰি জিম্মাদাৰীয়া

পৃঃ ৪২,৪৩)

এই কথা ভালদৰে স্মৰণ ৰাখিবা, খলিফা আল্লাহৰ ৰচি হয় আৰু এনেকুৰা ৰচি হয় যাক ধৰি তুমি উন্নতি লাভ কৰিব পাৰা। তেখেতক যিজনে এৰি দিব সি ধ্বংস হৈ যাব। ( দৰছুল কুৰান বয়ান ফৰমুদা এক মাৰ্চ চন ১৯১২ বাহাৰালা দৰছুল কুৰাণ পৃঃ ৬৭-৮৪ মতবুৰা কাদিয়ান নৱেম্বৰ চন ১৯১২)

আমাৰ এয়া বিশ্বাস যে খিলাফত ইছলামৰ এটা গুৰুত্বপূৰ্ণ অংশ। আৰু যিয়ে ইয়াৰ দুষ্কৃতি কৰে তেওঁ ইছলামৰ সৈতে দুষ্কৃতি কৰে। যদি আমাৰ এই বিশ্বাস সঠিক হয় তেতিয়া যিসকল মানুহে এই বিশ্বাসক মানি লৈছে সিহঁতৰ কাৰণে اَلْإِمَامُ جُنَّةٌ يُقَاتَلُ مِنْ وَّرَائِهٖ ৰ নিৰ্দেশ বিৰাট ডাঙৰ গুৰুত্ব ৰাখে। কাৰণ খলিফাৰ উদ্দেশ্য এয়া যে মুছলমানসকলক ঐক্যবদ্ধ ভাৱে আমল কৰোৱা আৰু একজোটৰ ধাৰণা সৃষ্টি কৰোৱা। ঐক্যবদ্ধ ভাৱে আমল আৰু একজোটৰ ধাৰণা তেতিয়াই সৃষ্টি হ'ব পাৰে যেতিয়া খলিফাৰ হিদায়তৰ ওপৰত পৰিপূৰ্ণ ভাৱে কৰ্ম কৰোঁতা হয়। যেনেকুৰা নমাজত ইমামৰ ৰুকুৰ সৈতে ৰুকু আৰু ক্বিয়ামৰ সৈতে ক্বিয়াম আৰু ছিজদাৰ সৈতে ছিজদা কৰা। এইদৰে যুগৰ খলিফাৰ ইঙ্গিতত গোটেই জামাত পৰিচালিত আৰু তেখেতৰ নিৰ্দেশৰ বাহিৰে যোৱাৰ চেষ্টা যেন নকৰে। নমাজৰ ইমাম মাথোন অলপ সংখ্যক অনুসৰণকাৰীৰ ইমাম হয়। ৰছুলে কৰিম (ছাঃ)য়ে এই সম্পৰ্কে কৈছে যে তেখেতৰ ৰুকু আৰু ছিজদাত যোৱাৰ পূবেই যিজনে ৰুকু আৰু ছিজদাত যায় বা তাৰ মূৰ উঠায় সি পাপী। যি ব্যক্তি গোটেই জাতিৰ ইমাম আৰু তেখেতৰ হাতত সকলোৱে বয়াত কৰিছে সেই কাৰণে তেখেতৰ আনুগত্য কিমান আৱশ্যকৰণীয়। গতিকে সকলোৱে তেখেতৰ ইঙ্গিতত চলিব; আৰু তেখেতৰ হিদায়ত কিছু পৰিমাণেও সাল-সলনি নহয়। যেতিয়া তেখেতে নিৰ্দেশ দিয়ে থমি যোৱা, তেতিয়া থমি যোৱা, আৰু যেতিয়া তেখেতে আদেশ দিয়ে আগবাঢ়ি যোৱা, তেতিয়া আগবাঢ়ি যোৱা। ( আনুৱাৰুল উলুম জিলদ

১৪, পৃঃ ৫১৫-৫১৬ কিয়ামে আমন আউৰ কানুন কি পাবন্ধী কে মুতাল্লিক জামাতে আহ্মদীয়া কা ফৰজ)

কৈছে,

সেই শাখা হ'ব ফলৱন্ত যি গছৰ সৈতে সম্পৰ্কযুক্ত। কটা হোৱা শাখা ফলৱন্ত হ'ব নোৱাৰে যি গছৰ পৰা পৃথক। এই ভাৱে সেই ব্যক্তি ছিলছিলাৰ কামত আহিব পাৰে যিজনে নিজকে ইমামৰ সৈতে সম্পৰ্কযুক্ত ৰাখে। যদি কোনো ব্যক্তি ইমামৰ সৈতে সম্পৰ্ক নাৰাখে যদিওবা তেওঁ পৃথিৱীত অতি জ্ঞানী সি সিমানখিনি কাম কৰিবও নোৱাৰিব যিমানখিনি ছাগলীৰ পোৱালীয়ে কৰিব পাৰে। যদি তুমি উন্নতি কৰিব খোজা আৰু পৃথিৱীৰ বুকুত জয় লাভ কৰিব খোজা  তেতিয়া মই তোমাক উপদেশ দিওঁ আৰু মোৰ এই পয়গাম যে আপুনি খলিফাৰ সৈতে সম্পৰ্কযুক্ত হৈ যাওঁক; আৰু  আল্লাহৰ ৰচি শক্তিশালীৰে ধৰি ৰাখক। আমাৰ সকলোবোৰ উন্নতি খলিফাৰ সৈতে সম্পৰ্ক থকাৰ ফলতহে সৃষ্টি হ'ব পাৰিব। (আল ফজল ইণ্টাৰ নেশ্বনাল ২৩ ৰ পৰা ৩০ মে চন ২০০৩ পৃঃ ১)

যি জামাত শক্তিশালী হয় সিহঁতৰ ওপৰত কিছুমান কাম ন্যস্ত হয় যাৰ বাহিৰে সিহঁতে কামত সঠিক পদ্ধতি অৱলম্বন কৰিব নোৱাৰে। এই চৰ্ত আৰু দায়িত্বৰ মাজৰ এটা গুৰুত্বপূৰ্ণ চৰ্ত আৰু দায়িত্ব এয়া যে যেতিয়া তেওঁ ইমামৰ হাতত বয়াত কৰে তেতিয়া তেওঁ ইমামৰ মুখৰ ফালে চাই থাকিব লাগে যে তেখেতে কি কয় আৰু তেখেতৰ খোজ উঠোৱাৰ পিছত নিজৰ খোজ উঠাব লাগে; আৰু সদস্য বৃন্দ সকলক এনেকুৱা কামৰ অংশী হ'ব নালাগে যাৰ প্ৰভাৱ গোটেই জামাতৰ ওপৰত পৰে আৰু ইমামৰ প্ৰয়োজনেই নপৰে। ইমামৰ স্থান এয়া যে তেখেতে নিৰ্দেশ দিয়ে আৰু অনুসৰণকাৰীৰ স্থান এয়া যে সিহঁতে তাক বাধ্যতামুলক কৰি লোৱা। ( আলফজল ৫ জুন চন ১৯৩৭ পৃঃ ১,২)

খলিফা শিক্ষক হয় আৰু জামাতৰ প্ৰত্যেক ব্যক্তি ছাত্ৰ হয়। যি শব্দই

খলিফাৰ মুখৰ পৰা ওলায় তাৰ ওপৰত আমল কৰিব লাগে। (আল ফজল ২ মাৰ্চ চন ১৯৪৬)

হে বন্ধু ! জাগি উঠা আৰু নিজৰ স্থানক বুজি লোৱা, আৰু আনুগত্যৰ আদৰ্শ দেখুৱা যাৰ উদাহৰণ পৃথিৱীৰ পৰ্দাত আৰু দেখিবলৈ পোৱা নাযায় আৰু বিশেষ কৰি ভৱিষ্যতলৈ চেষ্টা কৰা যাতে ১০০ ৰ মাজত ১০০ জনেই পৰিপূৰ্ণ আনুগত্যৰ আদৰ্শ দেখুৱাব পাৰা, আৰু ইয়াৰ পৰা কোনোবাৰ শৰীৰ বাহিৰত যেন নাযায় যাক আল্লাহ তায়লাই তোমালোকৰ সুৰক্ষাৰ বাবে নিৰ্ধাৰিত কৰিছে; আৰু اَلْاِمَامُ جُنَّةٌ يُقَاتَلُ مِنْ وَّرَائِهٖ ৰ ওপৰত এনেকুৱা কৰ্ম কৰা যাতে মহম্মদ (ছাঃ)ৰ আত্মা তোমালোকৰ কাৰণে উৎফুল্লিত হৈ উঠে। (আনোৱাৰুল উলুম জিলদ ১৪ পৃঃ ৫২৫)

খিলাফতৰ অৰ্থই হ'ল যে যেতিয়া খলিফাৰ মুখৰ পৰা কোনো শব্দ ওলায় তেতিয়া নিজৰ সকলো ধৰণৰ স্কীম আৰু কৌশল দলিয়াই দিব লাগে আৰু বুজি লোৱা উচিত যে এতিয়া এই স্কীম আৰু কৌশলেই আমাৰ বাবে লাভদায়ক হয়, যি খলিফাৰ ফালৰ পৰা নিৰ্দেশ জাৰি হৈছে। যেতিয়ালৈকে এনকুৱা আত্মা জামাতৰ মাজত সৃষ্টি নহয় সেই সময়লৈকে সকলো খোতবা, সকলো ধৰণৰ স্কীম,মিছা আৰু সকলো ধৰণৰ কৌশল অসফল। (খোতবা জুমা ২৪ জানুৱাৰী চন ১৯৩৬ মনদৰজা আল ফজল ৩১ জানুৱাৰী চন ১৯৩৬ পৃঃ ৯)

ইমাম আৰু খলিফাৰ প্ৰয়োজন এই কাৰণে হয় মোমিন সকলে যেতিয়াই কোনো খোজ উঠায় তেখেত সকলৰ আনুগত্যত খোজ উঠায়। আৰু নিজৰ চাহিদাৰ ইচ্ছা তেখেতৰ ইচ্ছাৰ আনুগত্যত হয়। নিজৰ কৌশল তেখেতৰ কৌশলৰ অনুসৰণত হয়। নিজৰ ইচ্ছা তেখেতৰ ইচ্ছাৰ আনুগত্যত হয়। নিজৰ বস্তুবিলাক তেখেতৰ বস্তুবিলাকৰ অনুসৰণত হয়। যদি মোমিন সকল এই স্থানত থিয় হৈ যায় তেতিয়া সিহঁতৰ বাবে সফলতা আৰু বিজয় নিশ্চিত। ( আলফজল ৪ চেপ্তেম্ভৰ চন ১৯৩৭ বাহাৱালা নিজামে খিলাফত

কি বৰকাত আউৰ হামাৰি জিম্মাদাৰিয়া পৃঃ ৪৪,৪৫)

স্মৰণ কৰা, ঈমান সেই বস্তুৰ নাম হয় যে খোদা তায়লাই প্ৰতিষ্ঠিত কৰা প্ৰতিনিধিৰ মুখৰ পৰা যিবোৰ শব্দ ওলায় তাৰ অনুসৰণ আৰু মান্য কৰাক বুজায়। (আলফজল ১৫ ডিচেম্বৰ চন ১৯৯৪ বাহাৱালা নিজামে খিলাফত কি বৰকাত আউৰ হামাৰি জিম্মাদাৰিয়া পৃঃ ৪৫)

এহেজাৰ বাৰ কোনোবাই যদি কয় যে মই মছীহ মাওউদ (আঃ)ৰ ওপৰত ঈমান আনিছোঁ। এহেজাৰ বাৰ যদি কোনোবাই কয় মই আহমদীয়তৰ ওপৰত ঈমান ৰাখো। আল্লাহ তায়লাৰ ওচৰত সিহঁতৰ দাবী মূল্যহীন, যেতিয়ালৈকে সেইজন ব্যক্তি তেখেতৰ হাতত বয়াত নকৰে যাৰ মাধ্যমে খোদা তায়লা ইছলাম প্ৰতিষ্ঠিত কৰিব বিচাৰে। যেতিয়া লৈকে জামাতৰ প্ৰত্যেক ব্যক্তি উন্মাদৰ নিচিনা তেখেতৰ আনুগত্য নকৰিব; আৰু যেতিয়া লৈকে তেখেতৰ অনুসৰণত নিজৰ জীৱন অতিবাহিত নকৰিব সেই সময়লৈকে তেওঁ কোনো ধৰণৰ ফজলৰ বা কৃপাৰ ভাগীদাৰী হ'ব নোৱাৰিব। (আল ফজল ১৫ নৱেম্বৰ চন ১৯৪৬)

যদিও মই নবী কিন্তু নবীৰ খোজত আৰু তেখেতৰ স্থানত মই থিয় হৈছোঁ প্ৰত্যেক সেই ব্যক্তি যিয়ে মোৰ অনুসৰণৰ পৰা পৃথক হয়, তেওঁ নিশ্চিত ভাৱে নবীৰ অনুসৰণৰ পৰা পৃথক হয়——- মোৰ অনুসৰণত খোদা তায়লাৰ অনুসৰণ আৰু মান্যকাৰী হয়। (আল ফজল ৪ চেপ্তেম্বৰ চন ১৯৩৭)

খলিফা যি কথাৰ নিৰ্দেশ দিয়ে তাক অমান্য কৰা এনেকুৱাই অবাধ্যতা কৰা যেনেকুৱা খোদা তায়লা আৰু তাৰ ৰছুলক অমান্য কৰা। যদিওবা তাৰ কোনো শাস্তি চৰিয়তে নিৰ্ধাৰিত কৰা নাই কিন্তু মোমিন সকলৰ বাবে অমান্য কৰা নিজৰ সীমাত শাস্তি হয়। খলিফাৰ নিৰ্দেশ অমান্য কৰা নিজৰ ভিতৰতে এক শাস্তি হয়। আচল শাস্তি এয়াই হয়। বেলেগ শাস্তি সংশোধনৰ বাবে দিয়া হয়; নতুবা আল্লাহৰ নিৰ্ধাৰিত ছিলছিলা আৰু খলিফাক অমান্য কৰাতকৈ বেছি আৰু কি শাস্তি হ'ব পাৰে। আল্লাহ তায়লা আৰু তাৰ ৰছুলক বেজাৰ

কৰা নিজৰে কাৰণে বহুত ডাঙৰ শাস্তি হয়। দোজখৰ শাস্তিৰ অৰ্থ হয় আল্লাহ্ তায়লা বেজাৰ। অৰ্থাৎ ৰছুলৰ নিৰ্দেশ অমান্য কৰাত কোনো শাস্তি নিৰ্ধাৰিত নাই কিন্তু সেয়া এক নিৰ্দেশই হয়। (ৰিপোৰ্ট মজলিছে মুশ্বাৰৰাত চন ১৯৪২ পৃঃ ২৫) (খিলাফত আলা মিনহাজুন নবুৱাহ জিলদ ৩ পৃঃ ৫৫৮)

খোদা তায়লা আকৌ নিজৰ কৃপাৰে মুছলমান সকলক দ্বিতীয়বাৰ জীৱিত কৰাৰ কাৰণে হজৰত মছীহ মাওউদ (আঃ)ৰ জৰিয়তে জামাতে আহমদীয়াত খলিফা প্ৰতিৰ্ষ্ঠিত কৰিছে এই কাৰণে মই নিজৰ জামাতক কওঁ যে তোমাৰ কাম এয়া যে তুমি সদায় খলিফাৰ সৈতে সম্পৰ্ক স্থাপন কৰিবা আৰু খলিফা প্ৰতিৰ্ষ্ঠিত ৰখাৰ বাবে কোৰবাণী কৰি যাবা। যদি তুমি এনেকুৱা কৰা খিলাফত সদায় তোমাৰ মাজত প্ৰতিৰ্ষ্ঠিত থাকিব। (তফছিৰে কাবিৰ জিলদ ৭ পৃঃ ৪৩০) ( খিলাফত আলা মিনহাজুন নবুৱা জিলদ ৩ পৃঃ ৪৭৮)

হজৰত খলিফাতুল মছীহ আল খামিছ (পঞ্চম খলিফা) (আইঃ) য়ে কয় যে, খলিফা খোদা তায়লাই নিৰ্ধাৰিত কৰে; আৰু সেইজনাই সিহঁতৰ ভীতি আঁতৰ কৰে। যি ব্যক্তি আনৰ ইচ্ছানুযায়ী সদায় এজন চাকৰৰ নিচিনা কাম কৰে তেওঁৰ কাৰণে কি ভয় থাকিব পাৰে আৰু এক ঈশ্বৰবাদী হোৱাৰ কোনো কথা থাকিব পাৰেনে? খলিফা সকলক খোদা তায়লা প্ৰতিৰ্ষ্ঠিত কৰে আৰু মানুহৰ ভীতি শান্তিত পৰিৱৰ্তন কৰি দিয়ে আৰু সিহঁতে খোদা তায়লাৰ উপাসনা কৰে আৰু কোনোবাক তাৰ সৈতে অংশী নাপাতে। কৈছে যে নবীক যদি কোনোবাই অমান্য কৰে তেতিয়া তেওঁৰ নবুয়তত কোনো পাৰ্থক্য নপৰে তেখেত নবী হৈয়ে থাকে। একেই অৱস্থা খলিফাৰ, যদি তেখেতক সকলোৱে এৰি দিয়ে তথাপিও তেখেত খলিফাই হয়। কাৰণ যি নিৰ্দেশ মূলৰ বাবে হয় তাৰ শাখাৰ বাবে একেই নিৰ্দেশ।স্মৰণ ৰখা যি জন মাথোন শাসনৰ বাবে খলিফা হৈছে তেন্তে তেওঁ মিছলীয়া আৰু যদি সংশোধনৰ বাবে খোদা তায়লাৰ সন্তুষ্টি অৰ্জনাৰ্থে কাম কৰে তেতিয়া

তেওঁ খোদা তায়লাৰ প্ৰিয় হয় যদিওবা গোটেই পৃথিৱী তেখেতৰ শত্ৰু হৈ যায়। (মনচব খিলাফত আনুৱাৰুল উলুম জিলদ ২ পৃঃ ৫৩,৫৪)
( খুতবাতে মছৰুৰ জিলদ ২ পৃঃ ২০১-২০২ মতবুৱা কাদিয়ান চন ২০০৫)

আপোনালোকৰ ফৰজ হয় যে আল্লাহ তায়লাৰ এই মহান অনুগ্ৰহৰ সন্মান কৰক আৰু তেখেতৰ ওপৰত খোদা তায়লাৰ ধন্যবাদ জ্ঞাপন কৰক। যুগৰ খলিফা আৰু জামাতৰ ব্যৱস্থাপনাৰ সৈতে ভালপোৱা আৰু অনুসৰণ কৰা অবিচ্ছিন্ন হোৱা সম্পৰ্ক আৰু এই কথা আপোনাৰ বাবে সন্মান জনক হোৱা উচিত। আল্লাই কৰক আপুনি পুণ্য, তাকৱা (আল্লাহৰ ভীতি),বিশুদ্ধতা আৰু আনুগত্যৰ মহান আদৰ্শবান হ'ব পাৰে। মই আপোনাক নিশ্চিত কৰো যে যদি আপুনি তাকৱাৰ (আল্লাহৰ ভীতিৰ) ওপৰত প্ৰতিষ্ঠিত থাকে; আৰু খলিফাৰ সৈতে ভালপোৱা,মৰম স্নেহ থাকে আৰু জামাতৰ ব্যৱস্থাপনা আৰু খিলাফতে আহমদীয়াৰ অনুসৰণ আৰু সন্মান নিজৰ হৃদয়ত স্থান দিয়ে তেন্তে আপুনি আল্লাহ তায়লাৰ সেই চিৰস্থায়ী পুৰস্কাৰৰ ভাগীদাৰী হ'ব যাৰ প্ৰতিশ্ৰুতি আল্লাহ তায়লাই কোৰাণ কৰিমত নিজৰ বিশ্বাসী ভৃত্য সকলৰ সৈতে কৰিছে। সেইজনাৰ বৰকতত ধৰ্ম আৰু দুনিয়াও ফলৱন্ত হ'ব; আৰু তাৰ কল্যাণৰ ফলত আপোনাৰ ভীতি সদায় শান্তিত পৰিণত কৰিব; কিন্তু তাৰ সৈতে উপাসনা আৰু সজ কাম কৰাৰ চৰ্ত আছে। সেয়া উপলব্দি কৰক আৰু যুগৰ খলিফাৰ আহ্বানৰ প্ৰত্যুত্তৰ দিয়া তেতিয়া সফলতাই তোমাৰ ভৰি চুম্বন কৰিব। আৰু ইহকাল আৰু পৰকালত উন্নতি সাধন হ'ব। ইনশা আল্লাহ- আল্লাহ তায়লা আপোনালোকক মোৰ এই উপদেশাৱলীৰ ওপৰত কাৰ্যকৰি কৰাৰ তৌফিক দান কৰক, আৰু আপোনাক এই পৱিত্ৰ বস্তিৰ (গাওঁৰ) হক (অধিকাৰ) পালনকাৰী বনাওঁক। আমিন-

( ৰিছালা আনচাৰুল্লাহ কাদিয়ান, খিলাফতে আহমদীয়া ছদ ছালা জুবলি নম্বৰ চন ২০০৮ পৃঃ ২৯)

স্মৰণ কৰা ! যদি এই দাবী হয় যে আপোনাক খোদা তায়লাৰ সন্তুষ্টি অৰ্জনাৰ্থে

খলিফাৰ সৈতে ভালপোৱা আছে তেতিয়া জামাতৰ ব্যৱস্থাপনা যি জামাতৰ খলিফাৰে অংশ হয় তাৰ পৰিপূৰ্ণ অনুসৰণ কৰক। (আল ফজল ইণ্টাৰনেশ্বনাল ১৫ জুলাই চন ২০০৫)

আল্লাহ আৰু ৰছুলৰ অনুসৰণ এয়া যে জামাতৰ ব্যৱস্থাপনাৰ আৰু পদবীধাৰী সকলৰ অনুসৰণ কৰা, সিহঁতৰ নিৰ্দেশাৱলীক মান্য কৰা,সিহঁতৰ সিদ্ধান্তক মান্য কৰা। যদি এই সিদ্ধান্ত ভুল হয় তেতিয়া আল্লাহ তায়লা তোমাৰ ধৈৰ্যৰ ফল প্ৰদান কৰিব। কাৰণ তুমি শেষ বিচাৰৰ দিনত বিশ্বাস ৰাখা তেতিয়া সেয়া আল্লাহৰ ওপৰত এৰি দিয়ক। তোমাৰ এইটো অনুমতি নাই যে নিজৰ বিৰোধীতাত অটল হৈ থাকা। তোমাৰ কাম মাথোন অনুসৰণ, অনুসৰণ,অনুসৰণ।(খুতবাতে মছৰুৰ জিলদ ১ পৃঃ ২৫৮-২৬৬)

এতিয়া আঁ-হজৰত (ছাঃ)ৰ সত্য গোলামৰ আৰু খলিফাৰ অনুসৰণত আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জন কৰিব পৰা যায়; তাৰ বাহিৰে অইন কোনো বাট নাই। আল্লাহ তায়লা সকলো আহমদীসকলক এয়া বুজাৰ তৌফিক দান কৰক। এই আদৰ্শ আৰু মৰম স্নেহ আৰু আনুগত্যৰ সম্পৰ্ক বৃদ্ধি কৰক যাতে অনতি পলমে আমি পৃথিৱীত আঁ-হজৰত (ছাঃ)ৰ পতাকা দাঙি ধৰি পৃথিৱীত ইছলামৰ শাসন প্ৰতিৰ্ষ্ঠিত কৰিব পাৰো। ( আল ফজল ইণ্টাৰনেশ্বনাল ১২ জুনৰ পৰা ১৮ জুন চন ২০১৫ পৃঃ ১০)

নিজকে হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে সম্পৰ্কযুক্ত কৰি তাৰ পিছত খলিফাৰ পৰিপূৰ্ণ অনুসৰণ কৰা সকলোতকৈ বেছি প্ৰয়োজন। এই বস্তুয়ে জামাতক শক্তিশালী আৰু আধ্যাত্মিক উন্নতি প্ৰদান কৰিব। খলিফাৰ সঠিক পৰিচয়,আৰু তাৰ সঠিক জ্ঞান এনেকুৱা ভাৱে জামাতৰ মাজত সৃষ্টি হৈ যোৱা উচিত যে খলিফাৰ প্ৰত্যেক সিদ্ধান্তক আনন্দৰ সৈতে গ্ৰহণ কৰা উচিত আৰু কোনো ধৰণৰ বাধা হৃদয়ত যেন নজন্মে, কোনো কথা শুনি উফন্দি নুঠিব— যুগৰ খলিফাৰ সকলো অৱস্থাতে অনুসৰণ আৰু ব্যৱস্থাপনাৰ আনুগত্য কৰাটো গুৰুত্বপূৰ্ণ, আৰু প্ৰত্যেকৰ ওপৰত এই

গুৰুত্ব যেন প্ৰকাশ্য যেন হৈ যায় ( খুতবা জুমা ফৰমুদা ৩১ জানুৱাৰী চন ২০১৪, আল ফজল ইণ্টাৰনেশ্বনাল ১২ জুনৰ পৰা ১৮ জুন চন ২০১৫ পৃঃ ১০)

প্ৰত্যেক জামাতি সদস্য সকলৰ বাবে প্ৰয়োজনীয় যে সিহঁতে যেন খলিফাৰ পৰিপূৰ্ণ ভাৱে অনুসৰণ কৰে। যেতিয়া প্ৰত্যেকেই পৰিপূৰ্ণ ভাৱে অনুসৰণ কৰিব তেতিয়া আধ্যাত্মিক উন্নতিৰ ফালে আমাৰ খোজ আগবাঢ়িব। ইনশা আল্লাহ- (খুতবা জুমা ফৰমুদা ০৬ জুন চন ২০১৪,আলফজল ইণ্টাৰনেশ্বনাল ১২ জুনৰ পৰা ১৮ জুন চন ২০১৫ পৃঃ ১১)

প্ৰত্যেকৰ বাবে নিজৰ আনুগত্য জোখাৰ শ্ৰেণী এয়া যে অন্তৰত জ্যোতি সৃষ্টি হৈ আছেনে ? অনুসৰণৰ ফলত আত্মা সন্তুষ্টি হৈ আছেনে ? পোহৰ অৰ্জন হৈ আছেনে ? যদি প্ৰত্যেকেই নিজে নিজে চিন্তা-ভাৱনা কৰে তেতিয়া নিজেই নিজৰ আনুগত্যৰ পৰিমাণ জানিব পাৰিব যে কি পৰিমাণে তেওঁ অনুসৰণ কৰি আছে। কি পৰিমাণে ৰছুলৰ অনুসৰণ কৰি আছে আৰু কি পৰিমাণে হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰতিৰ্ষ্ঠিত খিলাফতৰ ব্যৱস্থাপনাৰ অনুসৰণ কৰি আছে। যদি আল্লাহ আৰু তাৰ ৰছুলৰ অনুসৰণৰ পিছত কোনো জ্যোতি প্ৰাপ্ত নহয়, তেখেতে কৈছে কোনো লাভ নাই। যুগৰ শাসনৰ অনুসৰণৰ ফলত শান্তি আৰু নিৰাপত্তা সৃষ্টি হৈ যাব। কিন্তু আধ্যাত্মিক পোহৰ আৰু আধ্যাত্মিক ব্যৱস্থাপনাৰ আনন্দ অনুসৰণৰ ফলতহে সৃষ্টি হয়। ( খুতবা জুমা ফৰমুদা ৫ ডিচেম্বৰ চন ২০১৪, আলফজল ইণ্টাৰনেশ্বনাল ১২ জুনৰ পৰা ১৮ জুন, চন ২০১৫ পৃঃ ১১)

স্মৰণ কৰা, আমিৰ, ছদৰ আৰু পদবীধাৰী আৰু জিলি তনজিমৰ পদবীধাৰী সিহঁত সকলোৱে যুগৰ খলিফাৰ নিৰ্ধাৰিত ব্যৱস্থাপনাৰে এটা অংশ, আৰু যুগৰ খলিফাৰে নুমাইনদা (প্ৰতিনিধি) হয়। সেই কাৰণে সিহঁতৰ চিন্তা-ভাৱনা নিজৰ কামৰ ফৰজ আদায় কৰাৰ বাবে সেনেকুৱা বাবেই চলিব যেনেকুৱা যুগৰ খলিফাৰ; আৰু হিদায়তসমূহৰ ওপৰত আমল কৰা

উচিত যিবিলাক মৰকজৰ (কেন্দ্ৰৰ) ফালৰ পৰা প্ৰেৰণ কৰা হয়। যদি এনেকুৱা কৰা নাই তেতিয়া নিজৰ দায়িত্বৰ অধিকাৰ পালন কৰা নাই, আৰু ন্যায়সঙ্গত যি কৰা উচিত সেয়া পূৰ্ণ কৰা নাই। (খুতবাতে মছ্‌ৰূৰ জিলদ ২ পৃঃ ৯৫১)

হুজুৰ আনোৱাৰ (আইঃ)য়ে শুৰাৰ নুমাইনদা (পৰামৰ্শ সভাৰ প্ৰতিনিধি) আৰু বেলেগ কাৰ্যকৰ্তা সকলক যুগৰ খলিফাৰ অনুসৰণৰ ফালে মনোযোগ আকৰ্ষণ কৰি কয় যে, শুৰাৰ সিদ্ধান্তৰ ওপৰত কাৰ্যকৰী কৰোৱা শুৰাৰ নুমাইনদা (প্ৰতিনিধি) সকল আৰু পদবীধাৰী সকলৰ কাম। কাৰণ এই সিদ্ধান্ত যুগৰ খলিফাৰ পৰা মঞ্জুৰী লোৱা হয়। এই কাৰণে যদি এইবিলাকৰ ওপৰত কাৰ্যকৰী কৰোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰা নাই তেনেহলে খলিফাৰ সিদ্ধান্তৰ ওপৰত অনুতাপ বিহীন হৈ অমনোযোগী হৈছে। ইয়াৰ অৰ্থ এয়া যে আনুগত্য সীমাৰ ভিতৰত নাথাকে, অৰ্থাৎ যিসকলৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছে সিহঁতে অনুসৰণৰ উন্নত আদৰ্শ দেখুওৱা উচিত। যি অইনৰ বাবে আদৰ্শস্বৰূপ প্ৰমাণ হয়। অৰ্থাৎ খিদমত কৰাৰ যি সুযোগ প্ৰদান হৈছে সেয়া মাথোন সন্মান আৰু আনন্দৰ স্থান নেভাৱিবা বৰ আনন্দৰ বিষয় আৰু সন্মানৰ কথা এয়া যে আমি সেৱা আগবঢ়োৱাৰ সুযোগ পাইছোঁ। তাৰ সৈতে যেতিয়া উন্নত ধৰণৰ তাকৱা প্ৰতিষ্ঠিত থাকিব, তেতিয়া এয়া সন্মান আৰু আনন্দৰ বিষয় হ'ব। আল্লাহ তায়লা সকলোকে তাকৱাৰ ওপৰত প্ৰতিষ্ঠিত ৰাখি নিজৰ দায়িত্ব পালন কৰাৰ তৌফিক দান কৰক; আৰু গোটেইবিলাক মানুহ যিসকলে জামাতৰ খেদমত কৰাৰ সুযোগ পাইছে সিহঁতে খলিফাৰ সৈতে সম্পৰ্কযুক্ত যেন হৈ থাকে। (খুতবাতে মছ্‌ৰূৰ জিলদ ৪ পৃঃ ১৬৫-১৬৬, মতবুৱা কাদিয়ান ২০০৫)

খিলাফতৰ ব্যৱস্থাপনাৰ পৰিপূৰ্ণ আনুগত্যৰ বাবে এয়া প্ৰয়োজন যে জামাতৰ সদস্য বৃন্দসকলে শুৰাৰ ব্যৱস্থাপনাৰ লাভালাভৰ বিষয়টো বুজি লওঁক যে শুৰাৰ বৈঠকত জামাতৰ উন্নতিৰ বাবে যিবিলাক কৌশল নিজৰ

নুমাইনদা (প্ৰতিনিধি) সকলৰ দ্বাৰা যুগৰ খলিফাৰ ওচৰলৈ প্ৰেৰণ কৰা হয়, সেয়া যেন জামাত আৰু ছিলছিলাৰ বাবে লাভদায়ক হয়। আকৌ সেই কৌশল মতে কাৰ্যকৰী কৰি যুগৰ খলিফাৰ পৰিপূৰ্ণ ভাৱে অনুসাৰী হ'ব পাৰে। এই বিষয়ে হুজুৰ আনোৱাৰ (আইঃ)য়ে শুৰাৰ সদস্য সকলক নিজৰ স্থান বুজাৰ আৰু যুগৰ খলিফাৰ অনুসৰণ কৰাৰ প্ৰতি আকৃষ্ট কৰি কয় যে, যেতিয়া জামাতি কামৰ বাবে যুগৰ খলিফাৰ ফালৰ পৰা ব্যৱস্থাপনাৰ ফালে আহ্বান কৰা হয় যে পৰামৰ্শ আগবঢ়োৱাৰ বাবে, তেতিয়া কিমান সতৰ্কতা অৱলম্বন কৰা উচিত। শুৰাৰ বৈঠকত যেতিয়াই পৰামৰ্শৰ বাবে আহ্বান কৰা হয় তেতিয়া বিৰাট ডাঙৰ দায়িত্ব শুৰাৰ বৈঠকৰ ওপৰত পৰে; শুৰাৰ সদস্য সকলৰ ওপৰত পৰে আৰু এক পৱিত্ৰ পৰিৱেশ হৈ পৰে। কাৰণ খিলাফতৰ ব্যৱস্থাপনাৰ পিছত দ্বিতীয় গুৰুত্বপূৰ্ণ আৰু পৱিত্ৰ কাৰ্যালয় জামাতত শুৰাৰ কাৰ্য্যলয় হয়। যুগৰ খলিফাই এই কাৰণে আহ্বান কৰি আছে আৰু জামাতৰ সদস্য সকলক জামাতৰ পৰা নিৰ্বাচন কৰি এই কাৰণে প্ৰেৰণ কৰি আছে যাতে আল্লাহ তায়লাৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ লাভ কৰে, জামাতৰ সদস্য বৃন্দ সকলৰ প্ৰশিক্ষণ আৰু বেলেগ সমস্যাৱলী সমাধা কৰাৰ বাবে আৰু মানৱ সেৱা আগবঢ়োৱাৰ বাবে যুগৰ খলিফাই পৰামৰ্শৰ বাবে মাতিছে যে তেখেতক পৰামৰ্শ দিয়ক। তেতিয়া কিমান দায়িত্ব আৰু বেছি অৰ্পিত হৈ পৰে। যদি এই ধাৰণা লৈ শুৰাৰ বৈঠকত বহে তেতিয়া সম্পূৰ্ণ ভাৱে বৈঠকৰ কাৰ্যাৱলী শুনা, ক্ষমা খোজা, আৰু দৰূদ প্ৰেৰণ কৰাৰ বাহিৰে যেন কোনো ধৰণৰ ধাৰণা মস্তিষ্কত আহিব নোৱাৰে; আৰু যেতিয়াই বৈঠকত কোনো ৰায় প্ৰদান কৰাৰ বাবে থিয় হয় তেতিয়া শুদ্ধ আৰু সম্পূৰ্ণ দায়িত্বৰ সৈতে ৰায় প্ৰদান কৰা উচিত। কাৰণ এই ৰায় যুগৰ খলিফাৰ ওচৰলৈ প্ৰেৰণ কৰা হয় আৰু যুগৰ খলিফাই এই ধাৰণা ৰাখে যে সদস্য বৃন্দ সকলে বৰ চিন্তা-ভাৱনা কৰি কোনো বিষয়ত ৰায় প্ৰদান কৰিছে।

শুৰাৰ বৈঠকৰ ৰায়সমূহ সাধাৰণতে গ্ৰহণ কৰি লোৱা হয়, সেইবিলাক

কিছুমান বিষয়ৰ বাহিৰে যিবোৰৰ বিষয়ে যুগৰ খলিফাৰ নিৰ্ধাৰিত জ্ঞান থাকে যে শুৰাৰ এই সিদ্ধান্ত মানি লোৱাৰ ফলত জামাতৰ ক্ষতি সাধন হ'ব পাৰে আৰু এই কথা এনেকুৱা নহয় যে কোৰাণ কৰিমৰ শিক্ষাৰ পৰিপন্থী বা তাৰ পৰা পৃথক, কাৰণ আল্লাহ তায়লা ইয়াৰ অনুমতি প্ৰদান কৰিছে। বেলেগ ঠাইত আল্লাহ তায়লা কৈছে,

وَشَاوِرْهُمْ فِي الْأَمْرِ فَإِذَا عَزَمْتَ فَتَوَكَّلْ عَلَى اللَّهِ (3:160)

অৰ্থাৎ প্ৰত্যেক গুৰুত্বপূৰ্ণ সমস্যাত সিহঁতৰ পৰা পৰামৰ্শ লোৱা আৰু যেতিয়া তুমি কোনো সিদ্ধান্ত কৰি লোৱা তেতিয়া আল্লাহৰ ওপৰত ভৰসা ৰাখিবা, ইয়াত এই কথা কৈছে যে গুৰুত্বপূৰ্ণ সমস্যাৱলীত পৰামৰ্শ কৰা আৱশ্যকীয়,এই আদেশ মতে আঁ-হজৰত (ছাঃ)য়ে পৰামৰ্শ কৰিছিল, অৰ্থাৎ ইমানলৈ পৰামৰ্শ কৰিছে যে হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই আঁ-হজৰত (ছাঃ) তকৈ বেছি নিজৰ চাহাবা সকলৰ পৰা পৰামৰ্শ লোৱা ব্যক্তি দেখা নাই। (খুতবাতে মছৰুৰ জিলদ ২ পৃঃ ১৯৫-১৯৬)

ইয়াত এই কথা স্পষ্ট হোৱা দৰকাৰ যে শুৰাৰ ব্যৱস্থাপনা ৰছুলে কৰিম (ছাঃ)ৰ ছুন্নতৰ অনুসৰণত প্ৰতিষ্ঠিত হৈছে। যুগৰ খলিফাক মাথোন কিছুমান বিষয়ত পৰামৰ্শ দিব পাৰে কিন্তু তাৰ সিদ্ধান্ত খলিফাৰ ওচৰত। অৰ্থাৎ হজৰত খলিফাতুল মছীহ আল খামিছ ( আইঃ) য়ে কৈছে:- ইতিহাসৰ পৰা জনা যায় যে বদৰৰ যুদ্ধৰ সময়ত বন্দী হৈ থকা সকলৰ সৈতে আচৰণ কৰাৰ বিষয়ে পৰামৰ্শ সোধাত বেছিভাগৰ ৰায় খাৰিজ কৰি আঁ-হজৰত (ছাঃ)য়ে মাথোন হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ ৰায় মানিছিল। আকৌ দ্বিতীয় বাৰ যুদ্ধৰ বিষয়ে চাহাবা সকলৰ পৰামৰ্শ বহু গুৰুত্ব দিছিল। উহুদৰ যুদ্ধত চাহাবা সকলৰ পৰামৰ্শত তেখেত (ছাঃ)য়ে তাতে গৈছিল আপোনাৰ অপছন্দীয় থকা সত্ত্বেও। আপোনাৰ এই ধাৰণা আছিল যে মদিনাত অৱস্থান কৰি সিহঁতৰ মুখাপেখী হ'ব, আৰু এই পৰামৰ্শৰ পিছত তেখেত (ছাঃ)য়ে অস্ত্ৰসমূহ বন্ধ কৰি ওলালে তেতিয়া চাহাবা সকলৰ ধাৰণা আহিল যে তেখেত

(ছাঃ)ৰ ইচ্ছাৰ বিৰুদ্ধে সিদ্ধান্ত হৈছে। চাহাবা সকলে কয় যে ইয়াত অৱস্থান কৰি সিহঁতৰ (শত্ৰুৰ) সন্মুখীন হওঁ। তেতিয়া তেখেত (ছাঃ)য়ে কয়, নহয়, নবী যেতিয়া এটা সিদ্ধান্ত কৰি লয় তাৰ পৰা পিছ হোঁহঁকি নাযায়; আল্লাহ তায়লাৰ ওপৰত ভৰসা ৰখা আৰু আগবঢ়া। আকৌ এনেকুৱা পৰিস্থিতি হয় যে চুলাহ্ হুদাইবিয়াৰ সময়ত সকলো চাহাবা সকলৰ ৰায় আছিল যে চুক্তি বন্ধনত চহী নকৰিব। কিন্তু আঁ-হজৰত (ছাঃ)য়ে সিহঁতৰ সকলোৰে ৰায়ৰ বিপৰীত চুক্তি বন্ধনত চহী কৰি দিয়ে। চাওঁক আল্লাহ্ তায়লা তাৰ কিমান ধুনীয়া ফল প্ৰদান কৰিলে, পৰামৰ্শ লোৱাৰ নিৰ্দেশ আছে যাতে বিষয়টো সম্পূৰ্ণ ভাৱে সন্মুখত আহি যায়, কিন্তু জৰুৰী নহয় যে সেই পৰামৰ্শ মানিবই লাগিব। তেখেত (ছাঃ)ৰ ছুন্নতৰ অনুসৰণত আমাৰ শ্বুৰাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হৈছে, খলিফাই পৰামৰ্শ খোজে যাতে সেই বিষয়াৱলী চালি-জাৰি চাব পাৰে কিন্তু সেয়া জৰুৰী নহয় যে শ্বুৰাৰ সকলো বিলাক সিদ্ধান্ত গ্ৰহণ কৰা হ'ব,এই কাৰণে সদায় এয়া হয় যে শ্বুৰাৰ কাৰ্যাৱলীৰ শেষত বিষয়াৱলীৰ ওপৰত চিন্তা-ভাৱনা কৰাৰ বাবে ৰিপোৰ্ট উত্থাপন কৰা হয়,তাৰ ওপৰত লিখা থাকে যে শ্বুৰা এই মধ্যস্থতা কৰিছে, কিন্তু এইটো লিখাৰ অধিকাৰ নাই যে শ্বুৰা এই সিদ্ধান্ত কৰিছে, শ্বুৰাৰ মাথোন মধ্যস্থতা কৰাৰ অধিকাৰ আছে।ফয়চালা (সিদ্ধান্ত) কৰাৰ অধিকাৰ মাথোন যুগৰ খলিফাৰ আছে। ইয়াৰ ওপৰত কোনোবাৰ প্ৰশ্ন উঠিব পাৰে যে তেন্তে শ্বুৰাৰ বাবে মাতি পৰামৰ্শ লোৱাৰ কি প্ৰয়োজন আছে ? আজি কালি লিখা-পঢ়া শিক্ষিত সকলৰ মস্তিষ্কতো এনেকুৱা প্ৰশ্ন দাঙি উঠে, যেনেকুৱা মই পূৰ্বতেই কৈছোঁ যে শ্বুৰাৰ বৈঠক মাথোন পৰামৰ্শ দিয়াৰ বাবে হয়, সেয়া সংসদৰ (পাৰ্লিয়ামেণ্টৰ) নিচিনা নহয় য'ত সিদ্ধান্ত কৰা হয়। অৱশেষত বিষয়াৱলী যুগৰ খলিফাৰ ওচৰত আহে আৰু খলিফাৰে সেই বিষয়ে সিদ্ধান্ত কৰাৰ দক্ষতা আছে আৰু এই দক্ষতা আল্লাহ তায়লাই দিছে। অৰ্থাৎ পৰামৰ্শ মানি লোৱাও হয় যেনেকুৱা মই কৈছোঁ বিশেষ পৰিস্থিতিৰ বাহিৰেও জ্ঞান যুগৰ খলিফাৰ থাকে; আৰু হ'ব পাৰে

কিছুমান ক্ষেত্ৰত কিবা সমস্যাৱলীৰ কাৰণে সিহঁতৰ ফালৰ পৰা যিবিলাক পৰামৰ্শ দিয়া হৈছিল সেইবিলাক যুগৰ খলিফাই ক'বলৈয়ো ইচ্ছা নকৰে কিছুমান অসুবিধাৰ কাৰণে। অৰ্থাৎ কোৱাৰ উদ্দেশ্য এয়া যে পৰামৰ্শ লোৱাৰ লাভালাভ নিশ্চয় আছে। কাৰণ বিভিন্ন পৰিৱেশ, বিভিন্ন জাতি, বিভিন্ন পৰিৱেশৰ মানুহ,বেছি আৰু কম লিখা-পঢ়া মানুহ পৰামৰ্শ দি থাকে। আজি কালি জামাত বিস্তাৰ লাভ কৰিছে, বিভিন্ন ৰাষ্ট্ৰৰ পৰা সিহঁতৰ পৰিস্থিতি অনুযায়ী পৰামৰ্শ আহি থাকে। তেতিয়া যুগৰ খলিফাৰ সেই ৰাষ্ট্ৰৰ সাধাৰণ অৱস্থা আৰু জামাতৰ বিষয়ে আৰু জামাতৰ ধৰ্মীয় আৰু আধ্যাত্মিক উন্নতি আৰু সিহঁতৰ চিন্তা-ভাৱনাৰ প্ৰতি জ্ঞান হৈ যায় সেইবিলাক পৰামৰ্শৰ বাবে। আৰু যি স্কীম বা কাৰ্য-বিধি বনোৱাৰ প্ৰয়োজন সেয়া তৈয়াৰ কৰাত সহায় হয়। অৰ্থাৎ যদি ৰাষ্ট্ৰৰ কিছুমান সিহঁতৰ আচল পৰিস্থিতি মানি লোৱা নহয় তেতিয়াও যুগৰ খলিফাৰ প্ৰতি দৃষ্টি দিয়াত আৰু সেয়া শ্ৰৱণ কৰি লোৱাত সিহঁতে নিশ্চয় উপকাৰ হয়।পৰামৰ্শ দিয়া সকলৰ বাবে এয়া ফৰজ হয় যে শুদ্ধ নিয়তৰ সৈতে পৰামৰ্শ যেন দিয়ে আৰু যুগৰ খলিফাৰ এই অধিকাৰ আছে আৰু ফৰজ হয় যে তেখেতে জামাতৰ পৰাও যেন পৰামৰ্শ লয়। (খুতবাতে মছৰুৰ জিলদ ২ পৃঃ ১৯৭-১৯৯)

যুগৰ খলিফাৰ কথাসমূহ অমান্য কৰাৰ পৰিণাম নিজকে, নিজৰ বংশধৰ সকলক খোদা তায়লাৰ কৃপাৰ পৰা বঞ্চিত কৰে আৰু ধৰ্মৰ পৰা আঁতৰ কৰে। এই বিষয়ে হজৰত খলিফাতুল মছীহ আল খামিছ (আইঃ)য়ে কৈছে:-

যদি জামাত কথা নুশুনে আৰু যুগৰ খলিফাৰ কথাৰ প্ৰতি মনোযোগ নিদিয়ে তেতিয়া অকল মাথোন খোদা তায়লাৰ কৃপাৰ পৰা বঞ্চিতই নহ'ব, বৰং নিজৰ বংশধৰ সকলোকো ধৰ্মৰ পৰা আঁতৰ কৰি লৈ যাব। গতিকে চিন্তা-ভাৱনা কৰা যদি পৃথিৱীয়ে আপোনাক ধৰ্মৰ পৰা আঁতৰ কৰি আছে, তেতিয়া এইটো পুৰস্কাৰ নহয়, এয়া ধ্বংস; আৰু আল্লাহ তায়লাৰ অনুগ্ৰহৰ অস্বীকাৰ। আমাৰ সদায় স্মৰণ ৰখা উচিত যে আমি এই যুগৰ ইমামৰ হাতত

বয়াত কৰিছোঁ যাৰ অহাৰ অপেক্ষাত সকলো জাতি অপেক্ষাত আছিল। যাৰ বিষয়ে হজৰত মহম্মদ (ছাঃ)য়ে বৰ প্ৰীতিমূলক শব্দ ব্যৱহাৰ কৰিছে। যাৰ বাবে আঁ-হজৰত (ছাঃ)য়ে ছালাম প্ৰেৰণ কৰিছে। (আলমুৰাজ্জুমুল আউছাতু জিলদ ৩ মি ইছমিহি ঈছা, হাদীছ নম্বৰ ৪৮৯৮ পৃঃ ৩৮৩-৩৮৪- দাৰুল ফিকৰ, উমান উৰদান তবআ আউৱাল চন ১৯৯৯)

গতিকে এনেকুৱা ব্যক্তিৰ প্ৰতি সম্বোধন হোৱা কোনো সাধাৰণ কথা নহয় ? গতিকে এয়া বিৰাট ডাঙৰ সন্মান যি এক আহমদীয়ে প্ৰাপ্ত কৰিছে। গতিকে এই সন্মানজনৰ কদৰ (শ্ৰোদ্ধা) কৰা প্ৰত্যেক আহমদীৰ কৰ্তব্য। এই ক্ষমতাবানে আকৌ এবাৰ প্ৰকৃত আহমদীক শলাগী ভৃত্য বনাব; আকৌ তেওঁ খোদা তায়লাৰ কৃপা পূৰ্বতকৈ বেছি অৱতীৰ্ণ হোৱা দেখিব। হজৰত মছীহ মাওউদ (আঃ)ৰ ফালে সম্বোধন মাথোন মুখৰ ঘোষণা নহয়। অৰ্থাৎ এজন বয়াতকাৰী যি আমি তেখেতৰ হাতত বয়াত কৰিছোঁ; আৰু তেখেত (আঃ)ৰ পিছত তেখেতৰ (আঃ)ৰ খলিফাৰ সৈতে সেই প্ৰতিশ্ৰুতি কৰিছোঁ। এই বয়াতৰ বিষয়টো বুজি পোৱা প্ৰত্যেক আহমদীৰ দৰকাৰ।বয়াত, বিক্ৰী কৰি দিয়াৰ নাম; অৰ্থাৎ নিজৰ ইচ্ছা আৰু উৎসাক খোদা তায়লাৰ নিৰ্দেশৰ ওপৰত সমৰ্পন কৰি আৰু সেই মতে নিজৰ জীৱন অতিবাহিত কৰাৰ বাবে এটা প্ৰতিশ্ৰুতি। নিজৰ ইচ্ছা সম্পূৰ্ণ ৰূপে শেষ কৰি দিয়াৰ নাম হয়, যি খোদা তায়লাৰ উপস্থিতিকৰণ জানি কৰা হয় আৰু যদি সেই দিনৰ ওপৰত বিশ্বাস হয় যিদিনা খোদা তায়লাৰ সৈতে সাক্ষাৎ হ’ব, যিদিনা প্ৰত্যেক অঙ্গীকাৰৰ বিষয়ে সোধা হ’ব সিদিনা মানুহৰ নোম থিয় হৈ উঠিব। (খুতবাতে মছৰুৰ জিলদ ৭ পৃঃ ১৯১-১৯২)

খিলাফতৰ সৈতে সম্পৰ্ক স্থাপিত হোৱাৰ বিষয়ে কৈছে:-

অৰ্থাৎ যদি তুমি উন্নতি খোজা পৃথিৱীৰ বুকুত বিজয় লাভ কৰিব খোজা, মোৰ আপোনাক এয়ে উপদেশ আৰু এয়ে পয়গাম যে আপুনি খলিফাৰ সৈতে সংযুক্ত হৈ যাওঁক আৰু আল্লাহৰ ৰচিক শক্তিশালীৰে ধৰি ৰাখক।

আমাৰ সকলো ধৰণৰ উন্নতি খলিফাৰ সৈতে সম্পৰ্ক স্থাপন কৰাতেই নিহিত। (ৰোজ নামা আলফজল ৰাবুৱা ৩০ মে, চন ২০০৩)

আল্লাহ তায়লাই আপোনাক খলিফাৰ অনুগ্ৰহ প্ৰদান কৰিছে যি সকলো ধৰণৰ উন্নতিৰ বাবে কল্যাণময় বাট হয়। গতিকে আল্লাহৰ ৰচিক শক্তিশালীৰে ধৰি ৰাখক। ঐক্যতা আৰু একজোট প্ৰতিষ্ঠাৰ বাবে আৰু সফল লাভ কৰিবলৈ হলে খলিফাৰ সৈতে সম্পৰ্ক স্থাপিত কৰক; আৰু পৰৱৰ্তী বংশধৰ, নিজৰ সন্তান-সন্ততি সকলক এই ডাঙৰ নিয়ামতৰ (অনুগ্ৰহৰ) সৈতে সম্পৰ্ক স্থাপন কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰাব। সৰ্বদা তেখেতৰ উন্নতি আৰু শক্তিশালী হোৱাৰ বাবে চেষ্টা কৰিব আৰু সেই বাটত কোৰবাণী কৰাৰ বাবে প্ৰস্তুত থাকিব। (মশ্বআলে ৰাহ জিলদ ৫ পৃঃ ৩২-৩৩)

স্মৰণ ৰখা এই যুগত আল্লাহ তায়লাৰ প্ৰতিশ্ৰুতি আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰকাশ্য ইৰশ্বাদাত অনুযায়ী খলিফাৰ সৈতে সম্পৰ্কযুক্ত হৈ থকাৰ ফলত ঈমান বৃদ্ধি পাব আৰু কাৰ্যকৰীৰ কৰাৰ বাবে উন্নতি প্ৰদান হ'ব। যিমানে ডাঙৰ আলিম বা আধ্যাত্মিক উন্নতিৰ স্থানলৈ গৈ নাপাওঁক কিয় যদি খলিফাৰ সৈতে সম্পৰ্কযুক্ত নহয় তেতিয়া জামাতি উন্নতিত বা কোনোবাৰ আধ্যাত্মিক উন্নতিত কোনো ধৰণৰ প্ৰভাৱ বিস্তাৰ লাভ নকৰিব। আল্লাহ তায়লা আপোনালোকৰ সকলোকে এই কথাৰ গূঢ়াৰ্থ বুজাৰ তৌফিক দান কৰক। (হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ) কা মেমবাৰান শ্বুৰা (পাকিস্তান) চন ২০১৪ কে নাম পেগাম- বাহাৱালা আলফজল ইণ্টাৰনেশ্বনাল ২৩ মে, চন ২০১৪ ৰ পৰা ২৯ মে, চন ২০১৪ পৃঃ ১

প্ৰত্যেক আহমদীৰ বাবে এয়া কৰণীয় কৰ্তব্য যে যেতিয়া তেওঁ নিজকে আহমদী বুলি কয় তেতিয়া তেওঁ জামাতৰ ব্যৱস্থাপনাৰ সৈতে শক্তিশালীৰে সৈতে সম্পৰ্ক ৰাখিব; আৰু খলিফাৰ সৈতে ভালপোৱাৰ সম্পৰ্ক আৰু আনুগত্য তেওঁৰ কাৰণে ফৰজ হৈ পৰে কাৰণ এয়াই বয়াতৰ সময়ত অঙ্গীকাৰ কৰিছিল। আল্লাহ তায়লাৰ অনেক কৃপা যে নতুন অন্তৰ্ভুক্ত হোৱা, বিশেষ

কৰি সেই সকল যি সকলে পৰিপূৰ্ণ বিশ্বাসৰ সৈতে হজৰত মছীহ মাওউদ (আঃ)ৰ দাবী জানি বুজি গ্ৰহণ কৰিছে সিহঁতে নিজৰ বয়াত আৰু চৰ্তাৱলীৰ ওপৰত চিন্তা-ভাৱনা কৰি থাকে। বহু সংখ্যক মানুহে মোলৈ চিঠি-পত্ৰ প্ৰেৰণ কৰি থাকে। (আল ফজল ইণ্টাৰনেশ্বনাল ৩০ অক্টোবৰ চন ২০১৫ ৰ পৰা ৫ নৱেম্বৰ চন ২০১৫ পৃঃ ৬)

আজি প্ৰত্যেক আহমদী যিয়ে এই দাবী কৰে যে হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াত কৰি মোমিন সকলৰ সেই জামাতত অন্তৰ্ভুক্ত হৈছে যাৰ সৈতে খলিফাৰ প্ৰতিশ্ৰুতি আছে। তাৰ কৰ্তব্য যে আল্লাহ তায়লাৰ নিৰ্দেশ মৰ্মে সদায় নিজৰ অৱস্থাক পৱিত্ৰ কৰাৰ বাবে প্ৰয়াস যেন কৰি থাকে। প্ৰত্যেক পুৰুষ,মহিলা,শিশু, যুৱক সকলে এই চিন্তা-ভাৱনা কৰিব যে আল্লাহ তায়লাই আমাক খলিফাৰ অনুগ্ৰহ প্ৰদান কৰিছে। আমি তেখেতৰ লগৰীয়া হোৱাৰ চেষ্টা কৰিব লাগিব। আমি সেই অনুগ্ৰহৰ ভাগীদাৰী হোৱাৰ চেষ্টা কৰিব লাগিব যাৰ প্ৰতিশ্ৰুতি মোমিন সকলৰ বাবে আল্লাহ তায়লাই কৰিছে; যাৰ ওপৰত খলিফাৰ নিয়ামত (অনুগ্ৰহ) অৱতীৰ্ণ হৈছে। আমি এই পুণ্য কাম নিজৰ জীৱনৰ অংশ বনাব লাগিব যিবিলাক কৰাৰ বাবে খোদা তায়লাই নিৰ্দেশ কৰিছে। স্মৰণ ৰখা আজি যদি আমি নিজৰ অৱস্থাৰ পৰিৱৰ্তন নকৰো আৰু তাৰ ওপৰতেই ভৱিষ্যতলৈ প্ৰতিষ্ঠিত থাকো, তেন্তে পিছ হোঁহঁকি হোঁহঁকি ইমান দূৰ গৈ পাব য'ৰ পৰা উভতি অহা অসম্ভৱ হৈ পৰিব। ফলাফল তেতিয়া এয়া ওলাব যে সেই পুৰস্কাৰৰ পৰাও বঞ্চিত হ'ব যি পুৰস্কাৰ খলিফাৰ সৈতে সম্পৰ্ক থকাৰ ফলত প্ৰাপ্ত হয়। অৰ্থাৎ অকল নিজেই মাথোন বঞ্চিত নহ'ব নিজৰ বংশধৰ সকলকো তাৰ পৰা বঞ্চিত কৰিব——-আজি আমাৰ বাবে ফৰজ হয় যে আজি আমি এই দায়িত্ব পালন কৰি এই নিয়ামত (অনুগ্ৰহ ) সুৰক্ষা কৰি নিজৰ বংশধৰৰ মাজত এই গুৰুত্ব প্ৰতিৰ্ষ্ঠিত ৰাখিব লাগিব। নিজৰ বংশধৰৰ পৰা এই অঙ্গীকাৰ ল'ব লাগিব যে যেনেকুৱা পদ্ধতিত হওঁক,জীৱন মৰণ, সম্পত্তি আৰু নিজৰ হৃদয় বিসৰ্জন

দিওঁ খিলাফত আহমদীয়াৰ সুৰক্ষা কৰিব লাগিব আৰু সদায় কৰি যাব লাগিব। আৰু নিজৰ বংশৰ মাজত, নিজৰ জাতিৰ মাজত আৰু পৃথিৱীত ইছলাম আৰু আহমদীয়তৰ পয়গাম পৌচাবৰ চেষ্টা কৰি যাব লাগিব। (আল ফজল ইণ্টাৰনেশ্বনাল ২৪ মে চন ২০১৩ ৰ পৰা ৩০ মে চন ২০১৩ পৃঃ ৮)

আপোনাৰ সকলোৰে বাবে ফৰজ হয় দোৱাৰ ফালে বেছি মনোযোগ দিব আৰু নিজকে খলিফাৰ সৈতে সম্পৰ্কিত ৰাখিব আৰু এই পইণ্ট সদায় মনত ৰাখিব যে সকলো ধৰণৰ উন্নতি আৰু সফলতা খলিফাৰ সৈতে সম্পৰ্ক থকাত নিহিত। সেই ব্যক্তি ছিলছিলাৰ বাবে লাভবান হ'ব পাৰিব যিজনে নিজকে ইমামৰ সৈতে সম্পৰ্কযুক্ত ৰাখিব। যদি কোনোবাই ইমামৰ সৈতে সম্পৰ্ক নাৰাখে যদিওবা সি পৃথিৱীত জ্ঞান ৰাখে, তাৰ কোনো দক্ষতাই নাই। যেতিয়া আপোনাৰ জ্ঞান আৰু কৌশল খলিফাৰ অধীনত থাকিব আৰু নিজে ইমামৰ পিছে তেখেতৰ ইঙ্গিতত চলিব তেতিয়াহে আল্লাহ তায়লাৰ সহায় আপোনাৰ সৈতে থাকিব। (ৰোজ নামা আল ফজল ৩০ মে চন ২০০৩ পৃঃ ২)

খলিফাৰ সৈতে সহায় সহযোগীতা আগবঢ়োৱাৰ বিষয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ উদ্ধৃতিত হজৰত খলিফাতুল মছীহ আল খামিছ (আইঃ) য়ে কৈছে:-

এটা খোতবাত এই বিষয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে মুৰব্বী আৰু আলিম সকলক গুৰুত্বপূৰ্ণ উপদেশ দিছিল। তেখেতে কৈছে যে প্ৰত্যেক মোমিন যি ধৰ্মৰ প্ৰতি আগ্ৰহ আৰু ছিলছিলাৰ সৈতে ভাল সম্পৰ্ক ৰাখে আৰু এয়া খোজে যে খোদা তায়লাৰ ছিলছিলা সত্যৰ সৈতে পৃথিৱীত প্ৰতিষ্ঠিত থাকে যেন, তেতিয়া ইছলামৰ সেই মৰ্যাদা অৰ্জিত হ'ব যি আঁ-হজৰত (ছাঃ)ৰ যুগত হৈছিল আৰু এই কামৰ বাবে হজৰত মছীহ মাওউদ (আঃ)ৰ চেষ্টা বিফল নহ'ব। গতিকে তেওঁৰ বাবে ফৰজ হয় যে খলিফাৰ

সৈতে সদায় দিন ৰাতি সহায় আগবঢ়াই সেই কামত মগ্ন থাকে যে সাধাৰণতে জামাতৰ যেন সংশোধন হৈ যায়। এনেকুৱা মানুহৰ কাৰণে ফৰজ হয় যে যেনেকুৱা বিয়াৰ সময়ত নিজৰ থৈলা ৰাখি দিয়ে (কিছুমান ঠাইত প্ৰথা অনুযায়ী শুকান খেজুৰ বিতৰণ কৰে আৰু মানুহে নিজৰ থৈলা ৰাখি দিয়ে) যাতে তাতে শুকান খেজুৰ পৰে। এই ধৰণে যেতিয়া খলিফা জামাতৰ সংশোধনৰ বাবে কিছু দিয়ে তেতিয়া সেয়া গ্ৰহণ কৰিব লাগে আৰু জামাতৰ সদস্য বৃন্দ সকলৰ সন্মুখত উপলব্দি কৰক, যাতে দুৰ্বল মস্তিষ্ক মানুহেও সেয়া বুজিব পাৰে আৰু ধৰ্মৰ সঠিক পদ্ধতি সিহঁতে নিজৰ ওপৰত কাৰ্য্যকৰী কৰিব পাৰে ।(মাখুজা খুতবাতে মাহমুদ জিলদ ১৮ পৃঃ ২১৪,২১৫) ( আল ফজল ইণ্টাৰনেশ্বনাল ১৯ জুনৰ পৰা ২৫ জুন চন ২০১৫ লৈ পৃঃ ৮)

এই খিলাফতৰ নিয়ামত যি জামাতৰ জীৱন হয় যদি সেই নিয়ামত প্ৰাপ্ত কৰিব বিচৰা তেন্তে খিলাফতে আহমদীয়াৰ সৈতে ভাল সম্পৰ্ক ৰাখা, পৰিপূৰ্ণ ভাৱে সম্পৰ্ক স্থাপন কৰা, আপোনাৰ সকলো ধৰণৰ উন্নতি খলিফাৰ সম্পৰ্কৰ সৈতে নিহিত। এনেকুৱা হৈ যাওঁক যে যুগৰ খলিফাৰ ইচ্ছা আপোনাৰ ইচ্ছা হৈ যায়,আৰু খলিফাৰ খোজত আপোনাৰ খোজ আৰু খলিফাৰ আনন্দ আপোনাৰ প্ৰতি দৃষ্টি হৈ যায়। ( মাহনামা খালিদ ছৈয়দিনা তাহিৰ নম্বৰ মাৰ্চ এপ্ৰিল চন ২০০৪ পৃঃ ৪)

প্ৰত্যেক আহমদীয়ে চেষ্টা কৰা উচিত যে খলিফাৰ বাবে দোৱা কৰিব যাতে খলিফাৰ কল্যাণ আপোনাৰ ওপৰত সৰ্বদা থাকে———নিজৰ ভিতৰত বিশেষ পৰিৱৰ্তন আনিব; পূৰ্বতকৈ বেছি ঈমান বৃদ্ধি কৰিব আৰু উন্নতি কৰিব———এতিয়া জ্ঞানী আহমদী সেইজন যি জন সজ কাম কৰে আৰু খলিফাৰ সৈতে সম্পৰ্ক ৰাখে। ( খুতবা জুমা ফৰমুদা ২৭ মে চন ২০০৫)

ইছলাম, আহমদীয়তৰ শক্তি আৰু বিস্তাৰ লাভ কৰাৰ বাবে আৰু খিলাফতৰ ব্যৱস্থাপনাৰ সৈতে শেষ নিশ্বাসলৈকে চেষ্টা-প্ৰচেষ্টা কৰিব আৰু ডাঙৰ ডাঙৰ কোৰবাণী উত্থাপন কৰাৰ বাবে সদায় প্ৰস্তুত থাকিব; আৰু

নিজৰ সন্তান-সন্ততিক খলিফাৰ সৈতে সম্পৰ্ক ৰখাৰ বাবে সিহঁতক মনোযোগ আকৰ্ষণ কৰাব লাগিব আৰু সিহঁতৰ হৃদয়ত যুগৰ খলিফাৰ প্ৰতি ভালপোৱাৰ জাগৰণ সৃষ্টি কৰাব লাগিব। এইবিলাক পৰিপূৰ্ণ কৰাৰ বাবে এক দৃঢ়তামূলক অঙ্গীকাৰ আৰু উন্মাদনাক বিচাৰে। (মাহনামান নাচিৰ জাৰমানি জুনৰ পৰা চেপ্তেম্বৰ চন ২০০৩ পৃঃ ১)

মনত ৰখা সেইজনা সত্য খোদা। সেইজনা আজিও নিজৰ প্ৰিয় মছীহ (আঃ)ৰ সেই প্ৰিয় জামাতৰ ওপৰত হাত ৰাখি আছে। সেইজনা আমাক কেতিয়াও নেৰিব,কেতিয়াও নেৰিব,কেতিয়াও নেৰিব, সেইজনা আজিও নিজৰ মছীহ (আঃ)ৰ সৈতে কৰা অঙ্গীকাৰ সেইদৰে পূৰ্ণ কৰি আছে যিদৰে পূৰ্বৰ খলিফাৰ সৈতে কৰিছে। সেইজনা আজিও নিজৰ কৃপা আৰু ফজল প্ৰদান কৰিছে, যেনেকুৱা পূৰ্বতে প্ৰদান কৰিছে আৰু ভৱিষ্যতে প্ৰদান কৰি থাকিব। অৰ্থাৎ দোৱাৰ সৈতে সেইজনাৰ ফালে অগ্ৰগতি হৈ তাৰ ফজল বিচৰা; সদায় তাৰ আস্থানত অৱনমিত হৈ থকা আৰু দৃঢ় সংকল্পৰ সৈতে স্থাপিত থকা। তেতিয়া কোনোবাই তোমাৰ চুলিও বেঁকা কৰিব নোৱাৰিব। আল্লাহ্ তায়লা সকলোকে ইয়াৰ তৌফিক দান কৰক। আমিন-

( ইৰশ্বাদাত হজৰত খলিফাতুল মছীহ আল খামিছ (আইঃ) ফৰমুদা ২১ মে চন ২০০৪)

অৰ্থাৎ এজন প্ৰকৃত আহমদীৰ কৰ্তব্য যে খলিফাৰ প্ৰত্যেক বক্তব্য মনোযোগেৰে শ্ৰৱণ কৰা কাৰণ এই শব্দ এজন সত্য মোমিনৰ বাবে গুৰুত্বপূৰ্ণ আৰু তাতেই আল্লাহ্ তায়লাৰ সহায় আৰু বৰকত নিহিত। অৰ্থাৎ যুগৰ খলিফা আল্লাহৰ নিৰ্দেশ ক্ৰমে কৈ থাকে। তেখেতৰ মুখৰ পৰা সেয়া ওলায় যি পৃথিৱীবাসী তাৰ পৰা বঞ্চিত থাকে আৰু সেয়া বিচাৰি পোৱা নাযায়। সেয়া প্ৰয়োজন সাপেক্ষে আল্লাহৰ ইচ্ছানুযায়ী মোমিন সকলক কাৰ্যকৰি কৰাৰ প্ৰতি আহ্বান কৰে। সঁচাকৈয়ে উন্নতিৰ বাট যুগৰ খলিফাৰ হিদায়ত মতে কৰ্ম কৰাৰ ফলত প্ৰাপ্ত হয়। সেই কাৰণে যুগৰ খলিফাৰ খোতবা,

খিতাবাত, চাৰ্কুলৰ, পয়গাম অতি মনোযোগেৰে শুনা,শিশুবিলাকক শুনোৱা, নিজৰ স্ত্ৰীসকলক শুনোৱা আৰু বেলেগ বন্ধু-বান্ধৱ,আত্মীয়-স্বজনক অৱগত কৰোৱা প্ৰত্যেক আহমদী পুৰুষ মহিলাৰ ফৰজ হয়। ইয়াৰ পৰা জানিব পৰা যাব যে যুগৰ খলিফা কি কৈ আছে আৰু তেখেতে আমাৰ পৰা কি বিচাৰি আছে আৰু আমাৰ পৰা কি ভৰসা ৰাখে ইত্যাদি ? যি ব্যক্তি এই হিদায়ত সমূহ গুৰুত্ব সহকাৰে নুশুনে তেওঁ পৰিপূৰ্ণ আনুগত্যৰ পৰা বঞ্চিত। যিয়ে ইহকাল আৰু পৰকালত অতিমাত্ৰা দুঃখিত হ'ব।

এজন প্ৰকৃত মোমিনৰ মৰ্যাদা মাথোন খলিফাৰ আনুগত্যত আছে। হজৰত আকদছ মছীহ মাওউদ (আঃ)য়ে কৈছে যে আল্লাহ তায়লাৰ হাত জামাতৰ ওপৰত আছে। আল্লাহ তায়লা তৌহিদক পছন্দ কৰে আৰু এই একত্ববাদ প্ৰতিষ্ঠিত হ'ব নোৱাৰে যেতিয়ালৈকে অনুকৰণ কৰা নহয়। হজৰত মহম্মদ(ছাঃ)ৰ যুগত চাহাবা সকলে মহান মহান ৰায় প্ৰদান কৰিছিল। আল্লাহ তায়লাই সিহঁতক তেনেকুৱাই বনাইছিল। সিহঁতে ৰাজনৈতিকৰ বিষয়েও অৱগত আছিল; কাৰণ শেষত যেতিয়া হজৰত আবু বক্কৰ, হজৰত উমৰ (ৰাঃ) আৰু অন্যান্য চাহাবা সকল খলিফা হয়, সিহঁতৰ বাদশ্বাহত আহে সিহঁতে যি গুণাৱলীৰ সৈতে সেই বাদশ্বাহত চম্ভালি লয়; তাৰ পৰা জানিব পৰা যায় যে সিহঁতৰ মাজত কিমান ৰায় প্ৰদান কৰাৰ মহান ক্ষমতা আছিল। কিন্তু যেতিয়াই মহম্মদ (ছাঃ)য়ে কিবা কিছু কৈছে তেতিয়া সিহঁতৰ নিজৰ ৰায় সমূহক নিম্ন শ্ৰেণী বুলি ভাৱিছে আৰু হজৰত মহম্মদ (ছাঃ)য়ে যি কৈছে সেয়া কাৰ্যকৰি কৰাটো বাধ্যতামুলক কৰি লৈছে, বুদ্ধিহীন বিৰোধী সকলে কয় যে ইছলাম তৰোৱালৰ বলত বিস্তাৰ লাভ কৰিছে। কিন্তু মই কওঁ এয়া সঠিক নহয়। আচল কথা এয়া যে হৃদয়ৰ নলা আনুগত্যৰ পানীৰ পৰা ওলাই পৰিছে। এয়া সেই আনুগত্যৰ ফলাফল আছিল যে সিহঁতে অইনৰ হৃদয়ক উপহাস কৰিছে। তুমি যিসকলে হজৰত মছীহ মাওউদ (আঃ)ৰ জামাত বুলি কৈ চাহাবা সকলৰ জামাতৰ সৈতে মিলিত হোৱাৰ

ইচ্ছা ৰাখা, নিজৰ ভিতৰত চাহাবা সকলৰ ৰঙত ৰঙ্গিন হোৱাৰ চেষ্টা কৰা। আনুগত্য হয় যদি এনেকুৱা যেন হয়, পৰস্পৰ ভালপোৱা আৰু ভ্ৰাতৃত্ববন্ধন যেন থাকে। অৰ্থাৎ সকলো অৱস্থাতে তুমি সেই পন্থা অৱলম্বন কৰা যি চাহাবা সকলৰ আছিল। ( তফছিৰ হজৰত মছীহ মাওউদ (আঃ) জিলদ ২ পৃঃ ২৪৬-২৪৮, তফছিৰ চুৰাতুন নিছা জেৰ আয়াত ৬০)

অৰ্থাৎ আল্লাহ তায়লা আমাক তৌফিক দান কৰক যে আমি খলিফাৰ নিয়ামতৰ (অনুগ্ৰহৰ) অধিকাৰৰ সন্মান কৰিব পাৰো; আৰু আমাৰ অঙ্গীকাৰ যেন পূৰ্ণ কৰিব পাৰো আৰু জীৱনৰ শেষ নিশ্বাসলৈকে ভালপোৱাৰ সৈতে খলিফাৰ লগত সংযুক্ত থাকিব পাৰো যাতে এই অনুগ্ৰহৰ অংশীদাৰ বংশধৰ সকলেও হ'ব পাৰে। আমিন-

আল্লাহ তায়লা আমাৰ সকলোকে এইটোও তৌফিক দান কৰক যে খলিফাৰ কথা মাথোন শুনাই নহয় বৰং আমল কৰোঁতাও যেন হ'ব পাৰো। আল্লাহ কৰক আল্লাহ তায়লাৰ ইচ্ছানুযায়ী আমি খিলাফতৰ পুৰস্কাৰ চম্ভালিব পাৰো।

# خلافت کا فیضان

## খিলাফতৰ ফয়জান (কল্যাণ)

خُدا کا یہ احسان ہے ہم پہ بھاری  کہ جس نے ہے اپنی یہ نعمت اُتاری
نہ مایوس ہونا گھٹن ہو نہ طاری  رہے گا خلافت کا فیضان جاری

نبوت کے ہاتھوں جو پودا لگا ہے  خلافت کے سائے میں پھولا پھلا ہے
یہ کرتی ہے اس باغ کی آبیاری  رہے گا خلافت کا فیضان جاری

خلافت سے کوئی بھی ٹکر جو لے گا  وہ ذلت کی گہرائی میں جا گرے گا
خدا کی یہ سنّت ازل سے ہے جاری  رہے گا خلافت کا فیضان جاری

خدا کا ہے وعدہ خلافت رہے گی  یہ نعمت تمہیں تا قیامت ملے گی
مگر شرط اس کی اطاعت گزاری  رہے گا خلافت کا فیضان جاری

محبت کے جذبے، وفا کا قرینہ  اخوّت کی نعمت، ترقی کا زینہ
خلافت سے ہی برکتیں ہیں یہ ساری  رہے گا خلافت کا فیضان جاری

الٰہی ہمیں تو فراست عطا کر  خلافت سے گہری محبت عطا کر
ہمیں دکھ نہ دے کوئی لغزش ہماری  رہے گا خلافت کا فیضان جاری

(محترمہ صاحبزادی امتہ القدوس بیگم صاحبہ)